# টম ছয়াৰৰ কাণ্ড

**MARK TWAIN**

●

**Adventures of Tom Sawyer**

অনুবাদক ঃ

**আবুল লেইচ**

নিউ বুকষ্টল

গুৱাহাটী ঃ অসম

প্ৰকাশক :
নিউ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰথম প্ৰকাশ :
১৯৬২ ইং ফেব্ৰুৱাৰী

মূল্য—তিনি টকা

মুদ্ৰাকৰ :
শ্ৰীসুধীৰকুমাৰ দত্ত
ইণ্ডিয়া ডাইৰেক্টৰী প্ৰেছ্
( পি, এম, বাক্‌চি এণ্ড কোং প্ৰাইভেট লিঃ )
৩৮এ, মছজিদবাৰী ষ্ট্ৰীট,
কলিকাতা-৬

# টম ছয়াৰৰ কাণ্ড

# পৰিচিতি

মাৰ্ক টোৱেইনৰ অমৰ উপন্যাস "এড্‌ভেঞ্চাৰচ্‌ অব টম্‌ ছয়াৰ" (**Adventures of Tom Sawyer**) অসমীয়ালৈ অনুবাদ কৰাৰ ইচ্ছা বহুদিনৰ পৰাই আছিল, কিন্তু ডঃ প্ৰফুল্লদত্ত গোস্বামীদেৱৰ পৰা উদগনি নেপালে এই কামটো হয়তো আজিলৈকে হৈ নুঠিলহেতেন। অকল উৎসাহ দিয়াই নহয়, কিতাপখন হাতে লিখা অৱস্থাতে চাই-চিতি আগকথাখিনি লিখি দিয়াৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। বন্ধুবৰ শ্ৰীভবেন্দ্ৰ নাথ শইকীয়ায়ো যথেষ্ট সহায় কৰিছে। তেখেতকো ধন্যবাদ জনালো।

অনুবাদ কৰোতে মূল ৰচনাকে অনুসৰণ কৰা হৈছে। অইন ভাষাত হোৱা অনুবাদ বা চমু কাহিনীৰ সহায় লোৱা হোৱা নাই। মূল কিতাপৰ প্ৰায় আটাইখিনি কথা ৰখা হলেও, ঠাই বুজি কিছু অংশ বাদ দিয়া হৈছে—বিশেষকৈ টম্‌ আৰু বে'কীৰ চালুকীয়া প্ৰেমৰ বৰ্ণনা থকা অংশ। হাক্‌ফিনে মূল কিতাপত ব্যৱহাৰ কৰা কথ্যভাষা বা উপভাষাৰ হুবহু অসমীয়া অনুবাদ কৰা টান। তথাপি, হাকৰ কথা-বতৰাৰ বৈশিষ্ট্য ৰক্ষা কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰা হৈছে।

অসমীয়াত অনুবাদ সাহিত্যৰ প্ৰয়োজনীয়তাৰ কথা সকলোৱে উপলব্ধি কৰিছে। এই গ্ৰন্থই অসমীয়া সাহিত্যক সামান্য অৰিহণা যোগালেও নিজক ধন্য মানিম।

আবুল লেইচ

গুৱাহাটী

১৫।১।৬২

# উপহাৰ

বিশ্ববিদ্যালয়ৰ শেষ পৰীক্ষা দি উঠি, কেইমাহমান স্থানীয় হাইস্কুল এখনত শিক্ষকতা কৰা কালত, স্কুলৰ লৰাহঁতক কেতিয়াবা গল্প কৈছিলোঁ। —শ্বেক্সপিয়াৰৰ হেমলেট, কিং লিয়াৰ, জুলিয়াচ চিজাৰৰ গল্প আৰু লগতে মাৰ্ক টোৱেইনৰ টম্ ছয়াৰৰ গল্প। সেইসকল ছাত্ৰৰ কেতবোৰ এতিয়া চাকৰিয়াল, কেতবোৰ বিশ্ববিদ্যালয় আৰু অইন অইন কলেজৰ ছাত্ৰ। সেই সকলো ছাত্ৰ আৰু স্কুলখনৰ বৰ্ত্তমান আৰু ভৱিষ্যত ছাত্ৰসকলক **"টম ছয়াৰৰ কাণ্ড"** উপহাৰ দিলো।

আবুল লেইচ

# পাতনি

চেমুৱেল লেংহ'ৰ্ণ ক্লিমেঞ্চৰ জন্ম হয় ১৮৩৫ খৃষ্টাব্দত। যুক্তৰাষ্ট্ৰীয় ইংৰাজী সাহিত্যই যি এটি গঢ় লবলৈ ধৰিছিল তাত এওঁৰ অৱদানে প্ৰাণ সঞ্চাৰ কৰে। এওঁৰ সময়তে এই সাহিত্যৰ স্বকীয় সুৰ সুস্পষ্ট হৈ পৰে। সেইসময় আমেৰিকা ন-পমুৱাৰ সৰু সৰু গাওঁ নাইবা চহৰৰ সমষ্টি, মানুহে হাবি জংগল চাফ-কৰি পাম পাতি নাইবা দোকান দি কিনা-বিকা কৰি জীৱিকা উলিয়াবলৈ চেষ্টা কৰিছে। সমাজত তেতিয়াও ন-পমুৱাৰ অনিশ্চিত গতিশীলতা, ধৰণ-ধাৰণত তেতিয়াও নগৰ-বাসীৰ দৰে কোনো ধৰা-বন্ধা ভঙ্গী নাইবা চাল-চলনৰ সৃষ্টি হোৱা নাই। ক্লিমেঞ্চৰ সৰুকালি কাটে মিছুৰি নদীৰ পাৰৰ হেনিবল চহৰত, চহৰৰ জনসংখ্যা প্ৰায় পাঁচশ। কিন্তু এমাইল বহল মিছুৰিৰ পাৰত আৰু বুকুত অহা আহে যোৱা যায়, সীমান্তৰ হেনিবল চহৰ পাৰ হৈ ন-পমুৱাই পশ্চিম-ফাললৈ মুকলি ঠাই বিচাৰি ওলায়। বদমেজাজী মানুহৰ মৰামৰি-কিলাকিলি, মাতালৰ ৰসাল ভাষাৰ গালি-গালাজ, শিকলিৰে বন্ধা অৱস্থাত থকা নিগ্ৰো দাস-দাসীৰ দুৰৱস্থা, নদীৰ বুকুৰ নাও আৰু জাহাজৰ সোঁত —এই আটাইবিলাকে কুমলীয়া ক্লিমেঞ্চৰ চকুত এখন বিস্ময়কৰ আৰু হয়তো ভয়াবহ জগতৰ চিত্ৰ দাঙি ধৰে। এনে ধৰণৰ অভিজ্ঞতা-বিলাকেই পিচলৈ এওঁ টম্ ছয়াৰ, হাক্লবেৰিৰ ফিন্ আৰু আন ৰচনাত বৰ্ণনা কৰে। এওঁৰ বৰ্ণনাতো সজীৱ চঞ্চল জীৱনৰ প্ৰাণস্পন্দন আৰু প্ৰাচুৰ্য্য, সৰু লৰাৰ চকুত ধৰা পৰা বিস্ময় আৰু আকস্মিকতাৰ চাঞ্চল্য। আৰু ৰচনাৰ ভঙ্গীত কি কলা-কৌশল! ক্লিমেঞ্চ যেনিবা এটি চৰিত্ৰহে, লিখক নহয়, তেওঁ যেনিবা নিজেই ঘটনাৰ জালত মেৰ খাই লৈছে; তেওঁ যেনিবা নিজে কাহিনী বৰ্ণনা কৰা নাই, কৰিছে আনৰ জৰিয়তেহে; তেওঁ যেনিবা উপলক্ষ্যহে—নিজৰ কোনো দৃষ্টিভঙ্গী নাই, তেওঁ প্ৰতিফলনহে কৰিছে।

ক্লিমেঞ্চ সুবিখ্যাত **"মার্ক টোৱেইন"** ছদ্ম নামত। এই নামৰ আঁৰত কাহিনী এটি আছে, কিন্তু কথাফাঁকিৰ অৰ্থ হল "দুজোখ"—খালাচীয়ে নদীত পানী জুখিলে এজোখ, দুজোখ বুলি যি সঙ্কেত দিয়ে সেই। আনহাতে ক্লিমেঞ্চ আৰু মাৰ্ক টোৱেইন একেজন মানুহ বুলি কলেও ভুল হয়। কিয়নো মাৰ্ক টোৱেইনৰ চৰিত্ৰ আমাৰ বেজবৰুৱাৰ কৃপাবৰৰ নিচিনা, এনে চৰিত্ৰত লিখকৰ কল্পনাৰ সমলো সংযোগ হয়। বেজবৰুৱাই যেনেকৈ কৃপাবৰৰ জৰিয়তে এটি স্বকীয়া ৰূপত দেখা দিবলৈ চেষ্টা কৰিছিল, সেইদৰে মাৰ্ক টোৱেইনৰো এটি স্বকীয়া সত্বা; মানুহে সময়ত এই মুখাৰ আঁৰত যে আন এজন মানুহ আছে (অৰ্থাৎ ক্লিমেঞ্চ) এই কথা পাহৰিয়ে পেলাইছিল।

মাৰ্ক টোৱেইনে পাঠকৰ মন জুখিব জানিছিল, আৰু বক্তৃতা আৰু কিতাপ দুয়োবিধেই তেওঁৰ জনপ্ৰিয়তা বঢ়াইছিল। আজিকালিও দুই এক অভিনেতাই তেওঁৰ চাল-চলন অনুকৰণ কৰি তেওঁৰ ৰচনাকে আওৰাই ৰাইজক ৰস যোগাইছে। মাৰ্ক টোৱেইনৰ ৰচনাত বিৰিঙি পৰা হাঁহিৰ মূলত আছে এক মানবিকতা আৰু বেদনাবোধ। তেওঁ নিজেই কৈছে, "হাস্যৰসৰ গোপন উঁহ আনন্দ নহয়, বেদনাহে। স্বৰ্গত জানো হাঁহি আছে?" দুখ আৰু ব্যৰ্থতা পৃথিবীৰে বস্তু; এইবিলাকৰ পৰা নিস্তাৰ পাবলৈকেই দুঃসাহসিক কাৰ্য্য, হাঁহি, নাইবা উদ্ভত কল্পনাৰ প্ৰয়োজন হয়!

ক্লিমেঞ্চৰ জন্ম হয় মিছুৰিৰ এক গাৱঁত। এওঁৰ দেউতাক মেজিষ্ট্ৰেট, আৰু তেওঁৰ অলপ অচৰপ ব্যৱসায়ো আছিল। পিচে অৱস্থাৰ উন্নতি নোহোৱাত আন মানুহৰ দৰে তেঁৱো হেনিবলত থিত ললেহি। এই সময়ত তেওঁৰ তৃতীয় পুত্ৰ ক্লিমেঞ্চৰ বয়স চাৰি। ক্লিমেঞ্চৰ বাৰবছৰ বয়সত দেউতাকৰ মৃত্যু হয় আৰু তেতিয়াৰ পৰাই তেওঁ জীৱিকাৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য হয়। পোনতে তেওঁ ককায়েক এজনৰ সৰু ছাপাখানাত কাম কৰে। ককায়েকৰ এখন বাতৰিকাকত আছিল। কাকতখনৰ অৱস্থা টনকিয়াল নাছিল যদিও ল'ৰামতীয়া ক্লিমেঞ্চে আখৰ কম্পোজ কৰা, সৰুসুৰা প্ৰবন্ধ লিখা, ধেমেলীয়া ৰচনা যুগুত কৰা আদি

সকলোতে অভিজ্ঞতা লাভ কৰে। কিন্তু কেইবছৰমানৰ পিচত তেওঁক ভ্ৰমণৰ স্পৃহাই লম্ভিলে। তেওঁ জাহাজ আৰু ৰেলেৰে চেন লুই, চিকাগো, নিউয়ৰ্ক আদি চহৰত অনাই বনাই ফুৰিলে। ফিলাডেলফিয়া আৰু ৱাশ্বিংটনত দুবছৰমান কম্পোজিটৰৰ চাকৰিও কৰিলে। এইদৰে উত্তৰ আৰু দক্ষিণ আমেৰিকাত কেইবছৰমান বাগৰি ফুৰি বাইশ বছৰ বয়সত তেওঁ মিচিচিপি নদীৰে নিউ অৰলিঞ্চলৈ নামি আহে। এই ঘটনাই তেওঁৰ জীৱনত এক নতুন অধ্যায়ৰ সূচনা কৰে। কিয়নো ইয়াতে এক কেপ্টেইনৰ সংস্পৰ্শত তেওঁ পাইলটৰ কাম শিকিবলৈ লয় আৰু পাইলট আৰু কেপ্টেইন হিচাবে তেওঁ যি চাৰি বছৰ নদীৰ ওপৰত উজাই ভটিয়াই থাকে তাৰ অপূৰ্ব্ব অভিজ্ঞতাৰ বৰ্ণনা প্ৰকাশ কৰিয়ে সময়ত মাৰ্ক টোৱেইনৰ ৰূপত তেওঁ আটাইৰে পৰিচিত হৈ পৰে।

১৮৬১ খৃষ্টাব্দত যুক্তৰাষ্ট্ৰৰ উত্তৰ আৰু দক্ষিণৰ ৰাষ্ট্ৰবিলাকৰ মাজত গৃহযুদ্ধ আৰম্ভ হয়। যুদ্ধৰ লগে লগে মিছিছিপি নদীৰ জাহাজ চলাচলত ব্যাঘাত জন্মে আৰু মাৰ্ক টোৱেইনেও নদীৰ বুকু ত্যাগ কৰে। তেওঁ ক্ৰমে সাংবাদিকতা ব্যৱসায়ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কেই-বছৰমানৰ পিছত তেওঁ এবেলি চান ফ্ৰান্সিস্কোৰ পৰা হনলুলুলৈ ভ্ৰমণ কৰোতে জাহাজৰ ভাৰা আদি এই ব্যবসায় কৰিয়ে উলিয়াব পাৰিছিল। এই ভ্ৰমণবিলাকেই তেওঁক অনুপম ৰচনাৰো সমল যোগাইছিল।

আগবয়সৰ মিছিছিপি নদীৰ পাৰৰ দিনবিলাক আৰু যৌৱনকালত এই নদীতে পাইলট হিচাবে কটোৱা অভিজ্ঞতাৰ সোঁৱৰণে দুখন অনুপম কিতাপৰ জন্ম দিয়ে—**"লাইফ অন ডি মিছিছিপি"** আৰু **"টম ছয়াৰ"**।

১৮৭৬ খৃষ্টাব্দত প্ৰকাশ হোৱা টম ছয়াৰৰ কাহিনীতকৈ সোৱাদ লগা কিতাপ যুক্তৰাষ্ট্ৰত কমেইহে ওলাইছে। কিতাপখনৰ ৰচনাত মেল কৰাৰ দৰে এটি স্বাভাৱিক, বহুত সময়ত লাগবান্ধ নোহোৱা, ভঙ্গী লক্ষ্য কৰিব লাগে। আনহাতে ইয়াৰ জগতখনো হৈছে ল'ৰালিকালৰ চকুৰে চোৱা জগত; ইয়াত যেনিবা বয়সীয়া লোকে বিচাৰি পায় এসময়ত তেওঁলোক

কেনে আছিল আৰু সংসাৰখন তেওঁলোকে কেনেদৰে চাইছিল। চল্লিশ বছৰ বয়সত ৰচিত কিতাপখনৰ ৰচনাত কিন্তু যথেষ্ট কলা-কৌশল সোমাই আছে আৰু এইখন মাৰ্ক টোৱেইনৰ শ্ৰেষ্ঠ কিতাপ নহলেও আটাইতকৈ সুলিখিত।

কিতাপখনিৰ তিনিটা ভাগ বুলিব পাৰি। প্ৰতিভাগৰ ঘটনাৱলীৰ এটি স্বকীয়া সোৱাদ। প্ৰথম দহ অধ্যায়ত ল'ৰা-ছোৱালীৰ স্বাভাৱিক খেলধেমালি—জেম চুৰ কৰা, স্কুলৰ পৰা পলোৱা, সঁচতীয়া বস্তুৰ সলনা-সলনি কৰা, ইত্যাদি। এইখণ্ড শেষ হৈছে মৰিশালিৰ ভয়াবহ পৰিবেশত। দ্বাদশৰ পৰা একাদশ অধ্যায়লৈ এই দ্বিতীয় ভাগত আছে জেকচন দ্বীপৰ ঘটনা আৰু স্কুলীয়া জীৱনৰ শেষ দিন। লৰাহঁতে আকৌ খেলে, কিন্তু এতিয়া যেন নিজৰ মাজতে কৰা নিৰ্ম্মল ৰং ধেমালি নাই আছে ডাঙৰৰ জগতখনৰ প্ৰতি বিদ্ৰোহৰ ভাব, যেন ডাঙৰৰ অসৎ কৰ্ম্মৰ সোঁৱৰণ। শেষৰ তেৰটি অধ্যায়ত টম আৰু হাকে ডাঙৰৰ দৰে দায়িত্ব বহন কৰে; সিহঁতে কাচাৰীত সাক্ষী দিয়ে, অপৰাধী জোক বিচাৰি উলিয়াবলৈ যত্ন কৰে আৰু মিছা গুপ্তধন নহয়—সঁচা গুপ্তধনৰ সন্ধান কৰে। এই চমু আঁচনিয়ে কিতাপখনৰ অন্তৰ্নিহিত সোৱাদৰ আভাস কমেইহে দিয়ে। এটা কথা লক্ষ্য কৰা যুগুত যে এইখন কিশোৰ-কিশোৰীৰ কিতাপ; ইয়াত ডাঙৰে ফেল মাৰে, ল'ৰা-ছোৱালীৰহে জয় হয়। শিশুৰ পাপ নাইবা অসতৰ আঁচ নথকা দুষ্টালি আৰু সাহসিকতা আৰু ব্যৱহাৰিক জগতৰ লগত সম্বন্ধ নথকা কল্পনাৰ পাখিত উৰি ফুৰা অভ্যাসৰ আগত ডাঙৰৰ নিয়ম-নীতি, ধৰণ-কৰণ টুলুঙা নাইবা অকমিলা কৰি দেখুৱা হৈছে।

আন এখন কিতাপ "হাক্লবেৰি ফিন"ৰ পটভূমি ঘাইকৈ মিছিছিপি নদী; মুক্তি বিচৰা হাক আৰু ৰহস্যময় নদী দুয়ো যেন অভিন্ন আত্মা। এইখন মাৰ্ক টোৱেইনৰ শ্ৰেষ্ঠ ৰচনা। ইয়াত সমাজৰ নিষ্পেষিত-সকলৰ প্ৰতি কৰুণা বিৰিঙি ওলাইছে। ৰচনাভঙ্গীয়ে বৰ্ত্তমান যুগৰ হেমিংৱেৰ ওপৰতো প্ৰভাৱ পেলাব পাৰিছে। শকত আকাৰৰ এই কিতাপখনত সমালোচকসকলে বিবিধধৰণৰ তাৎপৰ্য্য বিচাৰি

উলিয়াইছে। চমুকৈ কব পাৰি যে জীৱনৰ লগত থকা ঘনিষ্ঠ সংযোগেহে এনে কিতাপৰ ৰচনা সম্ভৱ কৰে। ৰচনাকৌশলৰ ফালৰ পৰা, টম ছয়াৰ তৃতীয় পুৰুষত ৰচিত, এইখন ৰচিত প্ৰথম পুৰুষত, অৰ্থাৎ সকলো ঘটনা হাকৰ মুখেৰে বৰ্ণনা কৰা।

ব্যঙ্গ, বিদ্ৰূপ, নিৰ্ম্মল হাঁহি, এটি গভীৰ বাস্তৱভঙ্গী, সাধাৰণ বা ইতৰ-জনৰ প্ৰতি সহানুভূতি—সকলোৰে সংমিশ্ৰণত মাৰ্ক টোৱেইনৰ প্ৰতিভা পুষ্ট। আনহাতে তেওঁৰ ৰচনাত আছে পাকৈত মেলুৱৈৰ সৰসৰীয়া কথাৰ সোঁত। মিছিছিপি নদীৰ পাক, পাৰৰ হাবি, তাৰ বুকুত থকা বালিৰ চৰ, উটি অহা গছ, নাও, জাহাজ, হৰেকৰকমৰ নৰনাৰী—আটাইবিলাকেই যেন এই সোঁতত প্ৰাণৱন্ত হৈ উঠে।···

মাৰ্ক টোৱেইনৰ কিছুমান বচন—বিশেষকৈ "পাড্‌নহেড উইলচন" কিতাপত থকা—অতি সংক্ষিপ্ত অথচ আমোদজনক আৰু অৰ্থব্যঞ্জক—

'খোকোজা লাগিলে সঁচা কথা কৈ দিয়াই ভাল।'

'চেৰেলা কুকুৰ এটাক খুৱাই বুৱাই তুমি যদি শ্ৰীমন্ত কৰি তোলা, সি তোমাক নাকামোৰে। কুকুৰ আৰু মানুহৰ মাজত এয়ে ঘাই পাৰ্থক্য।'

ডাটীবয়সত তেওঁ কিতাপ আৰু বক্তৃতাৰ পৰা অলেখ ধন উপাৰ্জন কৰে, কিন্তু তেওঁৰ শেষৰ দিনকেইটা শোকাবহ। তেওঁ বিদেশত ভ্ৰমণ কৰি থকা সময়ত ডাঙৰ জীয়েকৰ মৃত্যু হয়; কেইবাবছৰো বেমাৰত ভুগি ঘৈণীয়েকেও সংসাৰৰ পৰা মেলানি মাগে; সৰু জীয়েকজনীৰো অকস্মাৎ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বছৰ ১৯১০ খৃষ্টাব্দলৈ (প্ৰায় পোন্ধৰ বছৰ কাল) মাৰ্ক টোৱেইনে প্ৰায় এক নতুন ৰূপত দেখা দিয়ে—সংসাৰৰ দুখ-শোক আৰু তিতা অভিজ্ঞতাই তেওঁৰ মনো তিতা কৰি তোলে। তেওঁৰ শেষ বয়সৰ ৰচনা বিদ্ৰূপ আৰু বিতৃষ্ণাৰে সিক্ত, তাত আগবয়সৰ ব্যঙ্গ আৰু হাঁহি দুৰ্লভ। ১৯০৬ খৃষ্টাব্দত "হোৱাট ইজ মেন?" নামে পুস্তিকা এখন প্ৰকাশ কৰে। এইখনত তেওঁ মানুহক মৌলিকতা-বিহীন যন্ত্ৰ আৰু মানুহৰ সকলো কাৰ্য্যৰ মূলতে আছে স্বাৰ্থৰ প্ৰেৰণা—এই ব্যাখ্যা দিবলৈ যত্ন কৰিছে। তেওঁৰ মৃত্যুৰ পিচত

প্ৰকাশ পায় "ডি মিষ্টিৰিয়াচ ষ্ট্ৰেইঞ্জাৰ" নামে অলৌকিক কাহিনী থকা এক উপন্যাস। কিতাপখন সোৱাদ-লগা যদিও ইয়াতো নিৰাশাবাদী ভাব প্ৰকাশ পাইছে, ইয়াতো দেখুৱাইছে যে মানুহ দৈৱ আৰু অৱস্থাৰহে দাস।

সি যি কি নহওক, মাৰ্ক টোৱেইন প্ৰতিভাশালী হাস্যৰসিক, শিশু-মনৰ শক্তিশালা আৰু সহানুভূতিশীল ব্যাখ্যাকাৰী, স্বাভাৱিক কথ্যভাষাৰ ওপৰত ভেজা-লৈ ৰচিত গদ্যৰ অপূৰ্ব্ব স্ৰষ্টা। এওঁৰ বিশ্ববিখ্যাত উপন্যাস এখন অসমীয়ালৈ অনুবাদ কৰি অধ্যাপক আবুল লেইচে আমাৰ ভাষাৰ গৌৰৱ বঢ়াইছে। অসমীয়া অনুবাদতো মূল কিতাপৰ সোৱাদ যথেষ্ট ৰক্ষা পৰিছে। আশাকৰো অধ্যাপক লেইচে এইদৰে বিশ্ব-সাহিত্যৰ আন সমলো অসমীয়াভাষীৰ হাতত দি থাকিব।

গুৱাহাটী ৯।১।৬২

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

# টম ছয়াৰৰ কাণ্ড

( ১ )

"টম।"

উত্তৰ নাই।

"টম।"

কাৰো মাতবোল নাই।

"ক'তনো গ'ল এই লৰাটো।   এই টম।"

বুঢ়ী মানুহ গৰাকীয়ে চশমাজোৰ চকুৰ তললৈ নমাই আনিলে আৰু চশমাৰ ওপৰেদি কোঠালীটোৰ চাৰিওফালে চকু ফুৰাই চালে। তাৰ পিছত তেওঁ চশমাজোৰ চকুৰ ওপৰলৈ ঠেলি দি আকৌ কোঠাটোৰ চাৰিওফালে চালে। লৰা এটিৰ দৰে ক্ষুদ্ৰ জীৱ চাবলৈ তেওঁ খুব কমেইহে চশমা ব্যৱহাৰ কৰিছিল; কাৰণ চশমাজোৰ বুঢ়ী মানুহ গৰাকীৰ বৰ গৌৰৱৰ বস্তু আছিল।

"ইয়াৰ দৰে দুষ্ট লৰা আৰু নেদেখিলোঁ।"

বুঢ়ীয়ে এতিয়া খোলা দুৱাৰ খনৰ মুখলৈ গৈ থিয় দি বাহিৰৰ বাগিছাখনলৈ চাই পঠিয়ালে। টমৰ চিন-ছাৱ নাই। বুঢ়ীয়ে চিঞৰি-বলৈ ধৰিলে—"টম। এ···এ...ই ট···ম।"

বুঢ়ীৰ পাছফালে হঠাতে খুট্‌কৈ এটা শব্দ শুনা গ'ল। ততালিকে পাছফালে ঘূৰি তেওঁ পলাবলৈ ধৰা লৰাটোৰ কাপোৰত আজুৰি ধৰিলে।

"ইছ্, মই সৌ আলমাৰীটোৰ ভিতৰত চাবলৈ পাহৰিয়ে গৈছিলোঁ। তাত কি কৰিছিলি বাৰু?"

"একো কৰা নাই।"

"একো কৰা নাই? তোৰ হাত-মুখত চাচোন কি লাগি আছে।"

"মই একো নাজানো, মাহীদেউ।"

"কিন্তু মই জানো নহয়! তই চুৰকৈ আচাৰ খাবলৈ ধৰিছিলি। তোক মই হাজাৰ বাৰ কোৱা নাই নে যে আচাৰ চুৰকৈ খালে তোক মই সুদাই নেৰিম? দে এতিয়া হাতত যিখিনি আছে দে।"

লৰাটো ভীষণ বিপদত পৰিল।

"ইছ্, মাহীদেউ, তোমাৰ পাছফালে কি চোৱাচোন।"

বুঢ়ীয়ে ততালিকে পাছ ফালে ঘূৰি চালে আৰু লগে লগেই লৰাটোৱে বুঢ়ীৰ হাতৰ পৰা নিজৰ হাতখন এৰুৱাই দৌৰ দি একেজাপেই ঘৰৰ বাহিৰৰ বেৰখন পাৰ হৈ চকুৰ আঁতৰ হ'ল। মাহীয়েকে অলপ সময় তাৰ পিনে চাই থাকি হাঁহি দিলে।

"উঃ, এই লৰাটো! মোৰ নো বাৰু অকণো শিক্ষা হব নাপায় নে! সি জানো মোক ইয়াৰ আগতেও কম ঠগা নাই! বুঢ়া হলে যে বুদ্ধিহীন হয়, ঠিকেই কৈছে, নহলে মোৰনো এতিয়াও শিক্ষা নহয় নে? কিন্তু এই লৰাটোও কম জানো? এটা কৌশল সি দুবাৰ কেতিয়াও নলয়। আজি এটা কৌশল, কাইলৈ আকৌ নতুন এটা। সি ভালকৈ জানে যে মোৰ খং উঠিলে এবাৰ মোক হহুৱাব পাৰিলেই মোৰ খং সেই ভাজে নোহোৱা হয়, আৰু তেতিয়াহলে মই তাক শাস্তি দিবও নোৱাৰোঁ। কিন্তু লৰাটোৰ বাবে যিখিনি কৰিবলগীয়া সেইখিনি মই কৰিছোঁ জানো? ঈশ্বৰেহে জানে! লৰাক লাই দিয়াটো বেয়া, জানো। কিন্তু সি যে মোৰ নিজৰ বাইদেউৰ সন্তান। বাইদেউজনীতো সি সৰু থাকোঁতেই মৰি গ'ল। মইনো বাৰু তাক কোনটো সতেৰে মাৰোঁ! আজিও সি "হুকি" খেলিব মই জানো, আৰু ইয়াৰ বাবে শাস্তি স্বৰূপে কাইলৈ তাক কাম কৰিবলৈ দিব লাগিব। কিন্তু কাইলৈ যে শনিবাৰ। শনিবাৰটো বন্ধৰ দিন। শনিবাৰে সকলো লৰাই খেল-ধেমালি কৰিব, টমে তেনেহলে ক'ত কাম কৰিব। নহয়, সি কৰিব নুখুজিলেও জোৰকৈ কৰাব লাগিব। এইদৰে শাস্তি দি হলেও লৰাটোক পোনাব লাগিব। নহলে ময়ে সৰ্ব্বনাশৰ মূল হমগৈ।"

টমে সেইদিনা সঁচাকৈয়ে "হুকি" খেলিলে আৰু দিনটো তাৰ খুব

ভালদৰেই গ'ল। গধূলিৰ অলপ আগে আগে ঘৰলৈ আহি টমে সিইঁতৰ নিগ্ৰো চাকৰ লৰা জিমক খৰিবোৰ টুকুৰা-টুকুৰ কৰাত অলপ সহায় কৰিলে। জিমে কাম কৰি থাকোঁতেই সি সেই দিনাৰ সকলো ৰোমাঞ্চকৰ ঘটনাৰ কথা জিমক শুনালে। টমৰ সৰু ভায়েক ছিদে কিন্তু ইতিমধ্যেই তাৰ ভাগৰ কাম শেষ কৰি পেলাইছিল। কাৰণ, ছিদ্ আছিল শান্ত-শিষ্ট লৰা। তাৰ কোনো দুষ্টামিও নাছিল।

আবেলি চাহ খাবৰ সময়ত মাহীয়েকে তাক কিছুমান কৌশলপূৰ্ণ প্ৰশ্ন কৰিবলৈ ধৰিলে। মাহীয়েকে তাক প্ৰশ্ন সুধি ফান্দত পেলাই তাৰ দিনটোৰ দুষ্টামিৰ কথা উলিয়াবলৈ খুজিছিল। অইন বহুতো সৰল অন্তৰৰ মানুহৰ দৰে টমৰ মাহীয়েকেও নিজকে বৰ বুধিয়ক বুলি ভাবি গৰ্ব্ব অনুভৱ কৰিছিল। তেওঁ টমক সুধিলে—"টম, আজি স্কুলত বেছ গৰম আছিল, নহয় জানো?"

"ওঁ।"

"বেছ ভাল গৰমেই আছিল, নহয় জানো ?"

"ওঁ।"

"তোৰ জানো নৈত সাতুৰিবলৈ মন যোৱা নাছিল ?"

টমৰ জীৱ উৰি গ'ল ; অস্বস্তিকৰ সন্দেহেৰে তাৰ মনটো ভৰি উঠিল। সি মাহীয়েকৰ মুখৰ পিনে চালে, কিন্তু মাহীয়েকৰ মুখৰ পৰা তেওঁৰ মনৰ ভাৱ একোকে বুজিব নোৱাৰিলে। গতিকে সি ক'লে—"নাই, বিশেষ মন যোৱা নাছিল।"

মাহীয়েকে এতিয়া হাত বঢ়াই টমৰ কামিজটো ভিজা নে শুকান পৰীক্ষা কৰি চাই ক'লে—"কিন্তু এতিয়াতো তোৰ গৰম লাগি থকা নাই ?" তেওঁ এইকথা ভাবি নিজেই গৰ্ব্ব অনুভৱ কৰিলে যে তেওঁ টমৰ কামিজটো পৰীক্ষা কৰি চালে, অথচ কোনেও তেওঁৰ আচল উদ্দেশ্যটো ধৰিবই নোৱাৰিলে। যিয়েই নহওক, টমে কিন্তু এতিয়া ঠিক বুজি পালে মাহীয়েকে ক'ত জাল পাতিছে। গতিকে মাহীয়েকে ইয়াৰ পিছত কি কৰিব জানি সি আগতেই ক'লে—"আমি কেইজন মানে আজি

পানী ছুটিয়াছুটি খেলিছিলোঁ। মোৰ মূৰটো এতিয়াও ভিজি আছে, চোৱাচোন।” আগতেই তাৰ মূৰটো ভিজা নে শুকান পৰীক্ষা কৰি নাচাই, সি যে আজিও নৈত সাঁতুৰিছিল সেই কথাটো তাক স্বীকাৰ কৰোৱাৰ সুযোগ হেৰুৱাৰ বাবে টমৰ মাহীয়েকৰ নিজৰ ওপৰতে খং উঠিল। কিন্তু তেতিয়াই তেওঁৰ অইন এটা কথা মনত পৰিল আৰু টমক ধৰা পেলাবলৈ নতুন উৎসাহেৰে সুধিলে—“টম, তই আজি পানী ছুটিয়া-ছুটি খেলিছিলি? তাৰ বাবেতো তই কামিজৰ কলাৰটো খুলিব নালাগে, নহয় জানো? বাৰু এতিয়া তোৰ কোটটো খোলচোন, কামিজৰ কলাৰটো ঠিক আছে নে নাই চাওঁ।”

টমৰ সকলো ভয় এতিয়া নোহোৱা হ'ল। সি কোটটো খুলিলে। মাহীয়েকে দেখিলে যে তাৰ কামিজৰ কলাৰটো ঠিকেই আছে।

“বাৰু, যা এতিয়া। মই ভালকৈ জানো তই আজিও ‘হুকি’ খেলিছিলি আৰু নৈত সাঁতুৰিছিলি। কিন্তু তোক মই ক্ষমা কৰিলোঁ। তই যে ভিজা মেকুৰী মই জানো।”

ইমান কৌশলপূৰ্ণ প্ৰশ্নবোৰ কৰিও তাক ধৰা পেলাব নোৱাৰাৰ বাবে মাহীয়েকৰ অলপ দুখ লাগিল। কিন্তু তেওঁ এইটো ভাবিও সান্ত্বনা লভিলে যে হয়তো টমে আজি সঁচাকৈয়ে তেওঁক ঠগা নাই।

কিন্তু তেনেতে ছিদে কৈ উঠিল—“মাহীদেউ, তুমি কলাৰটো এইবাৰ বগা সূতাৰেহে চিলাইছিলা? কিন্তু তাৰ কলাৰটো দেখোন ক'লা সূতাৰে চিলোৱা?”

“ইছ হয়তো! মই বগা সূতাৰেহে চিলাইছিলোঁ। টম্!”

কিন্তু টমক আৰু পায় ক'ত? টম পলাল। পলোৱাৰ লগেলগে সি কৈ গ'ল—“বাৰু, বোপা ছিদ্, ইয়াৰ বাবে মই তোমাক মজা দিম।”

বিপদমুক্ত ঠাইলৈ গৈ টমে কোটৰ কলাৰৰ পাছফালে খুচি থোৱা দুটা বেজী পৰীক্ষা কৰি চালে—এটা বেজীত আছিল বগা সূতা ভৰোৱা, আনটোত ক'লা। সি মনে মনে কবলৈ ধৰিলে—“ছিদে কৈ নিদিয়া হলে মাহীদেৱে ক'ত ধৰিব পাৰিলেহেঁতেন। আৰু বুঢ়ীৰো যে

কাম—কেতিয়াবা সিব বগা সূতাৰে, কেতিয়াবা আকৌ কলা সূতাৰে। কাৰনো বাৰু ইমান মনত থাকে ? কিয়, মাইীদেৱে জানো অকল এক ৰঙৰ সূতাৰে চিলাব নোৱাৰে ? কিন্তু মই হলে শপত খাই কৈছোঁ, ইয়াৰ বাবে ছিদক মই শিক্ষা দিহে এৰিম। ওঁ দিমেই, নহলে মোৰ নামেৰে কুকুৰ পুহিবি।"

অলপ সময়ৰ ভিতৰতে কিন্তু টমে সকলো দুখ পাহৰি পেলালে। ইয়াৰ প্ৰধান কাৰণ হ'ল—অলপতে নিগ্ৰো এজনৰ পৰা সি এবিধ নতুন স্থহুৰি শিকিছে। এতিয়া সকলো পাহৰি সি স্থহুৰি মৰা অভ্যাস কৰিবলৈ ধৰিলে। স্থহুৰিটো আছিল এটা চৰাইৰ মাতৰ দৰে। অলপ সময়ৰ ভিতৰতে স্থহুৰিটো ভালকৈ আয়ত্ব কৰি, স্থহুৰি মাৰি মাৰি টম বাটে বাটে গৈ থাকিল।

তেতিয়া জহকালি। দিনবোৰ দীঘল। তেতিয়াও গধূলি হোৱা নাছিল। হঠাতে টমে তাৰ স্থহুৰি মৰা বন্ধ কৰিলে। তাৰ সন্মুখত এজন অচিনাকি লৰা ঠিয় দি আছিল—লৰাজন তাতকৈ মাথোন অলপহে ডাঙৰ। চেণ্ট্ পিটাৰ্স বাৰ্গ নামৰ সৰু গাওঁখনত যিকোনো অচিনাকি মানুহেই কৌতূহলৰ সৃষ্টি কৰিছিল। এই লৰাজন আছিল ভাল সাজ-পাৰ পিন্ধা। দেওবাৰৰ বাহিৰে অইন দিনা ভাল কাপোৰ পিন্ধাৰ কথা টমে ভাবিবই নোৱাৰিলে। বৰ আচৰিত কথা! এতিয়ালৈ লৰা দুজনৰ কোনেও কাকো একো কোৱা নাছিল ; দুয়ো মাথোন মুখামুখিকৈ ঠিয় দি চকুৰে চকুৰে চাই থাকিল। অৱশেষত টমে ক'লে—"মই তোক ভাল এক পিটন দিব পাৰোঁ।"

"দেচোন বাৰু পাৰ যদি।"

"পাৰিমতো।"

"নোৱাৰ।"

অলপ সময়ৰ বাবে অস্বস্তিকৰ নীৰৱতা। তাৰ পাছত টমে ক'লে—
"তোৰ নাম কি ?"

"তোৰ কি প্ৰয়োজন ?"

"প্ৰয়োজন আছেনে নাই গম পাবি ৰ।"

"বাৰু, গম পোৱাচোন, চাওঁ।"

"আৰু বেছি কৰ যদি গম পাই যাবি নহয়।"

"কি আৰু বেছি?...কমতো...আৰু বেছি নকম কিয়? ক'লোঁ। দেখোন? কি কৰ কৰচোন চাওঁ।"

"ইঃ নিজকে মস্ত বীৰ বুলি ভাবিছ নহয়? তোক মই এখন হাতেৰেই ঠিক কৰি দিব পাৰোঁ, বুজিছ?"

"কৰচোন চাওঁ? নকৰ কিয়?"

"আৰু বেছি পেক পেক কৰিলেই ঠিক কৰি দিম।"

"থ থ, বহুত দেখিছোঁ তোৰ নিচিনা।"

আকৌ অলপ সময় দুয়ো নিমাত। দুয়ো দুয়োৰো চকুলৈ চাই থাকে। অলপ পিছত টমে ক'লে—"যা, ইয়াৰ পৰা। পলা।"

"তয়ে নাযাৱ কিয়?"

"মই নাযাওঁ।"

"ময়ো নাযাওঁ।"

দুয়ো আকৌ অলপ সময় চকুৰে চকুৰে চাই ঠিয় দি থকাৰ পিছত টমে ক'লে—

"তই এক নম্বৰ ভয়াতুৰ। মই মোৰ দাদাক তোৰ কথা কৈ নিদিওঁ যদি চাবি। দাদাই তোক তেওঁৰ কেঞা আঙুলিটোৰেই ঠাণ্ডা কৰি দিব পাৰিব। মই কমেই নহয় দাদাক।"

"তোৰ দাদাৰলৈ কোনে ভয় কৰিছে। মোৰ দাদা মস্ত ডাঙৰ পালোৱান। দাদাই তোৰ দাদাৰক সৌ বেৰ খনৰ ওপৰেদি দলিয়াই দিব পাৰিব।"

আচলতে কিন্তু দুয়োজন দাদাকেই আছিল মনেগঢ়া।

"যা যা, মিছা কথা।"

"কি মিছা কথা? তই কলেই মিছা হব নেকি?"

টমে এতিয়া তাৰ ভৰিৰ তলুৱাৰে মাটিত এডাল আঁক টানি

ক'লে—"এই আঁকডালৰ ইফালে ভৰি দি চাচোন। আঁক পাৰ হলেই এনে পিটন দিম যে উঠি বহিব নোৱাৰিবি। আহ, কোন আহ চাওঁ।"

নতুন লৰাজনে ততালিকে আঁকডাল পাৰ হৈ ক'লে—"ক'তা, পাৰ হলোঁচোন ? কৰচোন কি কৰ।"

"এই, খং তুলি নলবি দেই, ভাল নহব।"

"কৰচোন কি কৰ।"

মুহূৰ্ত্তৰ ভিতৰতে দুয়োৰে মাটিত বগৰা-বাগৰি লাগিল। দুয়ো দুয়োৰো চুলি আৰু কাপোৰ আজুৰিবলৈ ধৰিলে। ইটোৱে সিটোৰ নাকে-মুখে খামুছিলে। অৱশেষত ধূলিৰ মাজেৰে দেখা গ'ল টমক—ইজন লৰাৰ বুকুৰ ওপৰত বহি তাক ভুকুৱাবলৈ ধৰিছে।

"কেনে মজা! কেনে মজা!"—লৰাজনক ভুকুৱাই টমে কবলৈ ধৰিলে।

শেষত টমে লৰাজনক এৰি দি ক'লে—"এক শিক্ষা পাইছ। ইয়াৰ পিছত কাজিয়া কৰিবৰ হলে চাই লবি কাৰ লগত কাজিয়া কৰিছ।"

নতুন লৰাজনে ঠিয় দি তাৰ কাপোৰৰ ধূলিবোৰ জোকাৰিবলৈ ধৰিলে। ঘৰলৈ যাবলৈ বুলি পাছমুৱা হওঁতেই টমৰ গালৈ লৰাজনে শিল এটা তুলি লৈ মাৰি পঠিয়াই লৰ দিলে। টমে সেই বিশ্বাস-ঘাটকৰ পাছে পাছে খেদি গৈ তাৰ ঘৰৰ দুৱাৰ- মুখ পালে গৈ। সি অলপ সময় তাত ঠিয় দি থাকি শত্ৰুক ওলাই আহিবলৈ আহ্বান জনালে। কিন্তু শত্ৰুৱে বাহিৰলৈ ওলাই নাহি খিৰিকিৰ পৰাই টমক মুখ ভেঙুচাবলৈ ধৰিলে। শেষত লৰাজনৰ মাকে দেখা দি টমক বৰ বেয়া, দুষ্ট আৰু অধঃপাতে যোৱা লৰা বুলি গালি পাৰিবলৈ ধৰিলে। টম তাৰ পৰা আঁতৰি আহিল।

সেইদিনা সি যথেষ্ট ৰাতিকৈ ঘৰ পালেগৈ। অতি সাৱধানতাৰে খিৰিকিৰে ঘৰৰ ভিতৰলৈ সোমাবৰ চেষ্টা কৰি থাকোঁতেই ওচৰতে

লুকাই থকা মাহীয়েকে তাক ধৰা পেলালে। তাৰ কাপোৰ-কানিৰ অৱস্থা দেখি মাহীয়েকে তাক শনিবাৰে বন্ধৰ দিনা দিব খোজা শাস্তিৰ বিষয়ে দৃঢ়সংকল্প কৰিলে।

---

## ( ২ )

শনিবাৰৰ ৰাতিপুৱা আহিল। জহকালিৰ উজ্জ্বল আৰু সুন্দৰ পৃথিৱীখন। চাৰিওফালে প্ৰাণৰ স্পন্দন।

টমহঁতৰ ঘৰৰ ওচৰৰ আলিবাটটোত টমক দেখা গ'ল—হাতত এবাল্‌টি বেৰত লগোৱা চূণ আৰু এপাট দীঘল ব্ৰাছ। সি এবাৰ ঘৰৰ সীমাত থকা বেৰখন চকু ফুৰাই চালে আৰু লগে লগে পৃথিৱীৰ সকলো আনন্দ তাৰ বাবে নোহোৱা হৈ গ'ল। এটি গভীৰ শোকে টমৰ অন্তৰ আৱৰি পেলালে। ত্ৰিশ ফুট দীঘল আৰু ন ফুট ওখ এখন বেৰ! জীৱনৰ প্ৰতি তাৰ বিতৃষ্ণা উপজিল; বাচি থকাটো তাৰ এটা দুৰ্ব্বহ বোজা যেন লাগিল। দীঘল এটি হুমুনিয়াহ কাঢ়ি টমে বুৰুজপাট চূণত ডুবালে আৰু বেৰখনৰ একেবাৰে ওপৰৰ শাৰীৰ তক্তাত চূণ দিবলৈ আৰম্ভ কৰিলে। অলপ পিছতেই সি চূণ দিয়া অংশখিনিৰ লগত বেৰখনৰ চূণ নিদিয়া মহাদেশ-প্ৰমাণ বিৰাট অংশখিনি ৰিজাই চালে। সি হতাশ হ'ল আৰু ওচৰতে থকা এটা বাকচৰ ওপৰত বহি পৰিল। জিম নামৰ সিহঁতৰ নিগ্ৰো চাকৰ লৰাটো হাতত এটা বাল্‌টি লৈ গান গাই গাই ঘৰৰ বাহিৰলৈ আহিল। আলিবাটৰ পানী কলৰ পৰা পানী অনাটো টমৰ মনত সদায় কষ্টকৰ যেন লাগিছিল। আজি কিন্তু মুঠেই তাৰ তেনে যেন নালাগিল। তাৰোপৰি টমৰ মনত পৰিল যে পানীকলত তাৰ অইন বহুতো সঙ্গী আছে—পানী লবলৈ বৈ থকা বগাছালৰ আৰু নিগ্ৰো লৰাছোৱালীৰ দল। টমৰ আৰু মনত পৰিল যে পানীকলটো যদিও মাত্ৰ এশ পঞ্চাছ গজমান আঁতৰত, তথাপি জিমে

কেতিয়াও পানী এবাল্‌টি আনিবলৈ গৈ এঘণ্টাৰ কমে ঘূৰি নাহে। টমে জিমক ক'লে—

"চা জিম, তই যদি এই বেৰখনত চূণ দিয়, তোৰ হৈ মই পানী আনি দিম।"

জিমে মূৰ জোকাৰি ক'লে—"নাই, টম, নোৱাৰিম। আয়ে মোক ক'তো আড্ডা নমৰাকৈ পানীখিনি আনি দিবলৈ কৈছে। আৰু আয়ে মোক আগতেই কৈছে নহয়—"টমে তোক চূণ দিবলৈ কব পাৰে। তই সেইবোৰ কথাত কাণ নিদি নিজৰ কামলৈ যাবি।" আয়ে কৈছে যে তেওঁ হেনো নিজেই তোমাৰ চূণ দিয়া কাম চাব আহি।"

"মাহীদেৰে কি কৈছে সেইবোৰ বাদ দে। তেওঁতো সদায় তেনেকৈ কয়েই। দে, বাল্‌টিটো মোক দে; মই এক মিনিটৰ ভিতৰতে উভতি আহিম নহয়। মাহীয়ে একো গমকেই নাপাব।"

"নাই টম, মোৰ ভয় লাগে। আয়ে গম পালে মোৰ পিঠিৰ ছাল ছিঙিব।"

"ধুৎ, মাহীদেৰে? মাহীদেৰে কাক কোনদিনা মাৰে অ'? কেতিয়াবা মাৰিলেও লাহেকৈ মূৰত দুটা এটা থাপৰ মাৰে। সেই খিনিয়েইহে। তালৈনো বাৰু কোনে ভয় কৰে মোক কচোন! মাহীদেৰে কয় বহুত—হেন কৰিম, তেন কৰিম—কিন্তু কথাৰে কি হব?...... জিম্‌, তোক বাৰু মই এটা মাৰ্ব্বল দিম দে—ডাঙৰ বগা মাৰ্ব্বল এটা।"

জিমৰ দুৰ্ব্বলতা আহি পৰিল।

"ডাঙৰ বগা মাৰ্ব্বল, জিম। বঢ়িয়া মাৰ্ব্বল কিন্তু।"

"ওঁ বঢ়িয়া বস্তু নিশ্চয়। কিন্তু টম্‌, আইলৈ যে মোৰ বৰ ভয় লাগে।"

"আৰু তাৰোপৰি, তই যদি চাব খোজ তেন্তে তোক মোৰ ফটা ভৰিৰ তলুৱাখনো দেখুৱাব পাৰোঁ।

জিমৰো তেজ-মঙহৰহে শৰীৰ—তাৰ প্ৰলোভন দুৰ্ব্বাৰ হৈ পৰিল। বাল্‌টিটো মাটিত থৈ সি মাৰ্ব্বলটো হাতত ললে; কিন্তু পিছ মুহূৰ্ত্ততে

জিমে বাল্‌টিটো আকৌ হাতত লৈ পানীকলৰ পিনে দৌৰিবলৈ আৰম্ভ কৰিলে। টমে বৰ উৎসাহ দেখুৱাই চূণ দি যাব ধৰিলে আৰু টমৰ মাহীয়েকে হাতত চেণ্ডেলজোৰ আৰু চকুত বিজয়-গৌৰব লৈ বাগিছাখনৰ পৰা ঘৰৰ ভিতৰ সোমাল।

কিন্তু টমৰ উৎসাহ বেছি পৰ নিটিকিল। সি আজি দিনটোৰ বাবে আগতে ঠিক কৰি থোৱা স্ফূৰ্ত্তিবোৰৰ কথা ভাবিবলৈ ধৰিলে; তাৰ দুখ বাঢ়ি গ'ল। অলপ পিছতেই তাৰ লগৰ অইন লৰাবোৰে খেলিবৰ বাবে ধুনীয়া ধুনীয়া আচনিলৈ লৰি আহিব আৰু সিহঁতে আহি তাক কাম কৰি থকা দেখিলে কি ঠাট্টাখনেই যে নকৰিব—এইবোৰ চিন্তাত টমৰ কাণ-মূৰ ৰঙা পৰি উঠিল। টমে তাৰ 'সম্পত্তিখিনি' জেপৰ পৰা উলিয়ালে—ভঙা খেলনাৰ টুকুৰা, মাৰ্ব্বল আৰু কোনো কামতেই নলগা অইন কিছুমান ভগাছিগা বস্তু। এই বোৰৰ বিনিময়ত হয়তো আধা ঘণ্টা মানৰ কাৰণে কাম কৰিবলৈ কোনোবা লৰা পোৱা যাব পাৰে, কিন্তু তাতকৈ বেছি সময়ৰ বাবে নহয়। হতাশ হৈ টমে সম্পত্তিখিনি আকৌ জেপত সুমুৱালে আৰু সেইবোৰৰ বিনিময়ত অইন লৰাক খটুৱাই বেৰত চূণ দিয়াৰ আশাও ত্যাগ কৰিলে। ঠিক এনেতে, এনেকুৱা এটি আশাহীন মুহূৰ্ত্ততে, টমে হঠাতে এটি উজ্জ্বল আশাৰ পোহৰ দেখিলে, বিৰাট সম্ভাৱনাময় উজ্জ্বল আশা।

টমে তাৰ ব্ৰাছপাট হাতত লৈ শান্তভাৱে কাম কৰি থাকিল। অলপ পিছতে দেখা গ'ল বেন্ ৰ'জাৰ্ছ আহিবলৈ ধৰিছে—সেই বেন্ ৰ'জাৰ্ছ, যাৰ ঠাট্টালৈ টমে আটাইতকৈ বেছি ভয় কৰিছিল। এটা আপেল খাই খাই বেনে জপিয়াই জপিয়াই আহি আছিল। মাজে মাজে সি এটি সুমধুৰ দীঘল চিঞৰ দিছিল আৰু চিঞৰ মৰাৰ পিছতেই গভীৰভাৱে মুখেৰে "ডিং ডং ডিং ডং" শব্দ কৰছিল, কাৰণ বেনে এখন চলন্ত জাহাজৰ নকল কৰি আছিল। টমৰ ওচৰ পাই বেনে তাৰ গতিবেগ কমালে আৰু গম্ভীৰভাৱে মুৰটো অলপ বেঁকা কৰি এটা পাক মাৰিলে। বেনে "বিগ্ মিছৌৰি" নামৰ জাহাজখনৰ নকল কৰি

আছিল আৰু সেইবাবে নিজকে নফুট পানীৰ ওপৰেদি চলি থকা বুলি ভাবি লৈছিল। সি নিজেই আছিল জাহাজ, জাহাজৰ কেপ্টেইন্ আৰু সেই একেসময়তে জাহাজৰ ইঞ্জিন ৰুমৰ ঘণ্টাবোৰো। বেনে এতিয়া জাহাজ ঘাটত লগাওঁতে জাহাজৰ কেপ্তেইনে যিবোৰ আদেশ দিয়ে আৰু অইন খালাছীবোৰে যি যি কয় সকলোবোৰ নিজে নিজেই কবলৈ ধৰি শূন্যতে হাতেৰে বৃত্ত আঁকি জাহাজৰ "ষ্টিয়াৰিং হুইল" ঘূৰাবলৈ ধৰিলে।

টমে চূণ দি থাকিল আৰু এই "জাহাজখনলৈ" মুঠেই কাণ নিদিলে। বেনে অলপ পৰ ৰ লাগি চাই থাকি ক'লে—"এই, তই এটা গছৰ মূৰা নেকি ?"

উত্তৰ নাই। টমে তাৰ শেষ চূণৰ লেপটো শিল্পী এজনে চোৱাৰ চকুৰে চালে। ইয়াৰ পিছত ব্ৰাছপাটেৰে আৰু এটি মৃদু লেপ দি আকৌ আগৰ দৰে চাবলৈ ধৰিলে। বেন টমৰ কাষ চাপি গ'ল। বেনে খাই থকা আপেলটোৰ বাবে টমৰ জিভাৰ পানী পৰিবলৈ ধৰিলে, কিন্তু সি চূণ দিয়েই থাকিল। অৱশেষত বেনে ক'লে—

"কি ভাই, কি খবৰ ? তই আজিও কাম কৰিব লগা হৈছে, হোঁ ?"

"অ', বেন নেকি ? মই লক্ষ্যই কৰা নাছিলোঁ।"

"মই নৈত সাঁতুৰিবলৈ যাওঁ ভাই। তোৰ জানো সাঁতুৰিবলৈ মন যোৱা নাই ? অৱশ্যে তোৰ কাম আছে, তই যাবিয়েই বা কেনেকৈ ?"

টমে অলপ পৰ বেনৰ ফালে চাই থাকি ক'লে—

"তই কিহক কাম বুলি কৈছ বাৰু ?"

"কিয়, তই কৰি থকাটো কাম নহয় জানো ?"

টমে তাৰ চূণ দিয়া কাৰ্য্য পুনৰ আৰম্ভ কৰি নিৰ্ব্বিকাৰভাৱে উত্তৰ দিলে—

"কাম হবও পাৰে, নহবও পাৰে। মাথোন মই ইয়াকে জানোঁ যে এইটো টম ছয়াৰৰ ভাল লাগিছে।"

"এঃ বাদদে সেইবোৰ। তই জানো এই বুলি কব পাৰিবি যে এই বেৰত চূণ দিয়া কামটো তোৰ ভাল লাগিছে ?"

টমৰ ব্ৰাছ চলিয়েই থাকিল।

"ভাল লাগে ? মই বুজি নাপাওঁ কিয় ভাল নালাগিব। কেইটা লৰাই বাৰু সদায় বেৰত চূণ দিয়াৰ সুযোগ পায় ?"

এই কথাটোৱে চূণ দিয়া কাৰ্য্যটোক এটি নতুন ৰূপ দিলে। বেনে তাৰ আপেল খোৱা বন্ধ কৰিলে। টমে তাৰ ব্ৰাছ বেছ উৎসাহেৰে চলাই থাকিল, মাজে মাজে একোবাৰ পাছুৱাই আহি তাৰ চূণ দিয়াটো কেনে হৈছে পৰীক্ষা কৰি চালে; অ'ত এক ত'ত এক লেপ পুনৰ দিলে। চূণ দিয়া কেনে হৈছে সেই বিষয়ে নিজকে নিজে সমালোচনা কৰিলে। বেনে এই সকলোবোৰ একাগ্ৰমনে চাই আছিল আৰু ক্ৰমে সিও বৰ আগ্ৰহান্বিত হৈ উঠিল। অৱশেষত বেনে ক'লে—"এই টম্! মোকো অলপ চূণ দিবলৈ দেনা।"

টমে বেনৰ প্ৰস্তাৱটোৰ বিষয়ে অলপ ভাৱি প্ৰায় সন্মতি দিবলৈকে ওলাল। কিন্তু পিছত মন সলনি কৰিলে আৰু ক'লে—

"নাই ভাই বেন্, নোৱাৰিম। চা, মাহীদেউ এই আগফালৰ বেৰখনৰ প্ৰতি বৰ সতৰ্ক। আলিৰ দাঁতিতে লাগি থকা এই বেৰখন—সকলোৱে দেখে; বুজিছই তো। অৱশ্যে আমাৰ পাছফালৰ বেৰখন হলে কথা নাছিল। সেইখনত তই চূণ দিয়াত মই আপত্তি নকৰি-লোঁহেতেন আৰু মাহীদেৱেও নকৰে। কিন্তু এই আগফালৰ বেৰ খনৰ প্ৰতি মাহীদেউৰ বৰ মৰম। এই বেৰখনত বৰ সাৱধানে চূণ দিব লাগে। মোৰ বোধেৰে হাজাৰ লৰাৰ ভিতৰতো—হাজাৰ কিয়, হয় তো দুহাজাৰৰ ভিতৰতো—এজন লৰা নোলাব যিয়ে এই বেৰখনত ঠিকমতে চূণ দিব পাৰে।"

"বাৰু, এৰ সেইবোৰ; মোক ভাই এবাৰ চেষ্টা কৰি চাবলৈতো দে। মই হোৱা হলে তোক কিন্তু নিশ্চয় দিলোঁহেঁতেন, টম্।"

"বেন, শপত খাই কৈছোঁ। ভাই, দিব পৰা হলে মই তোক নিশ্চয়

দিলোঁহেতেন। কিন্তু মাহীয়ে যে নিদিয়ে। ছিদে চূণ দিব খুজিছিল, মাহীদেৱে নিদিলে। এতিয়া জানো তই বুঝি পোৱা নাই, কেনেকুৱা বিপদত পৰিছো। তোক বাৰু মই চূণ দিবলৈ দিলোঁৱেই, কিন্তু পাছত যদি বেয়া হয়,—”

“এৰ ভাই সেইবোৰ। মই খুব সাৱধান হৈ চূণ দিম নহয়। দে ভাই, এবাৰ চেষ্টা কৰি চাওঁ। বাৰু, চূণ দিবলৈ দিলে মই তোক এই আপেলটোৰ মাজৰখিনি দিম দে।”

“বাৰু ল।...নাই, নোৱাৰিম, বেন। মোৰ ভয় লাগে কিজানি—”

“মই বাৰু তোক গোটেই আপেলটোৱেই দিম দে।”

উৎফুল্ল অন্তৰেৰে কিন্তু মুখত অনিচ্ছা দেখুৱাই টমে বেনক ব্ৰাছপাট দিলে; আৰু যেতিয়া অলপ আগৰ “বিগ্ মিছৌৰী” নামৰ জাহাজখনে ৰ'দত ঘামি-জামি চূণ দিবলৈ ধৰিলে তেতিয়া অৱসৰ প্ৰাপ্ত শিল্পীজনে ওচৰৰে ছাঁত পিপা এটাৰ ওপৰত বহি ভৰি জোকাৰি জোকাৰি আপেল খাবলৈ ধৰিলে অংৰু নতুন কোন কোন অজলা লৰাক ঠগিব পাৰি তাকেই ভাবিবলৈ আৰম্ভ কৰিলে। নতুন লৰাৰ অভাৱো নহ'ল। অলপ সময়ৰ অন্তৰে অন্তৰে লৰাবোৰ আহিবলৈ ধৰিলে। সিহঁত আহিছিল টমক ঠাট্টা কৰিবলৈ, কিন্তু বৈ গ'ল চূণ দিবলৈ। বেন্ ভাগৰি পৰাত টমে চূণ দিয়াৰ সুযোগটো দিলে বিলি ফিছাৰক—বেছ ভাল অৱস্থাতে থকা এখন চিলাৰ বিনিময়ত। তাৰো ভাগৰ লাগিলত, চূণ দিয়াৰ সুযোগ ললে জনি মিলাৰে; ইয়াৰ বাবে সি টমক দিলে এটা মৰা এন্দুৰ—এন্দুৰটো শূন্যত ঘূৰাবলৈ নেজত এডাল সূতা বন্ধা। এইদৰেই ঘণ্টাৰ পাছত ঘণ্টালৈ চূণ দিয়া পৰ্ব্ব চলি থাকিলে আৰু আবেলি হ'লত দেখা গ'ল যে একোকে নেহোৱা দুখীয়া লৰা এটিৰ পৰা টম হৈছেগৈ 'ঐশ্বৰ্য্যৰে' ভৰা এজন বিৰাট ধনী মানুহ। ওপৰত উল্লেখ কৰা বস্তুবোৰৰ বাহিৰেও টমে পালে বাৰটা মাৰ্ব্বল, ভঙা টোকাৰী এটাৰ এটুকুৰা, মাজেৰে চালে নীলা দেখা এটুকুৰা নীলা আইনা, পৃথিৱীৰ কোনো তলাকেই খুলিব নোৱাৰা এটা ছাবি, এটুকুৰা খড়িমাটি, টিনৰ

এটা চিপাহী, দুটামান বেঙ, পোৱালী, ছটামান ফটকা, মাত্র এটা চকু থকা মেকুৰী পোৱালী এটি, কুকুৰৰ ডিঙিত লগোৱা ফিটা এডাল ( কুকুৰ কিন্তু নাই ), কমলাৰ বাকলি চাৰি টুকুৰা আৰু খিৰিকিৰ ভগা আইনা এখন। ইয়াৰ উপৰিও গোটেই দিনটোৰ বাবে টমে পালে অফুৰন্ত অৱসৰ আৰু অপৰ্য্যাপ্ত আনন্দ। পালে বহুতো সঙ্গী। বেৰখনে পালে তিনিলেপ চূণ। সেই দিনাখন চূণ শেষ হৈ নোযোৱা হলে টমে গাঁৱৰ আটাইবোৰ লৰাকে দেউলীয়া কৰিহে এৰিলেহেঁতেন।

টমে নিজকে নিজে ক'লে, আচলতে পৃথিৱীখন সিমান নীৰস নহয়। সি এতিয়া এটা কথা আবিষ্কাৰ কৰিলে যে মানুহক কিবা পাবলৈ ইচ্ছুক কৰাবলৈ হ'লে সেইটো পোৱাটো যিমান পাৰে কষ্টকৰ কৰি তুলিব লাগে।

---

( ৩ )

টম গৈ মাহীয়েকৰ আগত ওলাল গৈ। শান্ত সেই জহকালিৰ আবেলিয়ে মাহীয়েকৰ চকুলৈ আনি দিছিল টোপনি। তেওঁ চিলাই কৰা এৰি চকীতে বহি বহি টোপনিয়াই আছিল। মাহীয়েকে ভাবিছিল যে টমে হয়তো কেতিয়াবাই তাৰ চূণ দিয়া কাম এৰি পলাইছে। গতিকে এতিয়া টম্ নিজে নিজে তেওঁৰ ওচৰত আহি উপস্থিত হোৱা বাবে তেওঁ যথেষ্ট আচৰিত হ'ল। টমে ক'লে—

"মাহীদেউ, মই জানো এতিয়া খেলিবলৈ যাব নোৱাৰিম ?"

"কি ? এতিয়াই খেলিবলৈ যাবনে ? কিমান চূণ দিলি বাৰু ?"

"চূণ দিয়া শেষ হৈ গৈছে।"

"টম, মিছা নামাতিবি। মিছাকোৱা মই একেবাৰে সহিব নোৱাৰোঁ।"

"মিছা কোৱা নাই। চূণ দিয়া একদম শেষ হৈ গৈছে।"

মাহীয়েক টমৰ কথাত মুঠেই পতিয়ন নগ'ল। তেওঁ নিজেই চাবলৈ

বাহিৰলৈ ওলাই গ'ল। টমে কোৱা কথাৰ এশভাগৰ কুৰিভাগ সঁচা হলেও মাহীয়েক সন্তুষ্ট হ'লহেঁতেন। কিন্তু যেতিয়া তেওঁ দেখিলে যে সঁচাকৈয়ে গোটেই বেৰখন চূণ দিয়া হৈছে, আৰু অকল সাধাৰণভাবে চূণ দিয়াই হোৱা নাই, কেইবাটাও লেপ দিয়া হৈছে আৰু আনকি মাটিতো চূণেৰে আঁক এডাল দিছে, তেতিয়া বুঢ়ীৰ বিস্ময়ৰ সীমা নোহোৱা হ'ল। তেওঁ ক'লে—

"এঃ, মই এনে বুলি ভবাই নাছিলোঁ। মই স্বীকাৰ কৰিবই লাগিব যে তই ইচ্ছা কৰিলে বহুত কাম কৰিব পাৰ।" এই বুলি কৈয়েই তেওঁ এইমাত্র কৰা প্ৰশংসা পাতল কৰিবলৈ ক'লে—"অৱশ্যে এটা কথা, কাম কৰিবলৈ তোৰ খুব কমেইহে ইচ্ছা যায়। বাৰু যা, এতিয়া খেলগৈ। কিন্তু মনত ৰাখিবি সোনকালে উভতি আহিব লাগিব। নহলে পিঠিৰ ছাল ছিঙিম।"

মাহীয়েকে টমৰ কাম দেখি ইমান সন্তুষ্ট হৈছিল যে তেওঁ টমক ভিতৰলৈ মাতি নি আটাইতকৈ ভাল আপেল এটা খাবলৈ দিলে।

ইয়াৰ পিছত টম্ ফুৰিবলৈ যাবলৈ ওলাল। এনেতে সি দেখা পালে যে ছিদ আহিবলৈ ধৰিছে। ওচৰতে কিছুমান মাটিৰ চপৰা পৰি আছিল।...অলপ পিছতেই ছিদৰ ওচৰে পাজৰে মাটিৰ চপৰা উৰিবলৈ ধৰিলে আৰু কেইটামান তাৰ গাত আহি পৰিল। দূৰৰ পৰা চাই থকা মাহীয়েক আহি পোৱাৰ আগতেই টমে একে জাপে ঘৰৰ সীমাত থকা বেৰখন পাৰ হৈ অদৃশ্য হ'ল। বেৰখনত ওলোৱা সোমোৱা কৰা দুৱাৰ এখন অৱশ্যে আছিল। কিন্তু টম্ সদায় ইমান ব্যস্ত আৰু তাৰ হাতত সাধাৰণতে সময় ইমান কম যে সি এই দুৱাৰখন বৰকৈ ব্যৱহাৰ নকৰিছিল। সেই ক'লা সূতাৰ কথা কৈ দি তাক বিপদত পেলোৱাৰ বাবে ছিদক শাস্তি দিবলৈ পাই টমৰ এতিয়া বেছ ভাল লাগিল।

টমে এতিয়া সিহঁতৰ গাৱঁৰ মাজত থকা খেলপথাৰ খনৰ ফালে যাবলৈ ধৰিলে। এই খেল পথাৰখনতেই আগতে ঠিক কৰি থোৱা দুটা যুঁজাৰু সৈন্যদলে যুদ্ধ কৰিব। ইয়াৰে এটা দ'লৰ সেনাপতি হ'ল

টম আৰ বিপৰীত দলৰ সেনাপতি টমৰে নলে-গ'লে লগা বন্ধু জো হাৰ্পাৰ। এই দুজন মহান সেনাপতিয়ে অবশ্যে নিজে যুদ্ধ নকৰে। তেওঁলোকে মাথোন সহকাৰীৰ মুখেৰে যুদ্ধৰ নিৰ্দ্দেশ দি থাকে। সেইদিনা এখন ডাঙৰ 'যুদ্ধৰ' শেষত টমৰ সৈন্যদলে জয়লাভ কৰিলে। যুদ্ধৰ অন্তত 'মৃত' সৈন্যবোৰ গণা হ'ল, যুদ্ধবন্দী সালসলনি কৰা হ'ল আৰু ইয়াৰ পাছৰ বাৰ যুদ্ধ কৰিবৰ কাৰণ আৰু দিন থিৰ কৰা হ'ল। ইয়াৰ পিছত দুয়োদল সৈন্যই শাৰী পাতি কুচ্‌কাৱাজ কৰি আতৰ হ'ল আৰু টমো অকলে ঘৰৰ পিনে আগ বাঢ়িলে।

---

## ( ৪ )

পাছদিনাখন অৰ্থাৎ দেওবাৰে দিনৰ প্ৰায় দহ বজাত গাৱঁৰ সৰু গীৰ্জ্জাটোৰ ঘণ্টা বাজিবলৈ আৰম্ভ কৰিলে আৰু অলপ পিছতেই মানুহবোৰ এজন দুজনকৈ ৰাতিপুৱাৰ প্ৰাৰ্থনাৰ বাবে গীৰ্জ্জাত গোট খালেহি। সৰু সৰু লৰা ছোৱালীবোৰ মাক দেউতাকৰ লগত বহিল, যাতে মাক-দেউতাকে প্ৰাৰ্থনাৰ সময়ত সিহঁতৰ ওপৰত চকু ৰাখিব পাৰে। টমৰ পেহীয়েকো গীৰ্জ্জালৈ আহিছিল। টম, ছিদ আৰু ভনীয়েক মেৰী মাহীয়েকৰ ওচৰতে বহিল—টমক বহুওৱা হ'ল গীৰ্জ্জাৰ ভিতৰত থকা চকী দুভাগৰ মাজৰ সৰু বাটটোৰ ওচৰত, যাতে সি খিৰিকিখন আৰু গাৰ্জ্জাৰ বাহিৰৰ লোভনীয় জগতখনৰ পৰা পাৰ্য্যমানে আঁতৰত থাকে।

অলপ পিছতেই প্ৰাৰ্থনা-সঙ্গীত আৰম্ভ হ'ল। প্ৰাৰ্থনা-সঙ্গীতৰ পাছত ধৰ্ম্ম-যাজকজনে প্ৰাৰ্থনা আৰম্ভ কৰিলে। প্ৰাৰ্থনা শেষ হ'লত, গীৰ্জ্জাৰ সকলো ঠিয় দি থকা মানুহে আসন গ্ৰহণ কৰিলে। টমে কিন্তু এই প্ৰাৰ্থনা আদি সমূলি ভাল নাপালে—সি কোনোমতেহে এইবোৰ সহ্য কৰি থাকিল। প্ৰাৰ্থনাৰ সময়ত টমে উচ্‌পিচাই আছিল।

প্ৰাৰ্থনাৰ ঠিক মাজভাগতে এটা মাখি আহি টম বহি থকা চকীখনৰ ঠিক আগৰ চকীখনত পৰি শান্তভাৱে তাৰ হাত দুখন মূৰৰ ওপৰত ঘঁহি টমৰ মনটো অশান্ত কৰি পেলালে। মাখিটোৱে তাৰ হাত দুখনেৰে মূৰটো ইমান জোৰেৰে ঘঁহিবলৈ ধৰিলে যেন তাৰ মূৰটো শৰীৰৰ পৰা ছিঙিহে যাব। মাজে মাজে আকৌ পাছ ভৰি দুখন পাখি দুখনৰ ওপৰত তুলি দি পাখিদুখন ঘঁহিবলৈ ধৰিলে। মাখিটোৱে নিজকে একেবাৰে নিৰাপদ ভাবি এই সকলোবোৰ নিঃশঙ্কচিত্তেই কৰি গ'ল। সঁচাকৈয়ে মাখিটো নিৰাপদেই আছিল—কাৰণ মাখিটো ধৰিবলৈ টমৰ অতিপাত হাতৰ খজুটি উঠিছিল যদিও সি সেইটো কৰিবলৈ সাহ কৰিব নোৱাৰিলে। তাৰ ভয় আছিল যে প্ৰাৰ্থনা চলি থকাৰ সময়ত সি যদি এনেকুৱা এটি কাৰ্য্য কৰে তেন্তে সি তেতিয়াই ঈশ্বৰৰ পৰা ভীষণ শাস্তি পাব। কিন্তু প্ৰাৰ্থনা শেষ হৈ অহাৰ লগে লগে টমৰ হাতখন মাখিটোৰ ফালে আগুৱাবলৈ ধৰিলে আৰু প্ৰাৰ্থনাৰ অন্তত ধৰ্ম্মযাজকজনে যি মুহূৰ্ত্ততে 'তথাস্তু' বুলি ক'লে, সেই মুহূৰ্ত্ততে মাখিটো টমৰ হাতত বন্দী হ'ল। মাহীয়েকে কিন্তু টমক লক্ষ্য কৰি আছিল। তেওঁ মাখিটো এৰি দিবলৈ টমক বাধ্য কৰিলে।

প্ৰাৰ্থনাৰ পাছত ধৰ্ম্মযাজকজনে সেইদিনাৰ বাবে দিবলগীয়া ধৰ্ম্ম-সম্বন্ধীয় বক্তৃতা আৰম্ভ কৰিলে। বক্তৃতা আৰম্ভ হোৱাৰ লগে লগে টমৰ অশান্তিৰ সীমা নোহোৱা হ'ল। অলপ পিছতেই টমৰ 'গুপুত সম্পত্তিটোৰ' কথা মনত পৰিল। এই সম্পত্তিটো আছিল— ভয়লগা মুখ থকা এটা বিৰাট পোক। পোকটো সি এটা টেমাত সুমুৱাই থৈছিল। এতিয়া টমে টেমাটো জেপৰ পৰা উলিয়াই আনিলে। পোকটোৱে প্ৰথমতেই টমৰ আঙুলিত কামুৰি ধৰিলে। কামোৰ খাই টমে ততালিকে আঙুলি জোকাৰি দিলে আৰু পোকটো গৈ গীৰ্জ্জাৰ ভিতৰত থকা চকী দুভাগৰ মাজৰ সৰু বাটটোত পকাৰ ওপৰত পিঠি দি পৰিলগৈ। পোকটোৱে পিঠি দি পৰাৰ বাবে আকৌ পোন হব নোৱাৰি উপায়হীন হৈ ঠেং জোকাৰি থাকিল। টমে পোকটোলৈ

কেৰাহিকৈ চালে আৰু পোকটো ফিৰাই পাবলৈ তাৰ মন গ'ল। কিন্তু পোকটো সি ঢুকি নোপোৱা ঠাইত দূৰৈত পৰিল। ধৰ্ম্ম বক্তৃতা শুনি ভাল নোপোৱা গীৰ্জ্জাৰ অইন মানুহবোৰেও পোকটো দেখি অলপ সকাহ পালে আৰু তেওঁলোকেও আগ্ৰহেৰে ইয়াৰ গতি-বিধি লক্ষ্য কৰিবলৈ ধৰিলে।

লাহে লাহে এটা কুকুৰ বৰ বেজাৰ মনেৰে আহি গীৰ্জ্জাৰ ভিতৰত উপস্থিত হ'ল। কুকুৰটোৱে পোকটো দেখি তাৰ পেটৰ তলত পৰি থকা নেজডাল জোকাৰিবলৈ ধৰিলে। পোকটো ভালকৈ লক্ষ্য কৰি সি চাৰিওফালে পাক এটা মাৰিলে; নিৰাপদজনক দূৰত্বৰ পৰা পোকটো এবাৰ স্তুঙি চালে আৰু আকৌ এবাৰ পোকটোৰ চাৰিওফালে ঘূৰিলে। এইবাৰ সি সাহস সঞ্চয় কৰি আৰু অলপ ওচৰলৈ গৈ পোকটো স্তুঙি চালে। ইয়াৰ পিছত পেটটো মাটিত পেলাই দীঘল দি পৰি আগভৰি দুখনৰ মাজত পোকটো লৈ খেলিবলৈ আৰম্ভ কৰিলে। অলপ পৰ এইদৰে খেলাৰ পিছত তাৰ বিৰক্তি লাগিল। আৰু পোকটোৰ কথা পাহৰি উদাসমনে বহি থাকিল। কুকুৰটোৱে টোপনিয়াবলৈ আৰম্ভ কৰিলে। লাহে লাহে তাৰ মুখখন গৈ পোকটোৰ গাত লাগিলগৈ আৰু পোকটোৱে ততালিকে মুখখনত কামুৰি ধৰিলে। লগে লগে এটা বিকট চিঞৰ শুনা গ'ল আৰু কুকুৰটোৱে তাৰ মূৰটো জোকাৰিবলৈ আৰম্ভ কৰিলে। জোকাৰণিৰ কোবত পোকটো অলপ দূৰৈত ছিটিকি পৰি পুনৰ পিঠি দি পৰি থাকিল। ওচৰত থকা গীৰ্জ্জাৰ অইন মানুহবোৰে মনত গুপুত আনন্দ লভিলে; বহুতে আকৌ হাঁহি লুকুৱাবলৈ তেওঁলোকৰ হাতত থকা বিছনি আৰু ৰুমালৰ আঁৰত মুখ ঢাকিলে। টমৰ নিজকে বৰ সুখী যেন লাগিল। কুকুৰটো প্ৰথমতে বিবুধি হ'ল, কিন্তু লাহে লাহে তাৰ মনত প্ৰতিশোধৰ স্পৃহা জাগি উঠিল আৰু সি প্ৰতিশোধ লবলৈ আগ বাঢ়িল। পোকটোৰ ওচৰলৈ গৈ সি নতুন উৎসাহেৰে আক্ৰমণ কৰাত লাগি গ'ল। কুকুৰটোৱে এটা বৃত্ত কৰি পোকটোৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে

আৰু একো একোবাৰ জাপ মাৰি তাৰ আগ ভৰি দুখনেৰে পোকটোৰ নিচেই কাষতে পৰিবলৈ ধৰিলে। কিন্তু ক্ৰমে তাৰ বিৰক্তি লাগি আহিল। পোকটো এৰি সি এইবাৰ এটা মাখি খেদিবলৈ আৰম্ভ কৰিলে, কিন্তু এই খেলটোত সি বিশেষ আনন্দ নাপালে। ইয়াৰ পিছত নাকটো প্ৰায় মাটিত লগাই সি এটা পৰুৱাৰ পাছে পাছে গ'ল। কিন্তু এই খেলটোৱেও অলপ পিছতে তাৰ বিৰক্তি লগালে। এইবাৰ দীঘলকৈ এবাৰ হামিয়াই আৰু দীঘলকৈ এবাৰ উশাহ লৈ পোকটোৰ কথা সকলো পাহৰি গৈ কুকুৰটো পোকটোৰ ওচৰতে বহি পৰিল। লগে লগেই আকৌ এটা বিকট চিঞৰ শুনা গ'ল আৰু কুকুৰটো যন্ত্ৰনাত অধীৰ হৈ গীৰ্জ্জাৰ ভিতৰতে চাৰিফালে ঘূৰিবলৈ ধৰিলে। সি ক্ৰমে ইমান তীব্ৰ গতিত ধূৰিবলৈ ধৰিলে যে তাক পোহৰৰ গতিবেগেৰে কক্ষপথত ঘূৰি থকা এটা নোমাল ধুমকেতু যেন দেখা গ'ল। অৱশেষত কুকুৰটোৱে যন্ত্ৰনাত অস্থিৰ হৈ তাৰ গৰাকীৰ কোলাত জাপ মাৰি উঠি বহিল। গৰাকীয়ে ভয়তে লৰালৰিকৈ তাক খিড়িকীৰে বাহিৰলৈ দলিয়াই দিলে। লাহে লাহে কুকুৰটোৰ যন্ত্ৰনাগ্ৰস্ত মাত আঁতৰলৈ গ'ল আৰু ক্ৰমে নুশুনা হৈ আহিল।

ইতিমধ্যে গীৰ্জ্জাৰ সকলো মানুহৰে মুখ জোৰকৈ দমাই ৰখা হাঁহিৰ কোবত ৰঙা হৈ উঠিছে; ধৰ্ম্মৰ বক্তৃতাও কেতিয়াবাই বন্ধ হৈ গৈছে। বক্তৃতা পুনৰ আৰম্ভ কৰা হ'ল, কিন্তু সেইদিনা বক্তৃতা আৰু নজমিল।

টম ছয়াৰ্ বৰ উৎফুল্ল মনেৰে ঘৰলৈ গ'ল। মাত্ৰ এটা কথাৰ বাবে তাৰ অলপ বেয়া লাগিছিল। কুকুৰটোৱে তাৰ পোকটোৰ লগত যিমান পাৰে ধেমালি কৰক, তাত তাৰ অকণো আপত্তি নাই। কিন্তু কুকুৰটোৱে এইদৰে পোকটোকো তাৰ লগতে লৈ যোৱা বাবে সি কুকুৰটোক বৰ সৎ বুলি ভাবিব নোৱাৰিলে।

নবীন চন্দ্ৰ বৰদলৈ ভৱন পাঠাগাৰ

(৫)

পাছদিনা, অৰ্থাৎ সোমবাৰে, ৰাতিপুৱা টমক বিছনাতে বৰ বেজাৰ মনেৰে পৰি থকা দেখা গ'ল। সোমবাৰে ৰাতিপুৱা সদায় তাৰ বেজাৰ লাগেই, কাৰণ সোমবাৰৰ পৰা আকৌ এসপ্তাহৰ বাবে স্কুলৰ পঢ়াৰ অত্যাচাৰ আৰম্ভ হয়। সি প্ৰত্যেক সোমবাৰেই ভাবে যে মাজতে স্কুলটো বন্ধ নাথাকিলেই ভাল হয়, কাৰণ স্কুল দুদিন বন্ধ থাকি পুনৰ খুলিলে বেছিহে বেয়া লাগে।

টম এইবোৰ ভাবি বিছনাতে পৰি থাকিল। এনেতে তাৰ ভাব হ'ল যে তাৰ বেমাৰ হলেই ভাল হয়; তেতিয়াহলে আৰু স্কুললৈ যাব নালাগিলহেঁতেন। সি কথাটো দ'কৈ ভাবি চালে। হঠাতে তাৰ মনত পৰিল যে তাৰ ওপৰৰ পাৰি দাঁতৰ আগদাঁত এটা লৰি আছে। এইটো তাৰ বৰ সৌভাগ্যৰ কথা যেন লাগিল আৰু সি দাঁতৰ বিষত চিঞৰা আৰম্ভ কৰিবলৈকে ওলাল। কিন্তু এনেতে তাৰ মনত পৰিল যে দাঁতৰ বিষ বুলি ক'লে মাহীয়েকে পোনেই তাৰ লৰি থকা দাঁতটো উঘালি পেলাব আৰু তেতিয়াহলে সি বৰ কষ্ট পাব। এতিয়া তাৰ ফটা ভৰিৰ তলুৱাখনলৈ মনত পৰিল। ভৰিখন লাহেকৈ বিছনাৰ চাদ্দৰৰ তলৰ পৰা উলিয়াই আনি পৰীক্ষা কৰি চাই সি ভৰিৰ তলুৱাখন বিষোৱা বুলি কবলৈকে থিৰ কৰিলে। অলপ পিছতে সি বেছ উৎসাহেৰে কেঁকাবলৈ আৰম্ভ কৰিলে। ওচৰতে শুই থকা ছিদে টমৰ কাতৰ চিঞৰত সাৰ পাই টমক দেখি বৰ ভয় খালে। সি পোনেই গৈ মাহীয়েকক মাতি আনিলে। মাহীয়েকে টমৰ কিবা অসুখ হোৱা বুলি ভাতৈয়াকৈ লৰি আহি সুধিলে—

"টম্, তোৰ কি হ'ল, টম্?"

"উস্, মোৰ ভৰিৰ ফটা তলুৱাখন ইমান বিষাইছে।"

বুঢ়ী এতিয়া নিশ্চিন্ত হ'ল। তেওঁ সকলো বুজি পাই টমক ক'লে—

"উঃ, তই যে মোক কি ভয় খুৱালি! বাৰু, এতিয়া এই ভাও ধৰা বাদ দি বিছনাৰ পৰা নামি আহ।"

টমৰ কেঁকনিৰ অন্ত পৰিল। তাৰ নিজকে বৰ বুদ্ধিহীন যেন লাগিল। বিছনাৰ পৰা নামি আহি সি ক'লে—"কিন্তু মাহীদেউ, ভৰিখন ইমান বিষাইছিল। ভৰিৰ বিষত মই দাঁতটোৰ কথা পাহৰিয়ে গৈছিলোঁ।"

"দাঁত? তোৰ দাঁতত আকৌ কি হ'ল?"

"এটা দাঁত লৰি আছে; বৰকৈ বিষাইছে।"

"হয় নেকি? বাৰু চাওঁ, মুখখন মেলচোন।...ওঁ, দাঁত এটা লৰিছে। মেৰী, যা চোন মোক এডাল চিল্কৰ সূতা আৰু আখলৰ জুইৰ আঙঠা এটুকুৰা আনি দে।"

টমে এতিয়া চিঞৰি উঠিল—

"নাই নাই, মাহীদেউ। দাঁতটো এতিয়া আৰু বিষোৱা নাই। দাঁতটো উঘালি পেলাব নালাগে। মই আৰু স্কুল খতি কৰি ঘৰত থাকিবলৈ নোখোজোঁ বাৰু।"

"অ' এতিয়া আৰু স্কুল খতি কৰিব নোখোজ, নহয়? এইবোৰ সকলো স্কুল খতি কৰাৰ ফন্দী। টম্, তোক মই ইমান মৰম কৰোঁ, তই বাৰু এইদৰে ঠগি মোক দুখ দিয় কিয়?"

ইতিমধ্যে 'দন্তচিকিৎসা'ৰ সকলো যন্ত্ৰপাতি আহি পালেহি। মাহীয়েকে চিল্কৰ সূতাডালৰ এটা মূৰ টমৰ লৰি থকা দাঁতটোৰ লগত টানকৈ বান্ধি আনটো মূৰ বিছনাৰ খুটা এটাৰ লগত বান্ধিলে। ইয়াৰ পিছত তেওঁ আঙঠা ডোখৰ হাতত লৈ প্ৰায় টমৰ মুখত লগাই দিলে। টমে ভয় খাই ততলিকে মূৰটো পাছলৈ নিলে আৰু দেখা গ'ল যে টমৰ দাঁতটো বিছনাৰ খুটিটোত সূতাডালেৰে সৈতে ওলমি আছে।

...সকলো কষ্টৰ ক্ষতি-পূৰণ আছে। টমে চাহ খাই উঠি যেতিয়া

স্কুললৈ যাবলৈ ধৰিলে তেতিয়া সি বাটত লগ পোৱা অইন সকলো লৰাঁৰে ঈৰ্ষাৰ পাত্ৰ হৈ পৰিল, কাৰণ ওপৰৰ পাৰি দাঁতটোৰ ঠাইখিনি শূন্য হৈ যোৱা বাবে সি এটি নতুন প্ৰক্ৰিয়াৰে বঢ়িয়াকৈ থুৰাব পাৰিছিল। কেইদিনমান আগতে আঙুলি এটা অলপ কটা যোৱাৰ বাবে যিজন লৰা অইন সকলো লৰাৰে দ্ৰষ্টব্য আছিল, আজি তাক কোনেও নোচোৱা হ'ল।

স্কুললৈ গৈ থাকোঁতেই টমে বাটত লগ পালে সিহঁতৰ গাৱঁৰে কেও ক'তো নোহোৱা আৰু অনাইবনাই ঘূৰি ফুৰা লৰা হাক্ল্বাৰি ফিনক। হাক্লবাৰি আছিল সেই গাৱঁৰ মদাহী এজনৰ পুতেক। লৰাছোৱালী-বোৰৰ মাকহতে হাক্ল্বাৰি ফিনক বেয়া পাইছিল আৰু ঘৃণাৰ চকুৰে চাইছিল। তেওঁলোকৰ মতে সি আছিল এলেহুৱা, কাকো ক'তো নমনা, অভদ্ৰ আৰু দুষ্ট। তাৰোপৰি অইন লৰাছোৱালীবোৰৰ মাকহঁতে তাক এই কাৰণেও বেয়া পাইছিল যে তেওঁলোকৰ লৰা-ছোৱালীহঁতে হাক্ল্বাৰিক খুব প্ৰশংসাৰ চকুৰে চাইছিল, তাৰ নিষিদ্ধ সঙ্গ লবলৈ ভাল পাইছিল আৰু মনে মনে ইচ্ছা কৰিছিল তাৰ দৰে হবলৈ। টমো আছিল অইন লৰাবোৰৰ দৰেই। টমক কিন্তু ঘৰত দঢ়াই কোৱা হৈছিল হাক্ল্বাৰিব সঙ্গ নলবলৈ, আৰু সেইবাবেই সি সুযোগ পালেই হাক্ল্বাৰিৰ লগত খেল আৰম্ভ কৰি দিছিল। হাক্লবাৰিয়ে সদায় কোনোবাই পিন্ধা শেষ কৰি দান দিয়া ডাঙৰ মানুহৰ জোখৰ কাপোৰ পিন্ধিছিল। তাৰ ফটা কাপোৰবোৰৰ ফটা অংশবোৰ সদায় বতাহত পতাকাৰ দৰে উৰি থাকে। তাৰ কোটটো আহি পৰে ভৰিৰ থাক্ গাঁঠিলৈকে। পেণ্টৰ পাছফালটো বহু তললৈকে ওলমি থাকে আৰু পেণ্টটো ইমান দীঘল যে কোছাই নললে পেণ্টৰ ভৰিকেইটা বোকাত লুতুৰি-পুতুৰি হয়। হাক্ল্বাৰিয়ে সদায় নিজ ইচ্ছামতে যলৈকে-তলৈকে অহা যোৱা কৰে। ভাল বতৰ হলে সি মানুহৰ ঘৰৰ দুৱাৰমুখত শোৱে আৰু বতৰ বেয়াহলে শোৱে কাৰোবাৰ শুদা গাহৰি গড়ালত। হাক্লবাৰি কোনো স্কুল বা গীৰ্জ্জালৈ যাব নালাগে; তাৰ

যেতিয়াই মন যায় মাছ মাৰিবলৈ বা নৈত সাঁতুৰিবলৈ যাব পাৰে। সি কোনোদিনেই গা ধুব নালাগে, ভাল পৰিষ্কাৰ কাপোৰ পিন্ধিব নালাগে। মুঠতে জীৱন মধুৰ কৰি তুলিবলৈ যিবোৰৰ প্ৰয়োজন হাক্লবাৰিৰ সেই সকলোবোৰ আছিল। অন্ততঃ চেণ্টপিটাছ´বার্গৰ সকলো ভদ্ৰ ঘৰৰ লৰাই এইদৰে ভাবিছিল। টমে এতিয়া এই বনৰীয়া লৰাজনক দেখি মাত লগালে—

"কি খবৰ হাক্লবাৰি ?"

"অ' টম্, কি খবৰ ? চাচোন মোৰ হাতত কি আছে ?"

"কি আছে চাওঁ।"

"মৰা মেকুৰী।"

"চাওঁ হাক্। ইছ্ মৰি একেবাৰে কাঠ হৈ গৈছে। বাৰু হাক্, মৰা মেকুৰীনো কি কামত লাগে ?

"কি কামত লাগে ? কিয় আৰু, গাত মাহ হলে ভাল কৰিবলৈ লাগে।"

"ধ্যেৎ নহয়। হয় জানো ?···মই কিন্তু ইয়াতকৈ ভাল বুধি এটা জানোঁ।"

"কেতিয়াও নাজান।...কচোন বাৰু কি বুধি।"

"কি বুধি আৰু। গছৰ খোৰোঙত জমা পানী।"

"গছৰ খোৰোঙত জমা পানী।হুঃ, মই হলে এইটো অকণো ভাল বুধি বুলি নাভাবোঁ।"

"নাভাব ? তই বাৰু কোনোবা দিনা চেষ্টা কৰি চাইছ জানোঁ ?"

"নাই। মই অৱশ্যে চেষ্টা কৰা নাই। কিন্তু বব্ টেনাৰে তো কৰিছে ?"

"তোক কোনে ক'লে ?"

"কিয়,বৱে কলে জেফ্ থেচাৰক, জেফে ক'লে জ'নি বেকাৰক, জনিয়ে ক'লে জিমক আৰু জিমে ক'লে বেন্ ৰজাছ´ক, বেনে ক'লে নিগ্ৰো এটাক আৰু নিগ্ৰোৱে ক'লে মোক। বিশ্বাস হ'লতো এতিয়া ?"

"কিয় বিশ্বাস হব ? ছব্ মিছা। সিহঁত সকলোৱে মিছা কৈছে। বাৰু এতিয়া কচোন বব্ টেনাৰেনো কি কৰিছিল," টমে সুধিলে।

"কি আৰু কৰিব ? সি তাৰ হাতখন বৰষুণৰ পানী জমি থকা গছৰ খোৰঙ এটাত সুমুৱাই দিছিল।"

"দিনতে নে ?"

"অতো।"

"গছৰ খোৰঙৰ ফালেই মুখ কৰি ?"

"ওঁ।"

"সি কিবা মন্ত্ৰ মাতিছিল নে নাই বাৰু ?"

"বোধহয় মতা নাই; অন্ততঃ মই নাজানোঁ।"

"অ', এইদৰে বুৰ্ব্বকৰ নিচিনা কৈ খোৰোঙত জমা পানীৰে গাৰ মাহ ভাল কৰিবলৈ আহিছ ? তেনেকৈ কৰিলে কি হব ? তই অকলে হাবিলৈ যাব লাগিব—য'ত গছৰ খোৰোঙত পানী জমি আছে। ঠিক মাজনিশা তই পাছুৱাই খোজকাঢ়ি গৈ খোৰোঙত হাত বঢ়াই দি কব লাগিব—

"বুট মাহ, বুট মাহ আৰু গাজী মাহ,
খোৰোঙৰ পানী, খোৰোঙৰ পানী, খা, এইবোৰ খা।'

আৰু তাৰ পিছত তই তত্খালিকে এঘাৰ খোজ গুছি আহিব লাগিব—চকু মুজি। ইয়াৰ পিছত তিনিটা পাক মাৰি ঘৰলৈ ঘূৰি আহিব লাগিব—কাৰো লগত কথা নপতাকৈ। কথা পাতিলে মন্ত্ৰই আৰু কাম নিদিয়ে।"

"এৰা, এইটো ভাল বুধি যেনেই লাগিছে। বব্ টেনাৰে অৱশ্যে এনেকৈ কৰাও নাছিল।"

"ওঁতো, মই বাজী মাৰি কব পাৰোঁ সি নিশ্চয় এনেকৈ কৰা নাছিল। কাৰণ তাৰ গাটো চাবিচোন, একদম মাহেৰে ভৰি আছে। সি যদি মই কোৱাদৰে কৰিলেহেঁতেন তাৰ গাত এটা মাহো জানো থাকিব পাৰে ? ময়ে মোৰ হাতৰ পৰা এনেকৈয়ে কিমান মাহ গুচাইছোঁ। মই

বেঙবোৰৰ লগত ইমানকৈ খেলোঁ। যে মোৰ হাতত সদায় মাহ উঠিয়েই থাকে। মাজে সময়ে মই অৱশ্যে উৰহিৰ গুটিৰেও মাহ গুচাওঁ।”

“ওঁ, উৰহিৰ গুটিও ভাল ; মই পৰীক্ষা কৰি চাইছোঁ”—হাকে ক’লে।

“চাইছ নেকি ? কচোন বাৰু তই কেনেকৈ কৰ।”

“এটা উৰহিৰ গুটি লবি আৰু গুটিটো মাজেৰে ফালি পেলাবি। তাৰ পিছত তোৰ গাৰ মাহ এটা কাটি অলপ তেজ উলিয়াই লৈ উৰহিৰ গুটিটোৰ এটা ফালত লগাই দিবি। এই তেজ লগা ফালটো মাজ নিশা চাৰি আলিৰ মূৰত এটা গাঁত খান্দি পুতি থৈ আহিবি আৰু আনটো ফাল পুৰি পেলাবি। বুজিছ, সেই পুতি থৈ অহা ফালটোৰ তেজখিনিয়ে তোৰ গাৰ মাহবোৰ টানিবলৈ আৰম্ভ কৰিব আৰু অলপ পিছতেই দেখিবি তোৰ মাহ নোহোৱা হৈ গৈছে।”

“ঠিক কৈছ হাক্, ঠিক কৈছ। কিন্তু যদি তই উৰহিৰ গুটিৰ তেজ লগা ফালটো পোতোঁতে ‘যা তল উৰহি গুটি, মাহো যাগৈ কৰবাত উটি’ বুলি কৱ তেন্তে আৰু ভাল হয়। আৰু এনেকৈয়ে জো হাৰ্পাৰেও কৰিছে।...বাৰু হাক্, এতিয়া কচোন, মৰা মেকুৰীৰে বাৰু কেনেকৈ মাহ ভাল কৰিবি ?”

“কেনেকৈ আৰু। চা, কোনোবা বেয়া মানুহক কবৰখানাত পুতিলে তই মৰা মেকুৰীটো লৈ কবৰখানালৈ যাবি। মাজনিশা এটা ভূত আহিব—হয়তো দুটা তিনিটামানো আহিব পাৰে। কিন্তু তই হলে সিহঁতক দেখা নাপাৱ দেই। তই মাথোন বতাহৰ দৰে শব্দ শুনিবি বা সিহঁতে কথা পাতিলে শুনিবলৈ পাবি। তাৰ পিছত যেতিয়া ভূত কেইটাই পুতি থোৱা মানুহজনক টানিলৈ যাবলৈ ধৰিব তেতিয়া তই মৰা মেকুৰীটো দলিয়াই দি কবি—

“ভুতে পাছ লওক মৰাশৰ, মেকুৰীয়ে পাছ লওক ভূতৰ, মোৰ মাহে পাছ লওক মেকুৰীৰ, শেষ হৈ যাওক এইবোৰ।” এইদৰে কৰিলেই যি কোনো মাহ নোহোৱা হৈ যাব নহয়।

"শুনাত অৱশ্যে ঠিক বুধি যেনেই লাগিছে। তই বাৰু কেতিয়াবা এইদৰে চেষ্টা কৰি চাইছনে হাক্ ?"

"নাই, মই অৱশ্যে চোৱা নাই। কিন্তু মোক বুঢ়ী হপ্‌কিন্সে কৈছে নহয়।"

"বাৰু হাক্, তই কেতিয়া এইটো পৰীক্ষা কৰি চাবলৈ যাবি ?"

"আজি ৰাতিয়েই যাম। মোৰ বোধেৰে আজি ৰাতিয়েই ভূতবোৰে হছ্‌ উইলিয়ামছক নিবলৈ আহিব।"

"কিন্তু হাক্, হছ উইলিয়ামছক তো শনিবাৰেই কবৰ দিয়া হ'ল। সিহঁতে জানো তাক শনিবাৰেই লৈ নাযাব ?"

"ধ্যেৎ, কি কৱ তই। ভূতবোৰে জানো মাজনিশা নোহোৱাকৈ ওলাব পাৰে ? আৰু শনিবাৰে মাজনিশা হলেই দেওবাৰ আহি পৰিল। দেওবাৰে আৰু মোৰ বোধেৰে ভূতবোৰে ঘূৰি ফুৰে।"

"ঠিকেই কৈছ হাক্। মই এইদৰে ভবাই নাছিলোঁ। মোকো তোৰ লগত নিবি ?"

"নিম বাৰু। অৱশ্যে তই যদি ভয় নকৰ।"

"ভয় ? ভয় আকৌ কৰিম কিয় ? তই বাৰু মেকুৰীৰ দৰে মাত মাতি মোক টোপনিৰ পৰা জগাবি।"

"মাতিম বাৰু। যদি সুবিধা পাৱ, তয়ো মিউ মিউ কৰি উত্তৰ দিবি। যোৱাবাৰ মিউ মিউ কৰি তোক মাতি থাকোঁতে বুঢ়া হেইজে 'মৰ, এই মেকুৰীটো' বুলি মোৰ গালৈ এটা ইটা দলিয়াই দিছিল ভাই। ময়ো এটা ইটা লৈ তাৰ খিৰিকিৰে মাৰি পঠিয়াইছিলোঁ নহয়। তই তাক নকবি দেই।"

"নকওঁ বাৰু ; মই সেইবাৰ মিউ কৰি উত্তৰ দিব নোৱাৰিলোঁ, কাৰণ মাহীদেৱে মোক চাই আছিল। এইবাৰ কিন্তু মই নিশ্চয় উত্তৰ দিম। ...এই হাক্, সেইটো কি ?"

"অ' এইটো ? নাই একো নহয়...কেৰেলুৱা এটাহে।

"ক'ত পালি ?"

"হাবিৰ মাজত।"

"এইটো বেচিলে কি লবি ক।"

"মই নেবেচোঁ।"

"নেবেচ যদি নাই। কেৰেলুৱাটো কিন্তু বৰ সৰু।"

"এহ, যাৰ নাই সি তেনেকৈ কবই। মোৰ এইটো ভাল লাগিছে— আৰু মোৰ ভাল লাগিলেই হ'ল।"

"থ থ। কিমান কেৰেলুৱা পৰি আছে। মই লাগিলে তোক হাজাৰ হাজাৰ আনি দিব পাৰোঁ।"

"পাৰই যদি নিজে নানগৈ কিয়? তই যে নোৱাৰ তই নিজেই সেইটো ভালকৈ জান।"

"বাৰু হাক্, কেৰেলুৱাটোৰ বাবে মই বাৰু তোক মোৰ দাঁতটো দিম দে।"

"চাঁও বাৰু দাঁতটো।"

টমে জেপৰ পৰা এটুকুৰা কাগজ উলিয়াই বৰ সাবধানে কাগজৰ ভাঁজবোৰ খুলিবলৈ ধৰিলে। হাক্লবাৰিয়ে দাঁতটো বৰ একাগ্ৰমনে পৰীক্ষা কৰি চালে। সি তাৰ লোভ দমাই ৰাখিব নোৱাৰি অৱশেষত ক'লে—

"কিন্তু দাঁতটো 'আচ্লি' দাঁত হয় জানো?"

টমে একো উত্তৰ নিদি পোনেই তাৰ ওঁঠটো ডাঙি ধৰি ওপৰৰ পাৰি দাঁতৰ শূন্য অংশখিনি দেখুৱালে।

"বাৰু ঠিক আছে। ল বাৰু" — হাক্ল্‌বাৰিয়ে ক'লে।

আগৰ সেই ভয়াবহ পোকটোৰ বাবে বন্দীশাল ৰূপে ব্যৱহাৰ কৰা সেই মুখবন্ধ টেমাটোতে টমে কেৰেলুৱাটো ভৰালে। লৰা দুজনৰ প্ৰত্যেকেই এতিয়া নিজকে আগতকৈ চহকী জ্ঞান কৰি পৰস্পৰৰ পৰা বিদায় ললে।

( ৬ )

সেইদিনাখনেই আবেলি। বহুতো কাৰণত টমৰ মনটো বৰ ভাল নাছিল। পৃথিৱীখন তাৰ বৰ নীৰস যেন লাগিছিল। গাঁৱৰে ওচৰৰ হাবি এখনত টমে অনাই-বনাই ঘূৰি ফুৰিছিল। সকলো দুখ-যন্ত্ৰনা এৰি এই সংসাৰৰ পৰা চিৰদিনৰ বাবে বিদায় লোৱাটোৱেই টমৰ মনত শ্ৰেয়ঃ যেন লাগিল। কিন্তু সৰু লৰাৰ মনটো বেছি সময় একেদৰে নাথাকে। লাহে লাহে টমৰ মনটোও সুখ-দুখেৰে ভৰা এই সংসাৰলৈ উভতি আহিল। আগতে তাৰ মন আছিল চাৰ্কাছৰ বহুৱা হবলৈ। টমে এই বিষয়ে আকৌ এবাৰ ভাবি চালে। কিন্তু আজি সি বহুৱা হোৱাৰ এই কল্পনাটো বৰ ভাল নাপালে; বৰং ই তাৰ বিৰক্তিহে লগালে। এইবাৰ সি মনতে ভাবিলে যে সি সৈন্যদলত যোগ দিব আৰু দেশে-বিদেশে যুদ্ধ কৰি কৰি ৰণক্লান্ত হৈ বহুত বছৰৰ মূৰত এদিন ঘৰলৈ উভতি আহিব। ইয়াৰ পিছত সি ভাবিলে যে ইয়াত কৈ ভাল হব যদি সি ৰেড্ ইণ্ডিয়ান বোৰৰ লগ লাগি বনৰীয়া মহ চিকাৰ কৰি ফুৰে। টমে কল্পনা কৰিলে যেন সি হঠাতে এদিন ৰেড্ ইণ্ডিয়ানবোৰৰ দৰে মূৰত পাখি লগাই, গোটেই গাতে অদ্ভুত কিছুমান ৰং সানি আৰু বিকট এটা চিঞৰ মাৰি সিহঁতৰ গাঁৱৰে স্কুলটোত সোমাই পৰিছে। তেতিয়া বাৰু তাৰ লগৰ লৰাবোৰৰ কেনে লাগিব? সিহঁতে অতিপাত আচৰিত হৈ তাৰ ফালে ঈৰ্ষাপূৰ্ণ চকুৰে চাই থাকিব। কিন্তু নাই,—ৰেড্ ইণ্ডিয়ান হোৱাতকৈ আৰু এটা ভাল বুধি এইবাৰ টমৰ মনলৈ আহিল। সি ঠিক কৰিলে যে সি জলদস্যুহে হব। টমে কল্পনা কৰিলে, কিদৰে তাৰ নাম গোটেই পৃথিৱীতে ফুটি-ফাটি যাব আৰু মানুহে তাৰ নাম শুনিলেই কিদৰে ভয়তে কঁপিব। টমে আৰু কল্পনা কৰিলে কেনেকৈ তাৰ 'ধুমুহাৰ আত্মা' নামৰ ক'লা জাহাজখনত উঠি ঢৌবোৰৰ মাজেৰে নাচি নাচি যাব। এদিনাখন সি গাঁৱলৈ উলটি আহি গাঁৱৰ গীৰ্জ্জাটোৰ ভিতৰলৈ সোমাই যাব।

তাৰ গাত থাকিব ক'লা পেণ্ট আৰু ক'লা কামিজ, কঁকালৰ পেটীডালত লগোৱা থাকিব পিস্তল আৰু হাতত সি লৈ থাকিব মৰা মানুহৰ লাওখোলা আৰু হাড় অঁকা তাৰ ক'লা পতাকাখন। তেতিয়া সি গৌৰ্জ্জভাৰ অইন মানুহবোৰে ফুচ্ ফুচাই কোৱা শুনিবলৈ পাব—'এওঁ জলদস্যু টম্ ছয়াৰ—স্পেনিছ মহাসাগৰৰ ক'লা প্ৰতিশোধকাৰী'।

জলদস্যু হোৱাটোকে টমে একেবাৰে খাটাংকৈ থিৰ কৰি পেলালে। সি ঘৰৰ পৰা পলাই যাবগৈ আৰু জলদস্যু হব। পাছদিনা পুৱাই যাত্ৰা কৰিব বুলি টমে মনে মনে থিৰ কৰিলে। গতিকে এতিয়াৰ পৰাই যাত্ৰাৰ আয়োজন কৰা ভাল হব বুলি তাৰ ভাব হ'ল। কিন্তু গাওঁ এৰি গুছি যোৱাৰ আগতে সি তাৰ সকলো 'সম্পত্তি' গোটাই লোৱাই ভাল হব। টমে এতিয়া ওচৰতে পৰি পচি থকা কাঠ এডালৰ কাষলৈ গৈ তাৰ কটাৰী খনেৰে কাঠডালৰ এমূৰত গাতঁ খান্দিবলৈ আৰম্ভ কৰিলে। অলপ খন্দাৰ পিছতেই কাঠডালত এটা খোৰোং পোৱা গ'ল। খোৰোঙত হাত ভৰাই টমে গম্ভীৰভাবে মন্ত্ৰ মাতিবলৈ ধৰিলে—

"যি অহা নাই আহি যা, যি আছে ইয়াতে থাক।"

সি এতিয়া খোৰোঙৰ ভিতৰৰ পৰা পাইন্ গছৰ পাতেৰে বনোৱা 'গুপ্তধন' ৰখা বাকচ এটা উলিয়াই আনিলে। এই গুপ্তধনৰ বাকচটোত আছিল এটা মাৰ্ব্বল। টম আচৰিত হ,ল। সি বিবুধি হৈ মূৰ খজুৱাই খজুৱাই ক'লে—"কিনো হ'ল বাৰু!"

বিৰক্ত হৈ টমে মাৰ্ব্বলটো দলিয়াই দিলে। এতিয়া আচল কথাটো হ'ল এইটোৱে যে সি আৰু তাৰ লগৰ সকলো লৰাই মনে প্ৰাণে বিশ্বাস কৰা অন্ধবিশ্বাস এটি আজি মিছা বুলি প্ৰমাণিত হ'ল। সিহঁতে বিশ্বাস কৰিছিল যে যদি কোনোবাই এটি বিশেষ মন্ত্ৰ মাতি মাৰ্ব্বল এটা চৈধ্য-দিনৰ বাবে পুতি থৈ দিয়ে আৰু যদি চৈধ্যদিনৰ মূৰত সেই একে মন্ত্ৰকে মাতি গাঁতটো খোলে, তেন্তে দেখিবলৈ পাব যে সি তাৰ গোটেই জীৱনত হেৰুওৱা সকলো মাৰ্ব্বল আহি তাত গোট খাই আছে। কিন্তু এতিয়া টমে দেখিলে যে তাৰ এই বিশ্বাস মিছা প্ৰমাণিত হৈছে।

আজি টমৰ আগৰ সকলো বিশ্বাসেই নোহোৱা হবৰ উপক্রম হ'ল। কিন্তু তথাপিও আজিৰ এই বিফলতা সোনকালে মানি লবলৈ সি টান পালে। বহুতো ভাবি টমে শেষত এই সিদ্ধান্তত উপনীত হ'ল যে নিশ্চয় কোনোবা যখিনীয়ে আহি তাৰ মন্ত্ৰৰ গুণ নোহোৱা কৰি থৈ গৈছে। এই বিষয়ে নিঃসন্দেহ হোৱাতো ভাল বুলি সি ভাবিলে। গতিকে টমে এতিয়া চাৰিওপিনে কিবা বিচাৰি ফুৰিবলৈ ধৰিলে। অকণমান গাঁত এটা থকা বালি এচপৰাৰ কাষলৈ আহি সি ৰ'ল। মাটিত শুই পৰি গাঁতটোৰ একেবাৰে ওচৰলৈ মুখখন নি টমে চিঞৰিলে—

"অ' পোক, অ' পোক, ক মই যি জানিব খোজোঁ,
অ' পোক, অ' পোক, ক মই যি জানিব খোজোঁ।"

বালিৰ ভিতৰত এটা আলোড়ন উঠিল আৰু অলপ পিছতেই এটা সৰু ক'লা পোক ওপৰলৈ আহি কেই মুহূৰ্ত্তমানৰ বাবে দেখা দিয়েই আকৌ ভয়তে বালিৰ ভিতৰলৈ সোমাই গ'ল।

"সি নকলে দেখোন। ও, যখিনীয়েই তেনেহলে এইটো কৰিছে। মই আগতেই জানো নহয়।"

টমে এইটোও জানিছিল যে যখিনীৰ বিৰুদ্ধে যুদ্ধ কৰা বৃথা। গতিকেই হতাশ হৈ সি হেৰোৱা মাৰ্ব্বল পোৱাৰ আশা ত্যাগ কৰিলে।

ঠিক তেনেতে টমে এটা টিনৰ পেপাঁৰ শব্দ শুনিবলৈ পালে। টমে ততালিকে তাৰ কোট আৰু পেণ্ট খুলি দলিয়াই দি ওচৰত থকা ওখ বনবোৰৰ মাজৰ পৰা এপাট ধনুকাঁড়, এখন কাঠৰ তৰোৱাল আৰু এটা টিনৰ পেপাঁ উলিয়ালে। বস্তুবোৰ গোটাই লৈয়ে সি লৰ মাৰিলে। তাৰ তলত পেণ্ট নোহোৱা কামিজটো বতাহত উৰিবলৈ ধৰিলে। এজোপা বিৰাট গছৰ তলত আহি বৈ আগতে শুনা পেপাঁৰ মাতটোৰ উত্তৰস্বৰূপে টমে তাৰ নিজৰ পেপাঁটো বজালে। খুব সাৱধানে ইফালে সিফালে চাই সি তাৰ কাল্পনিক সঙ্গীসকলক উদ্দেশ্য কৰি ক'লে—"হে মোৰ সঙ্গীসকল! মই পেপাঁ নবজোৱালৈকে তোমালোক লুকাই থাকিবা।"

অলপ পিছতেই আহি ওলালহি জো হাৰ্পাৰ; ঠিক টমৰ নিচিনা পোছাক পিন্ধি আৰু টমৰ দৰেই অস্ত্ৰশস্ত্ৰ লৈ। টমে এতিয়া চিঞৰি উঠিল—

"ৰ'বা। কোন সেয়া, মোৰ অনুমতি বিনে ছাৰ্‌উদ্ হাবিলৈ আহে?"

"গাই অভ্‌ গিছবৰ্নৰ কোনো অনুমতিৰ প্ৰয়োজন নহয়। কোন বাৰু সেইজন যিয়ে...যিয়ে..."

"মোৰ সতে এইদৰে কথা কব সাহ কৰে!" টমে জো হাৰ্পাৰক "প্ৰম্পট" কৰিলে, কাৰণ সিহঁতে এতিয়া ৰবীনহুডৰ কাহিনীত পঢ়া কথাবোৰহে আওৰাবলৈ ধৰিছে।

"ও, কোন বাৰু সেইজন যিয়ে মোৰ সতে এইদৰে কথা কব সাহ কৰে?"

"মই? বাঃ, মই ৰবীন্‌হুড্‌। তোমাৰ মৰাশই এতিয়াই এই কথাৰ গম পাব বাৰু।"

"অ, তুমিয়েই নে সেই বিখ্যাত পলাতক ডকাইত? অতি আনন্দেৰে মই তোমাৰ লগত যুদ্ধ দিম। আহা তেন্তে।"

লৰা দুজনে সিহঁতৰ কাঠৰ তৰোৱাল হাতত লৈ যুদ্ধ আৰম্ভ কৰিলে। অলপ পৰৰ পিছত টমে কৈ উঠিল—"এই জো, তই পৰি নাযাৱ কিয়? পৰ, পৰ।"

"মই নপৰোঁ। তই নিজে নপৰ কিয়? তই দেখোন মোৰ লগত তিষ্ঠিবই পৰা নাই।"

"তাতে কি হ'ল? মইতো পৰি যাব নোৱাৰোঁ। কিতাপত তেনেকৈ লিখাও নাই। কিতাপত লিখা আছে—"আৰু তেতিয়া এটা বিবাট কোবেৰে ৰবীন্‌হুডে গাই অব্‌ গিছবৰ্ণক কাটি পেলালে'। তই এতিয়া পাছমুৰাদি মোক কাটিবলৈ সুযোগ দিব লাগে।"

কিতাপত লিখা থাকিলে আৰু দুই কৰাৰ উপায় নাই। গতিকে জোই পাছ দিলে, টমে মাৰ শোধালে আৰু জো ধাছ্‌ কৰে মাটিত পৰি গ'ল।

লগে লগেই উঠি জোই কলে—"তই এতিয়া মোক তোক মাৰি পেলাবলৈ সুযোগ দিব লাগে আৰু তেতিয়াহলেহে কথাটো ভাল হব।"

"কেনেকৈ? মইতো মৰিব নোৱাৰোঁ। কিতাপত তো তেনেকৈ লিখাও নাই।"

"কিতাপত যিয়েই নাথাকক, মই হ'লে কম তই এক নম্বৰ নীচ লৰা। ওঁ, তই ভালেই পাৱ বা বেয়াই পাব, মই কমেই।"

"বাৰু, বাৰু জো। মই তেন্তে 'চেৰিফ অব্ নটিংহাম' হওঁ আৰু তই 'ৰবীন্ হুড্' হ। তেতিয়াহলে তই মোক মাৰিব পাৰিবি।"

কথাষাৰ মনত লাগিল। গতিকে আকৌ আগৰ দৰে যুদ্ধ চলিল। ইয়াৰ পাছত টম আকৌ ৰবীন হুড্ হৈ ৰবীন হুড্ গল্পৰ শেষ দৃশ্যৰ অভিনয় কৰিবলৈ ধৰিলে। ৰবীনহুড্ৰূপী টমে ক'লে—"এই কাঁড় ডাল য'ত পৰেগৈ তাতেই, সেউজীয়া গছৰ ছাঁত, এই দুৰ্ভগীয়া ৰবীন হুডক কবৰ দিবা।" এই বুলি কৈ টমে কঁপা কঁপা হাতেৰে কাঁড়পাট মাৰি পঠিয়াই ধাছ্কৈ মাটিত পৰি মৃত্যুৰ অভিনয় কৰিবলৈ ওলাল। সি হয়তো মৰিলেইহেঁতেন, কিন্তু ওচৰতে থকা ছোৰাত পাতৰ জোপোহা এটাৰ মাজত পৰা বাবে তেতিয়াই সি জাপ মাৰি ঠিয় দিলে।

লৰাহঁতে এতিয়া সিহঁতৰ কাপোৰ-কানি ভাল দৰে পিন্ধি, খেলৰ বস্তুবোৰ আকৌ ভালকৈ লুকুৱাই থৈ ঘৰলৈ খোজ ললে। সিহঁত দুয়ো বাটত কোৱাকুই কৰিলে যে চিৰদিনৰ বাবে আমেৰিকাৰ প্ৰেছিডেণ্ট হোৱাতকৈ অন্ততঃ এবছৰৰ বাবে হলেও ৰবীন্ হুডৰ নিচিনা পলাতক ডকাইত হোৱাটোৱে শ্ৰেষ্ঠ।

---

(৭)

সেইদিনাখনেই ৰাতি। আইন যি কোনো দিনৰ নিচিনাকৈ টম্ আৰু ছিদ্ ৰাতি চাৰে ন মান বজাত বিছনাত শুলেগৈ। দুয়ো শোৱাৰ

আগতে সদায় কৰাৰ দৰে প্ৰাৰ্থনা কৰিলে আৰু অলপ পিছতেই ছিদ্ টোপনি গ'ল। টম সাৰে থাকি বৰ অশান্তিৰে হাক্ল্‌বাৰি ফিনৰ বাবে ৰৈ থাকিল। বহু সময় ৰৈ ৰৈ টমৰ অশান্তিৰ সীমা নোহোৱা হ'ল। চিলমিলকৈ অলপ টোপনি আহোঁতেই সি বৰ কৰুণ সুৰত মতা এটা মেকুৰীৰ মাত শুনিবলৈ পালে। ততালিকে সি কাপোৰ-কানি পিন্ধি খিৰিকিৰে ওলাই ঘৰৰ চালৰ ওপৰত উঠি আঠুকাঢ়ি যাবলৈ ধৰিলে। গৈ থাকোঁতেই সি উত্তৰ স্বৰূপে চুবাৰমান মেকুৰীৰ দৰে 'মিউ মিউ' ক'ৰিলে। ঘৰৰ চালৰ ওপৰৰ পৰা টম সিহঁতৰ খৰি থোৱা ঘৰটোৰ চালৰ ওপৰত জপিয়াই পৰিল আৰু তাৰপৰা একেবাৰে মাটিত। হাক্ল্‌বাৰি ফিনে তাৰ মৰা মেকুৰীটো হাতত লৈ ওচৰতে ৰৈ আছিল। লৰাদুজনে যাবলৈ আৰম্ভ কৰিলে আৰু আধা ঘণ্টাৰ ভিতৰতে সিহঁত কবৰখানাৰ ওখ ওখ বনবোৰৰ মাজ পালেহি।

গছবোৰৰ মাজেৰে মৃদু এছাটি বতাহ বলিছিল। টমৰ ভাব হ'ল যে হয়তো মৰা মানুহৰ আত্মাবোৰে সিহঁত কবৰখানালৈ অহা বাবে তেনেকৈ প্ৰতিবাদ কৰিছে। লৰাদুজনে ভয়তে বিশেষ কথা-বতৰা পতা নাছিল। নতুনকৈ খন্দা কবৰটোৰ মাত্ৰ কেই হাত মান আঁতৰত থকা তিনিজোপা বিৰাট গছৰ মাজত দুয়ো লুকাই থাকিল।

চাৰিওফালে নিস্তব্ধতা। এই নিস্তব্ধতা ভঙ্গ কৰিছিল মাথোন দূৰৈৰ পৰা অহা এটা ফেঁচাৰ চিএঞৰে। বহুতো বেয়া চিন্তাই টমৰ মনটো আৱৰি ধৰিলে। সি কথা পাতিবৰ মন কৰি ফুচ্‌ফুচাই হাক্ল্‌বাৰিক ক'লে—

"এই হাক্, তই জানো ভাব যে মৰা মানুহবোৰে আমি এনেকৈ ইয়ালৈ অহাটো ভাল পাইছে ?"

"কি জানো ভাই, কব নোৱাৰোঁ। চাৰিওফালে বৰ নিজম, নহয় জানো ?"

"ওঁ তো!"

অলপ পৰ মনে মনে থাকি টমে আকৌ ফুচ্‌ফুচাই ক'লে—

"হাক্, আমি কথা পতা হছ্ উইলিয়ামছে শুনিছেনে বাৰু ?"

"নিশ্চয় শুনিছে। অন্ততঃ তেওঁৰ আত্মাটোৱে শুনি আছে।" অলপ বৈ টমে ক'লে—

"বোধহয় মই মিষ্টাৰ উইলিয়ামছ বোলাহে ভাল আছিল। কিন্তু মইতো কাকো অপমান কৰিবলৈ তেনেকৈ কোৱা নাছিলোঁ। সকলোৱেতো তেওঁক 'হছ' বুলিয়েই মাতি ছিল।"

"ধেৎ টম, মৰা মানুহৰ কথা কওঁতে কোনেনো বাৰু ইমান কথা ভাবে।"

লৰা দুজনৰ কথা-বতৰা আকৌ বন্ধ হ'ল। অলপ পিছতে টমে তাৰ লগৰীয়াজনৰ বাহুত ধৰি শব্দ কৰিলে—

"চু...চ...চ"

"কি, কি হ'ল টম্ ?"

"সেইয়া, আকৌ। তই শুনা নাই জানো ? সেইয়া, শুন।"

"উঃ ৰাম! টম, তেওঁলোক আহিবলৈ ধৰিছে। নিশ্চয় আহিবলৈ ধৰিছে। আমি কি কৰোঁ বাৰু ?"

"কব নোৱাৰো।...তেওঁলোকে আমাক দেখিব নেকি ?"

"ওঁ টম, তেওঁলোকে এন্ধাৰতো দেখা পায়—ঠিক মেকুৰীৰ দৰে। উঃ, মই নাহিলেই ভাল আছিল।"

"ভয় নকৰিবি। মোৰ বিশ্বাস তেওঁলোকে আমাৰ একো অনিষ্ট নকৰে। আমিতো তেওঁলোকৰ একো অনিষ্ট কৰা নাই। আমি যদি লৰচৰ নকৰাকৈ বৈ থাকোঁ তেন্তে তেওঁলোকে হয়তো আমাক লক্ষ্য নকৰিবও পাৰে।"

"মই বাৰু চেষ্টা কৰিম টম্। কিন্তু, উঃ ৰাম, মোৰ যে কি কঁপনি উঠিছে।"

কবৰখানাৰ সিটো মূৰৰ পৰা কাবোবাৰ মাতৰ শব্দ ভাঁহি আহিল। টমে ফুচ্ ফুচাই ক'লে—

"চা, সৌৱা চা। কি বাৰু সেইটো ?"

"উঃ, সেইটো ভূতৰ জুই। কি হব এতিয়া, টম ?"

এন্ধাৰৰ মাজেৰে অস্পষ্ট ভাবে কেইজনমানক আগুৱাই অহা দেখা গ'ল। তেওঁলোকৰ হাতত আছিল এটা পুৰণি ধৰণৰ লেম্প্। হাক্ল্‌বাৰিয়ে এটা জিকাৰ খাই ফুচ্‌ফুচাই ক'লে—"সেইবোৰ ভূত হয়, নিশ্চয় ভূত। তিনিটা! উঃ বাম, টম আমাৰ কালে আজি হ'ল আক।"

"তই ভয় নকৰিবিচোন। তেওঁলোকে আমাৰ একো অনিষ্ট নকৰে।"

"ইহু...হু...হু।"

"কি হ'ল হাক্ ?"

"সেইবোৰ ভূত নহয় অ'। মানুহ। অন্ততঃ তাৰে এজন নিশ্চয় মানুহ। মই মাফ্ পটাৰৰ মাতটো ধৰিব পাৰিছোঁ নহয়।"

"ধেৎ নহয়, হয় জানো।"

"মই বাজী মাৰি কব পাৰোঁ, হয়। ৰ, তই এতিয়া লৰচৰ নকৰিবি। সি আমাক দেখা নাপাবও পাৰে। আগৰ দৰে মদ খাই টং হৈ আছে কিজানি—কটা মদাহী।"

"সোৱা সিহঁত আহি পালেই। ৰ'ল দেখোন। কিবা বিচাৰিছে—আকৌ আহিবলৈ ধৰিছে। এই হাক্, মই আৰু এজনৰ মাত বুজি পাইছোঁ—ৰেড ইণ্ডিয়ান জোৰ মাত।"

"ঠিক কৈছ, সেই কটা খুনী অসভ্যটোৰেই হয়। উঃ বাম, ইয়াতকৈ ভূতে লগ পোৱা হলেই ভাল আছিল। টম, সিহঁত বাৰু ইয়ালৈ আহিছে কিয় ?"

লৰা দুজনৰ ফুচফুচনি একেবাৰে বন্ধ হৈ গ'ল, কাৰণ মানুহ তিনিজন আহি কবৰটোৰ ওচৰতে সিহঁত লুকাই থকা ঠাইৰ পৰা মাত্ৰ কেইহাতমান আঁতৰত থিয় দিলেহি।

তৃতীয় মানুহজনে ক'লে—"এইয়া, এইটো কবৰ।" লেমৰ পোহৰত দেখা গল যে তৃতীয়জন হৈছে ডাক্তৰ ৰবীন্‌চন্।

পটাৰ আৰু ৰেড্ ইণ্ডিয়ান জোই এখন চাং কঢ়িয়াই আনিছিল।

চাংখনত আছিল এডাল জৰী আৰু কেইখনমান কোৰ। সিহঁতে কবৰটো খন্দাত লাগি গ'ল। ডাক্তৰে ক'লে—"সোনকাল কৰ। জোন ওলাবৰ হলেই।"

অইন দুজনে উগুৰত কিবা এটা কৈ কবৰটো খান্দি যাবলৈ ধৰিলে। বহুপৰ কোৰেৰে মাটি খন্দাৰ শব্দৰ বাহিৰে অইন একো শব্দ শুনা নগল। অৱশেষত এখন কোৰ মৰাশটো থোৱা কাঠৰ কফিনটোত লাগিলগৈ। লগে লগেই মানুহ দুজনে কফিনটো মাটিৰ ওপৰলৈ ডাঙি আনিলে। সিহঁতে কফিনটোৰ মুখখন খুলি মৰাশটো উলিয়াই মাটিত পেলাই থলে। চাংখন সাজু কৰা হ'ল আৰু তাৰ পিছত মৰাশটো তাৰ ওপৰত থোৱা হ'ল। তাৰ পিচত পটাৰে ডাক্তৰক কলে—"আমি সকলো ঠিক কৰি দিছোঁ। তুমি এতিয়া আমাক আৰু পাঁচ টকা দিয়া। নহলে মৰা শ ইয়াতে পৰি থাকিব।"

"ঠিকেই কৈছে"—ৰেড্ ইণ্ডিয়ান্ জোই মাত লগালে।

"চা, এইবোৰ তইঁতে কি কৈছ?" ডাক্তৰে ক'লে। "তইঁতক মজুৰী আগতে লাগে বুলি কৈছিলি; আৰু মইতো দিয়েই দিছোঁ।"

তেতিয়া ৰেড্ ইণ্ডিয়ান জোৱে আগুৱাই আহি ডাক্তৰক কলে—"পাঁচ বছৰ আগতে মই খাবলৈ কিবা খুজিবলৈ যাওঁতে তই মোক খেদি দিছিলি। তই মোক কৈছিলি মই হেনো কোনো কামৰ মানুহ নহওঁ। মই তেতিয়া শপত খাই কৈছিলো যে মই ইয়াৰ হোৰ তুলিম। তোৰ দেউতাৰে তেতিয়া এইবাৰে মোক "বদমাইছ" বুলি জেঃলৈ পঠিয়ালে। তই ভাবিছ নেকি মই এই সকলোবোৰ কথা পাহৰি গৈছোঁ? ৰেড্ ইণ্ডিয়ানৰ তেজ মোৰ গাত এনেয়ে আছেনে? আজি তোক ঠিক কায়দাত পাইছোঁ, জানি ল, আজি হয় তোৰ, নহয় মোৰ কিবা এটা হৈ যাব।"

ৰেড্ ইণ্ডিয়ান জোই ডাক্তৰৰ মুখৰ আগত ঘোচা দেখুৱাই ভয় খুৱাইছিল। হঠাতে ডাক্তৰে এটা ঘোচা মাৰি ৰেড ইণ্ডিয়ান জোক মাটিত বগৰাই দিলে। মাফ্ পটাৰে হাতৰ ছুৰীখন মাটিত পেলাই দি

ক'লে—"মোৰ বন্দুক নামাৰিবি কিন্তু, কৈ দিছোঁ"। এই বুলি কৈয়েই সি ডাক্তৰক জপটিয়াই ধৰিলে। দুয়োৰে ঘুঁজ-বাগৰ লাগিল। হঠাতে ৰে'ড্ ইণ্ডিয়ান্ জোই জাপ মাৰি থিয় দি উঠি পটাৰৰ ছুৰীখন হাতত লৈ মেকুৰীৰ দৰে বগুৰা বাই যাবলৈ ধৰিলে। এনেতে ডাক্তৰে পটাৰৰ কবলৰ পৰা নিজকে মুক্ত কৰি ওচৰতে পৰি থকা কাঠ এডোখৰ লৈ পটাৰৰ মূৰত মাৰ শোধাই তাক অচেতন কৰি পেলালে। সেই মুহূৰ্ত্ততে ছেগ চাই থকা ৰে'ড্ ইণ্ডিয়ান্ জোই তাৰ ছুৰীখন ডাক্তৰৰ বুকুত বহুৱাই দিলে। ডাক্তৰজন মাটিত পৰি থকা পটাৰৰ ওপৰতে বাগৰি পৰিল আৰু পটাৰৰ গোটেই গাত ডাক্তৰৰ তেজ লাগিল। তেনেতে আকাশত মেঘ আহি জোনটি ঢাকি পেলাই সেই ভয়াবহ দৃশ্যটো নেদেখা কৰি তুলিলে আৰু ভয়ত কঁপি থকা লৰা দুজন তাৰ পৰা যিমান বেগাই পাৰে লৰি পলাল।

অলপ পিছতে জোনটি মেঘৰ আঁৰৰ পৰা ওলাই আহিল। ৰে'ড্ ইণ্ডিয়ান্ জোই ডাক্তৰৰ জেপত যি যি আছিল সকলো ললে। ইয়াৰ পাছত সি সেই ভয়ানক ছুৰীখন লৈ পটাৰৰ খোলা সোঁহাতখনত সুমুৱাই দি ওচৰতে থকা কফিনটোৰ ওপৰত বহি থাকিল। অলপ পৰৰ পিছতে পটাৰে লৰচৰ কৰিবলৈ ধৰিলে। তাৰ হাতত ছুৰীখন থকা পটাৰে গম পালে আৰু হাতখন তুলি ধৰি ছুৰীখন দেখা পোৱা মাত্ৰকে এটা চিঞৰ মাৰি মাটিত পেলাই দিলে। বিবুদ্ধি হৈ পটাৰে ইফালে-সিফালে চাবলৈ ধৰিলে। এনেতে সি জোক্ দেখিলে।

"উঃ, এইটো কেনেকৈ হ'ল অ' জো ?"

"বৰ বেয়া কথা হ'ল। তই বাৰু কিয় কৰিলি এইটো ?"

"মই! মই কেতিয়া কৰিলোঁ ?"

"চা, তেনেকৈ কৈ কিবা লাভ হব জানো ?"

মাফ্ পটাৰ কঁপিবলৈ ধৰিলে। তাৰ মুখ শেঁতা পৰিল।

"উস্, মই ভাবিছিলো যে মই হুচত আছোঁ। আজি ৰাতি কিয় যে মদ খাইছিলোঁ! সকলো গোলমাল হৈ গৈছে—মোৰ একোকে

মনত নপৰে। জো তই সঁচাকৈ কচোন মইয়ে এইটো কৰিছোনে? মইতো কেতিয়াওঁ কৰিব খোজা নাছিলো; শপত খাই কৈছো জো। বাৰু জো, কেনেকৈ এইটো হবলৈ পালে মোক ক-চোন। উঃ কি ভয়ঙ্কৰ—এনে সুন্দৰ ডেকা মানুহজন।"

"কেনেকৈ আৰু—তহঁত দুয়ো যুজ কৰি আছিলি। ডাক্তৰে এটা কাঠ লৈ তোক মাৰ শোধালে, তই বাগৰি গলি। অলপ পিছতেই তই উঠিলি, ছুৰীখন হাতত ললি; ডাক্তৰে তোক আৰু এটা মাৰ মৰাৰ লগে লগেই তই ছুৰীখন ডাক্তৰৰ বুকত বহুৱাই দিলি। ডাক্তৰৰ সেই মাৰৰ লগে লগেই তই ইয়াত অজ্ঞান হৈ পৰি আছ।"

"উঃ, মই কি কৰিছিলো মই নিজেই কব নোৱাৰোঁ। উস্, যদিহে মই এইটো কৰিছো তেন্তে এই মুহূৰ্ত্ততে মোৰ মৰণ হওক। সকলোৰে গুৰি হৈছে মই মদ খোৱাটো। জো, জীৱনত মই কেতিয়াত ছুৰী মৰা নাই। কাঁজিয়া অৱশ্যে বহুত কৰিছোঁ, কিন্তু ছুৰী কটাৰীৰে নহয়। জো, তই এই বিষয়ে কাকো নকবি দেই। তোক মই সদায় ভাল পাইছিলো; তোক মই বহুদিন বিপদত ৰক্ষা কৰিছোঁ। তোৰ মনত নাই জানো জো? তই কাকো নকৱ, নহয় জানো, জো?"

বেচেৰা দুৰ্ভগীয়াটোৱে আচল হত্যাকাৰীৰ ওচৰত আঠু লৈ তাৰ হাত দুখন সাৱটি ধৰিলে।

"তই মোক সদায় সহায় কৰিছ মাফ্ পটাৰ্। গতিকে তোক মই নিশ্চয় বচাম।"—ৰে'ড্ ইণ্ডিয়ান জোই ক'লে।

"উঃ, তই যে ইমান ভাল।" এইবুলি পটাৰে কান্দিবলৈ আৰম্ভ কৰিলে।

"এৰ এৰ, এতিয়া কন্দা এৰ। তই সেইফালে যা; আৰু মই এই বাটে যাওঁগৈ। যা, পলম নকৰিবি।"

পটাৰে লাহে লাহে অলপ দূৰ আগুৱাই গৈ লৰিবলৈ আৰম্ভ কৰিলে। ৰেড্ ইণ্ডিয়ান জোই তাৰ ফালে অলপ পৰ চাই থাকি নিজকে নিজে ক'লে—

"তাৰ যদি সঁচাকৈয়ে মদৰ নিছা লাগিছে তেন্তে ছুৰীখন যে ইয়াতে পৰি থাকিল এই কথা তাৰ বহু সময়লৈকে মনত নপৰিব আৰু যেতিয়া তাৰ মনত পৰিব, তেতিয়া সি ছুৰীখন নিবলৈ ইয়ালৈ অকলে আহিবলৈ ভয় কৰিব—কটা কাপুৰুষ।"

অলপ পিছত মৃত মানুহজন, মৰাশটো আৰু ঢাকনি খোলা কফিনটো চাবলৈ জোনটোৰ বাহিৰে তাত আৰু কোনো নাথাকিল। আকৌ চাৰিও ফালে নিস্তব্ধতা বিৰাজ কৰিবলৈ ধৰিলে।

---

( ৮ )

লৰা দুজনে ভয়ত মাত বোল হেৰুৱাই সিহঁতৰ গাৱঁৰ পিনে যিমান বেগাই পাৰে লৰি থাকিল। দুয়োৰে খুব ভাগৰ লাগিছিল। টমে কোনোমতে কলে "উস্, কোনোমতে আমি যদি সেই পুৰণি চামৰাৰ কাৰখানাটো গৈ পাবগৈ পাৰোঁ। মই আৰু দৌৰিব নোৱাৰা হৈছো।"

ক্ৰমে দুয়ো গৈ কাৰখানাটোৰ ওচৰ চাপিল আৰু খোলা দুৱাৰৰ মাজেৰে গৈ কাৰখানাৰ ভিতৰ সোমাল। লাহে লাহে সিহঁতৰ ভাগৰ কমি আহিল আৰু টমে ফুচফুচাই সুধিলে—

"হাক্‌লবাৰী, ইয়াৰ ফলত তই কি হব বুলি ভাব বাৰু ?"

"যদি ডাক্তৰ ৰবীন্‌চন্ মৰে, তেন্তে হত্যাকাৰীৰ ফাঁচী হব।"

"হব জানো ?"

"হবতো।"

টমে অলপ সময় চিন্তা কৰি ক'লে—

"কিন্তু হত্যাকাৰীৰ নাম কোনে ক'ব ? আমি কম জানো ?"

"ইছ, তই কি কৈছ টম ? ধৰ কিবা কাৰণত ৰেড ইণ্ডিয়ান জোৰ ফাঁচী নহ'ল, তেতিয়া জানো সি আমাক সুদাই এৰিব ?"

"ময়ো ঠিক তাকেই ভাবিছিলো, হাক্।"

"যদি কব খোজে মাফ্ পটাবেই কওক। পাছে সি আকৌ সদায় মদ খাই টং হৈ থাকে নহয়।"

টমে একো নকলে। সি ভাবিয়েই থাকিল। অলপ পিছত সি ক'লে—"হাক্! মফ পটাৰেতো এই বিষয়ে একো নাজানে। সি তেনেহলে কেনেকৈ কব ?"

"সি আকৌ নাজানিব কিয় ?"

"কেনেকৈ জানিব ? জোই কামটো কৰাৰ আগতে ডাক্তৰে এটা মাৰ মাৰি পটাৰক অজ্ঞান কৰি দিয়া নাছিল জানো ? সি নো তেন্তে কেনেকৈ জানিব ?"

"ইছ্ হয়তো !"

"আৰু তাৰোপৰি ডাক্তৰৰ মাৰ খাই পটাৰোতো মৰি যাব পাৰে ?"

"নাই, মৰা নাই, বোধ হয়।"

অলপ পৰ বৈ টমে আকৌ কলে—

"হাক্, তই জানো কাকো একো নোকাৱাকৈ থাকিব পাৰিবি ?"

"চা, টম্, আমি মনে মনে থাকিবই লাগিব। তয়ো সেইটো ভালকৈ জান। সেই ৰেঁড্ ইণ্ডিয়ানটোক যদি ফাঁচীত দিয়া নহয় আৰু সি যদি আমাক মাৰিব খোজে তেন্তে আমাক সি মেকুৰী পোৱালীৰ দৰে পানীত ডুবাই অনায়াসে মাৰিব পাৰিব। টম্, আমি কাকো একো নকওঁ বুলি শপত খাওঁ আহ।"

"ঠিক আছে হাক্। মই মান্তি আছোঁ। আমি মাথোন দুয়ো দুয়োৰে হাতত ধৰি শপত খাম নে যে......"

"ধেৎ নহয়। তেনেকৈ সৰু সুৰা কথাতহে শপত খাব পাৰি। বিশেষকৈ ছোৱালীবোৰেহে তেনেকৈ শপত খায়। কিন্তু এনেকুৱা এটা মস্ত ডাঙৰ কথাৰ বাবে দস্তুৰ মত লিখা-পঢ়া হব লাগিব। সেয়ে অকল নহয়, তেজেৰে চহী দিব লাগিব।"

টমে সৰ্ব্বান্তঃকৰণে হাকৰ প্ৰস্তাৱটি সমৰ্থন কৰিলে। এতিয়া সি ওচৰতে পৰি থকা পাইন গছৰ সৰু ঠেঙুলী এটা তুলি ললে আৰু জেপৰ পৰা এটুকুৰা ৰঙা খড়িমাটিৰ দৰে বস্তু উলিয়াই জোনৰ পোহৰত কোনোমতে এই কথাখিনি লিখিলে—

"হাক্ ফিন্ আৰু টম ছয়াৰে শপত খাইছে
যে সিহঁতে এই বিষয়ে নিমাত থাকিব আৰু
দুয়ো এইটোকে ইচ্ছা কৰে যে যদি সিহঁতে
এই বিষয়ে কাৰোবাক কয় তেন্তে সিহঁত
যেন সেই ঠাইতে মৰি পৰি থাকে আৰু
তাতেই গেলি পচি যায়।"

হাক্লবেৰিয়ে টমৰ ভাষা-জ্ঞান আৰু লিখাৰ শক্তি দেখি মুগ্ধ হৈ গ'ল। সি ততালিকে তাৰ কোটৰ কলাৰৰ পাছফালে লগোৱা এটা পিন্ উলিয়াই লৈ আঙুলি এটাত বিন্ধিবলৈ ওলাল। তাকে দেখি টমে কৈ উঠিল—

"এই হাক্, ৰ। এই পিনটো পিতলৰ নহয় নে? পিতলৰ পিনত "ভাৰ্দিগিজ" থাকিব পাৰে।"

"ভাৰ্দিগিজ আকৌ কি?"

"এক প্ৰকাৰ বিষ, সাংঘাতিক বিষ। এবাৰ মুখলৈ গলে গম পাবি।"

টমে বেজী এটা উলিয়ালে। বেজীটোৰে দুয়োজনে সিহঁতৰ বুঢ়া আঙুলিৰ মূৰত বিন্ধি চেপি চেপি অলপ তেজ উলিয়ালে।

বহুত বাৰ চেপাৰ পাচত টমে তাৰ নামৰ আদ্যক্ষৰ দুটা লিখিবলৈ সক্ষম হ'ল। ইয়াৰ পিছত সি হাক্লবেৰী-ফিনক কেনেকৈ তাৰ নামৰ আদ্যক্ষৰ "H" আৰু 'F' লিখিব লাগে তাকে দেখুৱালে, কাৰণ হাকে পঢ়া-শুনা অকনো নাজানিছিল। এতিয়া সিহঁতৰ শপত গ্ৰহণ সম্পূৰ্ণ হ'ল।

"টম, আমি কাকো একো নকওঁ, নহয় জানো?"—হাক্লবেৰীয়ে সুধিলে।

"নিশ্চয় নকওঁ। যিয়েই নঘটক লাগে, আমি মনে মনে থাকিম। তাকে নকৰিলে আমি সেই ঠাইতে মৰি পৰি থাকিম—তোৰ এইটো মনত নাথাকে জানো?"

"ওঁ আমিতো এইমাত্ৰ সেই দৰেই শপত খালোঁ।"

এইদৰে আৰু অলপ পৰ তাত কথা-বতৰা পাতি লৰা দুজনে পৰস্পৰৰ পৰা বিদায় ললে। টমে যেতিয়া খিৰিকিখনেৰে তাৰ কোঠাত সোমাল তেতিয়া ৰাতি প্ৰায় শেষেই হৈছে। সি খুব সাৱধানে তাৰ কাপোৰ সলাই বিচনাত দীঘল দি পৰিল।

পাছদিনা ৰাতিপুৱা সি বেজাৰ মনেৰে স্কুললৈ গ'ল। স্কুল গৈ পায়ে সি আগদিনা স্কুলৰ পৰা পলোৱা বাবে জো হাৰ্পাৰৰ সৈতে একেলগে মাষ্টৰৰ মাৰ খালে। মাৰ খাই উঠি টম্ গৈ তাৰ নিজ বেঞ্চত বহি দুয়ো হাতৰ ওপৰত মুখখন থৈ একেথৰে বেৰৰ পিনে চাই বহি থাকিল।

---

( ৯ )

দুপৰীয়াৰ লগে লগে গোটেই গাওঁখন হত্যাকাণ্ডৰ খবৰ পাই জাগি উঠিল। সেই সময়ত টেলিগ্ৰাফ নহলেও ইজনৰ পৰা সিজন, ইদলৰ পৰা সিদল, ইঘৰৰ পৰা সিঘৰ কৰি টেলিগ্ৰাফতকৈ অলপহে মাথোন বেছি সময়ৰ ভিতৰত খবৰটো গোটেই গাওঁখনতে বিয়পি পৰিল। স্কুল মাষ্টৰজনেও পাছবেলাৰ বাবে স্কুল ছুটি দিলে। মৃতদেহটোৰ কাষত এখন ছুৰী পাইছে বুলি আৰু ছুৰীখন মাফ পটাৰৰ বুলি গোটেই গাৱঁতে ফুটি ফাটি গ'ল। তাৰোপৰি এইটোও কোৱা শুনা গ'ল যে কোনোবাই হেনো ৰাতি দুইমান বজাত মাফ পটাৰক খাল এটাত হাতভৰি ধুই থকা দেখিছিল আৰু মানুহজনক দেখামাত্ৰকে হেনো মাফ পটাৰ সন্দেহজনকভাৱে আঁতৰি গৈছিল।

গোটেইখন গাৱঁৰে মানুহৰ সোঁত বৈছিল কবৰখানাৰ ফালে। টমৰ মনৰ বেজাৰ ক'ৰবালৈ গ'ল। সিও শোভাযাত্ৰাত যোগ দিলেহি। কিবা এটা দুৰ্ব্বাৰ কৌতুহলে যেন তাক কবৰখানাৰ পিনে টানিলৈ গ'ল। কবৰখানাত উপস্থিত হৈ সি মানুহৰ মাজেৰে সৰকি গৈ গৈ সেই ভয়াবহ দৃশ্যটো দেখিলে। তেনেতে কোনোবাই তাৰ বাহুত চিকুটিলে; সি ঘূৰি চালে। তাৰ চকু পৰিল হাক্ল্‌বাৰিৰ চকুৰে চকুৰে। ততালিকে দুয়ো মুখ ঘূৰাই আকৌ দুফালে চাবলৈ ধৰিলে আৰু

ভাবিবলৈ ধৰিলে কোনোবাই সিহঁতক এইদৰে চকুৱে চকুৱে চোৱা দেখিলে নেকি ? কিন্তু সকলোৱে এই ভয়াবহ হত্যাকাণ্ডটো লৈ কথা-বতৰা কোৱাতে ব্যস্ত আছিল। গতিকে কোনেও লক্ষ্য নকৰিলে।

"ইচ্ বেছেৰা, ইচ্ বেছেৰা, এনে ডেকা ল'ৰাজন; কবৰ খান্দি চুৰ কৰিবলৈ অহা মানুহবোৰৰ বাবে এইটো এটা ভাল শিক্ষা হব।" "ধৰা পৰিলে মাফ পটাৰ ইয়াৰ বাবে জেললৈ যাব লাগিব।" — ইত্যাদি কথাবোৰ মানুহবোৰে কৈ আছিল।

টমৰ মূৰৰ পৰা ভৰিলৈকে গাটো এবাৰ জিকাৰ খাই উঠিল; কাৰণ তাৰ চকু পৰিছিল ৰেড্ইণ্ডিয়ান জোৰ নিৰ্বিকাৰ মুখৰ ওপৰত। এনেতে কেইবাজনেও একেলগে চিঞৰি উঠিল—"সৌৱা সি আহিছেই।"

"কোন ? কোন আহিছে"—আন কেইজননাে চিঞৰিলে। "মাফ পটাৰ।"

মানুহবোৰে অলপ আঁতৰি দিলে আৰু কোনোবা এজনে বাহু এটাত ধৰি তাক সেই ঠাইলৈ আগুৱাই লৈ আহিল। মৃতদেহৰ সন্মুখত উপস্থিত হৈ মাফ পটাৰ মৃগী হোৱা মানুহৰ দৰে কপিবলৈ ধৰিলে আৰু দুয়োহাতেৰে মুখখন ঢাকি কান্দি উঠিল।

কান্দি কান্দি সি কলে—"মই এইটো কেতিয়াও কৰা নাই; শপতখাই কৈছোঁ। এইটো মোৰ কাম নহয়।"

"তোক কোনে দোষী বুলি কৈছে ?" কোনোবা এজনে চিঞৰি উঠিল।

"জো, তই প্ৰতিজ্ঞা কৰিছিলি যে তই কেতিয়াও......"

"এইখন তোমাৰ চুৰী হয়নে ?" বুলি কোনোবা এজনে মৃতদেহৰ কাষত পোৱা চুৰীখন মাফ পটাৰৰ মুখৰ আগলৈ আনিলে।

মানুহবোৰে ধৰি বহুৱাই নিদিয়া হলে মাফ পটাৰ তেতিয়াই মাটিত বাগৰি পৰিলহেঁতেন। শক্তিহীন হাত এখন জোকাৰি ভাঙি পৰা মানুহ এজনৰ দৰে পটাৰে ক'লে—"কৈ দে জো, সকলো কথা এওঁলোকক কৈ দে।

তেতিয়া হাক্‌ৰাৰী আৰু টমে একেথৰে চাই থাকি মিছলীয়া জোৰ বক্তব্য শুনি গ'ল। সিহঁতে প্ৰত্যেক মুহূৰ্ত্ততে আশা কৰিছিল যে এনেকুৱা মিছা কথা কোৱা কাৰণে হয়তো এতিয়াই মুক্ত আকাশৰ পৰা ঈশ্বৰৰ বজ্ৰপাত আহি ৰেড্ইণ্ডিয়ান্ জোৰ ওপৰত পৰিব। শপত ভাঙি সকলো কথা কৈ দিয়াৰ ক্ষীণ ইচ্ছা এটিও সিহঁতৰ মনলৈ আহিছিল। কিন্তু একেবাৰে মিছাকথা কৈয়ো ৰেড্ইণ্ডিয়ান্ জো সুস্থ মানুহৰ দৰে জীয়াই থকা দেখি সিহঁতৰ সেই ক্ষীণ ইচ্ছাও আঁতৰি গ'ল। সিহঁতৰ দৃঢ় বিশ্বাস হ'ল যে এই বদমাইচ ৰেড্ইণ্ডিয়ান্‌টোৱে নিজকে চয়তানৰ ওচৰত বিক্ৰী কৰিছে। সিহঁতে থিৰ কৰিলে যে এনে এজন ভয়ঙ্কৰ মানুহৰ লগত গণ্ডগোল কৰাটো বৰ ভাল কথা নহব।

অলপ সময়ৰ পাছতে ৰেড্ ইণ্ডিয়ান্ জোই নিয়মানুসাৰে শপত খাই আকৌ তাৰ বক্তব্য কলে। ঈশ্বৰে তেতিয়াও তাক বজ্ৰপাত নমৰা দেখি সিহঁতৰ আৰু সন্দেহ নাথাকিল যে জোই নিজকে চয়তানৰ ওচৰত বিক্ৰী কৰিছে। জো এতিয়া সিহঁতৰ মনত এটা চাবলগীয়া বস্তু হৈ পৰিল আৰু সিহঁতে জোৰ মুখৰ পৰা দৃষ্টি আঁতৰাব নোৱাৰিলে। সিহঁতে মনে মনে ঠিক কৰিলে যে জোৰ গৰাকী অৰ্থাৎ চয়তানৰ দেখা পাবলৈ সিহঁতে জোক ৰাতি ৰাতি লক্ষ্য কৰিব।

---

## (১০)

সেই দিনাখন টমৰ মনটো বৰ ভাল নহয়। সি নিজকে বৰ নিঃসঙ্গ আৰু কোনেও ভাল নোপোৱা লৰা এটা বুলি ভাবিবলৈ ধৰিলে। টমে এই গাঁও আৰু অইন সকলোকে এৰি থৈ কৰবালৈ গুচি যোৱাটোকে থিৰ কৰিলে। কথাটো ভাবি তাৰ কান্দোন ওলাল।

ঠিক তেনেতে তাৰ অন্তৰঙ্গ বন্ধু জো হাৰ্পাৰে অন্তৰত কিবা এটা গধুৰ বোজা লৈ তাৰ ওচৰত উপস্থিত হলহি। টমে কামিজৰ হাতত চকু মচি গাওঁ এৰি গুচি যোৱাৰ কথা আৰু কোনোদিনেই গাৱঁলৈ উভতি নহাৰ কথা জোক কলে। সি জোক আৰু ক'লে যে জোই যেন তাক পাহৰি নাযায়।

কিন্তু অলপ পাছতে ওলাই পৰিল যে গাওঁ এৰি তাৰ সৈতে পলাই যাবলৈ টমক অনুৰোধ ক'ৰিবলৈহে জো সেই ঠাইলৈ আহিছিল।

তাৰ মাকে হেনো সেইদিনা তাক গাখীৰৰ সৰ খোৱা বুলি মিছাতে খুব মাৰিলে। আচলতে সি হেনো সৰ খোৱা নাই, আনকি দেখাও নাই। জোৰ মতে মাকে হেনো তাক সমূলি ভাল নাপায় আৰু সি গুচি গলেই হেনো মাকে ভাল পায়। যদিহে মাকে সি গুচি গলেই ভাল পায়, তেন্তে সি গুচিয়ে যাবগৈ।

দুয়োজনে এতিয়া নতুনকৈ প্ৰতিজ্ঞা কৰিলে যে মৃত্যু আহি দুয়োৰো মাজত বিচ্ছেদ ননালৈকে কোনেও কাকো এৰা নিদিয়ে। ইয়াৰ পাচত দুয়ো দুয়োৰে মতলবৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। জোৰ আছিল সন্ন্যাসী হবৰ মন। ক'ৰবাৰ পাহাৰৰ গুহা এটাত থাকি সামান্য ৰুটি খাই জীৱন ধাৰণ ক'ৰব আৰু তেনেকৈয়ে দাৰিদ্ৰ্য আৰু শোকত জৰ্জৰিত হৈ এদিন তাৰ মৃত্যু হব। কিন্তু টমৰ জলদস্যু হোৱাৰ আঁচনি শুনাৰ পিচত সি মানি ললে যে জলদস্যু হোৱাত হে বেছি আনন্দ। গতিকে অৱশেষত সি জলদস্যু হোৱাটোতে মত দিলে।

চেণ্ট পিটাৰ্ছবাৰ্গৰ পৰা তিনিমাইল ভাটীত য'ত মিচিচিপি নদী এমাইলতকৈ অলপ বেছি বহল, তাতে এটা হাবিৰে ভৰা দীঘল ঠেক মাজুলি আছিল। দ্বীপটোৰ এমূৰত পাৰলৈ আহিব পৰাকৈ একেবাৰে বাম পানীও আছিল। এই দ্বীপটোৱেই টম্ আৰু জোৰ মনত উত্তম স্থান যেন লাগিল। দ্বীপটোত কোনো মানুহেও বাসকৰা নাছিল—। গতিকে এই জেকৃছনৰ দ্বীপ নামৰ মাজুলিটোকেই সিহঁতে বাচি ললে। জলদস্যু হৈ কাৰ ওপৰত ডকাইতি ক'ৰব সেইবিষয়ে কিন্তু একো চিন্তা নকৰিলে। ইয়াৰ পাচত সিহঁতে হাক্ল্‌বাৰী ফিনক বিচাৰি উলিয়ালে। হাক্ল্‌বাৰীয়ে তৎক্ষণাৎ সিহঁতৰ দলত যোগ দিলে—কাৰণ ভৱিষ্যতৰ বাবে যি কোনো পথেই তাৰ মনত সমান। এই বিষয়ে সি বৰ বেছি চিন্তা নকৰিলে। অলপ পাচতেই ল'ৰাকেইজনে গাৱঁৰপৰা দুমাইল আতৰত নিৰ্জ্জন ঠাই এডোখৰত লগ হম বুলি থিৰ কৰি ঘৰাঘৰি গ'লগৈ। সেই ঠাইতে

এখন কাঠৰ ভেল আছিল—আৰু সেই ভেলখন সিহঁতে অধিকাৰ কৰি লব বুলি সিদ্ধান্ত কৰিলে। প্ৰত্যেকে মাছ ধৰিবৰ বাবে বৰশীৰ কাইট, সূতা আৰু অইন যি লাগতিয়াল বস্তু পায় তাকেই গুপুতভাবে ডকাইতৰ দৰে চুৰ কৰি আনিবলৈকো মান্তি হ'ল। আবেলিৰ লগে লগে ল'ৰা কেইজনে গোটেই গাৱঁতে প্ৰচাৰ কৰি ফুৰিলে যে অতি সোনকালেই সকলোৱে কিবা এটা ডাঙৰ কথা শুনিবলৈ পাব।

প্ৰায় মাজনিশা টমে সিজোৱা মাংস এটুকুৰা আৰু সৰুসুৰা বস্তু কিছুমান লৈ নিৰ্দ্দিষ্ট ঠাইলৈ আহি জোপোহা এটাৰ আঁৰত লুকাই থাকিল। আকাশত ম'থোন তৰাবোৰ জিলিকি আছিল। চাৰিওফাল নিজম, নিমাত। বিৰাট নৈখন এখন শান্ত মহাসাগৰৰ দৰে শুই আছিল। টমে এবাৰ কানপাতি শুনিবলৈ চেষ্টা কৰিলে কিন্তু কোনো শব্দ নুশুনিলে। তেতিয়া সি এটা দীঘল আৰু স্পষ্ট সুহুৰি মাৰিলে। ওচৰবে পৰা তাৰ উত্তৰত কোনোবাই সুহুৰিয়ালে। টমে আকৌ দুবাৰ সুহুৰিয়ালে আৰু উত্তৰত আগৰ দৰেই কোনোবাই দুবাৰ সুহুৰি মাৰিলে। তেনেতে সিফালৰ পৰা এজনে সুধিলে—

"কোন সেইজন ?"

"টম্-ছয়াৰ, 'স্পেনিছ মহাসাগৰৰ ক'লা প্ৰতিশোধকাৰী'। তোমালোক কোন, উত্তৰ দিয়া।"

"ৰক্তাক্ত হাতৰ হাক্‌ফিন্' আৰু 'সাগৰৰ ভয়ঙ্কৰ' জোহাৰ্পাৰ।"

এই নামবোৰ টমেই তাৰ প্ৰিয় গল্প কিতাপবোৰৰ পৰা যোগাইছিল।

"ঠিক আছে। এতিয়া আমাৰ গুপুত শব্দটো কোৱা।"

দুজনে গম্ভীৰ মাতেৰে একেলগে কৈ উঠিল—"তেজ"

তেতিয়া টম লৰ মাৰি গৈ অইন দুজনৰ লগ লাগিলগৈ।

"সাগৰৰ ভয়ঙ্কৰে" আনিছে এটুকুৰা মাংস। "ৰক্তাক্তহাতৰ ফিনে" চুৰ কৰি আনিছে এখন কেৰাহী আৰু অলপ পাইপত খোৱা ধপাত আৰু লগতে আনিছে পাইপ বনাবলৈ একপ্ৰকাৰ গছৰ ডাল। কিন্তু হাক্‌ফিনৰ বাহিৰে অইন দুজন জলদস্যুৱে হলে ধুমপান নকৰে। "স্পেনিছ

মহাসাগৰৰ কথা প্ৰতিশোধকাৰী"জনে কলে যে জুই অলপ নোহোৱাকৈ সিহঁতে কোনোমতে যাত্ৰা আৰম্ভ কৰিব নোৱাৰে। সেইসময়ত জুইশলাৰ কথা মানুহে বৰকৈ নাজানিছিল। অলপ আতৰতে এখন ভেলৰ ওপৰত জুই একুৰা টিমিক টামাককৈ জ্বলি থকা সিহঁতে দেখিবলৈ পালে। হাতত্সাৰে ভৰিতসাৰে সিহঁত আগুৱাই গ'ল। সিহঁতে ভালদৰে জানিছিল যে ভেলখনত কোনো জনপ্ৰাণী নাই কিন্তু তথাপিও জলদস্যুৰ দৰে সাৱধানে আগুৱাই নগৈ সাধাৰণ মানুহৰদৰে খপং জপংকৈ ভেলত উঠাটো সিহঁতে পচন্দ নকৰিলে।

অলপ পাছতেই সিহঁতে ভেলখনত উঠি যাত্ৰা আৰম্ভ কৰিলে। টমে অধিনায়কত্ব গ্ৰহণ কৰিলে, হাকে পাছফালৰ আৰু জোই আগফালৰ বঠা মাৰিলে। টমে জাহাজ খনৰ মাজভাগত বৰ গম্ভীৰ ভাবে থিয় দি হুকুম দি গ'ল।

ক্ৰমে ভেলখন আহি সিহঁতৰ গাৱঁৰ সম্মুখ পালেহি। গাওঁখনে এই বিৰাট ঘটনাৰ বিষয়ে একো নজনাকৈ শান্তিৰে শুই আছিল। "ক'লা প্ৰতিশোধকাৰী"জনে 'জাহাজৰ' ওপৰত থিয় দি তাৰ সুখ-দুখৰ স্মৃতিৰে ভৰা গাওঁখনৰ পিনে শেষবাৰৰ বাবে একেথৰে চাই আছিল। অইন দুজন জলদস্যুৱেও শেষবাৰৰ বাবে গাওঁখন চাই ললে। ৰাতি প্ৰায় দুইমান বজাত সিহঁতৰ ভেলখন গৈ দ্বীপটোত লাগিলগৈ। সিহঁতে লগত নাৱত তৰা পুৰণি পাল এখন আনিছিল। সেই পালখন জোপোহা কিছুমানৰ মাজত টম্বুৰ দৰে আঁৰি সিহঁতে বস্তুবোৰ থোৱাৰ আয়োজন কৰিলে। ভাল বতৰ থাকিলে জলদস্যুবোৰৰ দৰে সিহঁতেও মুক্ত আকাশৰ তলত শুবলৈকে থিৰ কৰিলে।

এতিয়া লৰাকেইজনে হাবিৰ মাজত একুৰা জুই জ্বলাই ৰাতিৰ আহাৰৰ বাবে সেই জুইত অলপ মাংস ৰান্ধিলে। লগত খাবলৈ অনা কটীৰ আধা ললে। কটী-মাংস খাই উঠি লৰা কেইজনে জুইকুৰাৰ ওচৰত ঘাঁহৰ ওপৰতে দীঘল দি পৰিল।

"ৰ'ডিয়া লাগিছে নহয় ?" জোই কলে।

"কব লাগিছেনে আৰু।" টমে সমিধান দিলে।

"আমাক এনেকৈ দেখিলে বাক আমাৰ লগৰ অইন ল'ৰাবোৰৰ কেনে লাগিব ?"

"কেনে লাগিব আৰু ? সিহঁতে আমাৰ লগ লাগিবলৈ আৰু কিযে নকৰিব। নহয় জানো ? তই কি কয় হাক্‌ ?"

"নিশ্চয়, নিশ্চয়। যিয়েই কি নহওক মোৰ কিন্তু বঢ়িয়া হৈছে। মোক আৰু ইয়াতকৈ বেচি একো নালাগে। খাবলৈতো আগতে একো নাপাইছিলোৱেই ; আৰু এতিয়া মোক ইয়াত গালি শপনি পাৰিবলৈ বা খেদি দিবলৈকো কোনো নাই ; মোৰে বঢ়িয়া হৈছে।"

"ময়ো ঠিক ইয়াকেই বিছাৰিছিলোঁ,"—টমে কলে। "ৰাতি পুৱাতে বিছনাৰ পৰা উঠিব নেলাগে, স্কুললৈ যাব নেলাগে, গা ধুব নেলাগে, আৰু কিমান মজা।" টমে আকৌ কলে—"চা জো, জলদস্যুবোৰে মাটিত থাকিলে বিশেষ একো কৰিব নেলাগে, অৱশ্যে সাগৰত থাকিলে বেলেগ কথা। কিন্তু সন্ন্যাসীয়ে কত, কি কৰিব লাগে ভাবি চাচোন —প্ৰাৰ্থনাতো এসোপা কৰিব লাগিবই, কোনোৰকমৰ স্ফুৰ্ত্তি-তামাচাও কৰিব নোৱাৰে আৰু তাৰোপৰি একেবাৰে অকলশৰীয়াহৈ থাকিব লাগিব।

"ঠিকেই কৈছ টম"—জোই কলে। কিন্তু তোক যেতিয়া মই সন্ন্যাসী হম বুলি কৈছিলোঁ সেতিয়া মই এইবোৰ চিন্তা কৰি চোৱাও নাছিলোঁ : এতিয়া যি গম পালোঁ, জলদস্যু হোৱা কিন্তু সচাকৈয়ে ভাল।

"তাৰোপৰি চা জো, মানুহবোৰে আজিকালি সন্ন্যাসীবোৰক আগৰ দৰে শ্ৰদ্ধা ভক্তিও নকৰে। কিন্তু জলদস্যু। জলদস্যুক হলে সকলোৱে ভক্তি কৰে। আকৌ, সন্ন্যাসীয়ে টান মাটিত শুব লাগে, বস্তাৰ কাপোৰ পিন্ধিব লাগে, মুৰত ছাই সানিব লাগে, বৰষুণত তিতি থাকিব লাগে। আৰু..."

"সন্ন্যাসীয়ে বাৰু বস্তাৰ কাপোৰ পিন্ধিব আৰু ছাই সানিব লাগে কিয় ?" হাকে প্ৰশ্ন কৰিলে।

"মই অৱশ্যে কব নোৱাৰোঁ, কিন্তু সিহঁতে সদায় সেইদৰেই থাকিব

লাগে আৰু সন্ন্যাসীয়ে সেইদৰে থাকেই। সন্ন্যাসী হলে তয়ো সেইদৰে থাকিব লাগিব।"

"ধেৎ, মই আকৌ সন্ন্যাসী হবলৈ যাম কিয় ?" হাকে কলে।

"কিন্তু ধৰি ল তই কেনেবাকৈ সন্ন্যাসী হলিয়েই, তেতিয়া তই কি কৰিবি বাৰু ?"

"কি কৰিম কব নোৱাৰোঁ। কিন্তু সেই বস্তাৰ কাপোৰ পিন্ধিব আৰু ছাই সানিব হলে নোৱাৰোঁ।"

"কিন্তু হাক্, তইতো তেতিয়া এইবোৰ কৰিবই লাগিব। নহলে কেনেকৈ সন্ন্যাসী হবি ?"

"মোৰ হলে এইবোৰ সহ্য নহব। মই লাগিলে সন্ন্যাসী হোৱাটো এৰি পলায়েই যাম ।"

"পলাই যাবি! হৈছে দে, তই আৰু সন্ন্যাসী হবি হৈছে। তই সন্ন্যাসীৰ বদনামহে আনিবি।"

"ৰক্তাক্তহাত"জনে ইয়াৰ কোনো উত্তৰ নিদিলে কাৰণ ইতিমধ্যে সি অইন এটা ভাল কামত ব্যস্ত হৈ পৰিছিল। সি পাইপটো বনোৱা শেষ কৰি তাত ধপাত ভৰালে আৰু জুইৰ আঙঠা এটুকুৰা তাত লগাই দি এসোপা ধোঁৱা উলিয়াই দিলে। তাৰ মনটো এতিয়া গভীৰ শান্তিৰে ভৰি গ'ল। অইন দুজন জলদস্যুৱে তাকে দেখি হিংসা কৰিবলৈ ধৰিলে আৰু মনে মনে ঠিক কৰিলে যে সিহঁতে পাইপ খাবলৈ শিকিব। অলপ পাছতেই হাকে সুধিলে—

"জলদস্যুবোৰে বাৰু কি কৰিব লাগে ?" টমে উত্তৰ দিলে—

"অ, জলদস্যু খু-উ-ব আৰামত থাকে। কেতিয়াবা জাহাজ আক্ৰমণ কৰি জ্বলাই দি ধন সম্পত্তিবোৰ নি কোনোবা ভয়ানক দ্বীপত লুকুৱাই থয়। সেই ধনসম্পত্তিবোৰ আকৌ ভূতপ্ৰেত আদিয়ে পহৰা দি থাকে। জাহাজ আক্ৰমণ কৰিলে জলদস্যুবোৰে জাহাজৰ সকলো মানুহকে মাৰি পেলায় নহয়।"

"আৰু তিৰোতা মানুহবোৰক সিহঁতে সিহঁতৰ দ্বীপলৈ লৈ যায়"—

জোই ক'লে। "তিৰোতা মানুহক সিহঁতে কাটি নেপেলায়।"

টমে সম্মতি দি ক'লে—"ওঁ, তিৰোতা মানুহক জলদস্যুৱে নামাৰে। সিহঁত বৰ উদাৰ।"

"আৰু সিহঁতে কেনে ধুনীয়া কাপোৰবোৰ পিন্ধে! চাৰিওফালে সোণৰূপ আৰু হীৰা খটোৱা।"—জোই উৎসাহেৰে মন্তব্য কৰিলে।

"কোনে পিন্ধে?"—হাকে সুধিলে।

"কিয়, জলদস্যুবোৰে। আৰু নো কোনে পিন্ধিব?" হাকে বৰ দুখেৰে তাৰ ফটা ছিটা কাপোৰ জোৰলৈ চালে।

"মোৰ বোধেৰে মই জলদস্যুৰ উপযুক্ত সাজ-পাৰ পিন্ধা নাই।" মাতটোত সংসাৰৰ বেজাৰবোৰ লৈ সি ক'লে। "কিন্তু মোৰ যে আৰু ইয়াৰ বাহিৰে অইন কাপোৰ নাই।"

কিন্তু অইন দুজন জলদস্যুৱে তাক বুজালে সে ভাল কাপোৰৰ বাবে সি চিন্তা কৰিব নালাগে। সিহঁতে জলদস্যুগিৰি আৰম্ভ কৰিলেই হাজাৰ হাজাৰ ভাল সাজ-পাৰ অতি সোনকালেই সিহঁতৰ হাতত পৰিবহি। সিহঁতে তাক আৰু ক'লে যে বৰ্ত্তমানৰ বাবে তাৰ ফটা ছিটা কাপোৰ-জোৰেই চলিব; যদিও আচলতে ভাল কাপোৰ বহুতো লৈ ভাল মানুহৰ দৰে জলদস্যুৰ জীৱন আৰম্ভ কৰাটোৱেই নিয়ম।

লাহে লাহে সিহঁতৰ কথা বতৰা কমিল আৰু সেই অকণমান পলৰীয়া ল'ৰা কেইজনৰ চকুলৈ টোপনি নামিল। "ৰক্তাক্ত হাতৰ" হাতৰ পৰা পাইপটো সৰি পৰিল আৰু সি গভীৰ টোপনিত লালকাল হ'ল। "সাগৰৰ ভয়ঙ্কৰ" আৰু "স্পেনিছ মহাসাগৰৰ ক'লা প্ৰতিশোধকাৰীৰ" কিন্তু ইমান সহজে টোপনি নাহিল। সিহঁতে শুই শুয়েই প্ৰাৰ্থনা কৰিলে। কাৰণ আঠু কাঢ়ি প্ৰাৰ্থনা কৰিবলৈ সিহঁতক কবলৈ তাত কোনো নাছিল। আচলতে প্ৰাৰ্থনা কৰিবলৈকে সিহঁতৰ মন নাছিল, কিন্তু তথাপি সিমান দূৰলৈ আগুৱাবলৈ সিহঁতে ভয় কৰিলে। সিহঁতে ভাবিলে যে প্ৰাৰ্থনা নকৰিলে নিশ্চয় সিহঁতৰ ওপৰত ঈশ্বৰৰ পৰা বিশেষ বজ্ৰপাত এটি আহি পৰিব।

দুয়োজনেৰে টোপনি অহাৰ উপক্ৰম হ'ল। কিন্তু হঠাতে সিহঁতৰ বিবেক জাগি উঠি সিহঁতক টোপনি যাবলৈ নিদিলে। দুয়ো মনে মনে ভাবিবলৈ ধৰিলে যে এই দৰে ঘৰৰ পৰা পলাই আহি সিহঁতে অন্যায় কৰিছে। তাৰ উপৰি চুৰ কৰা মাংস আদিৰ কথা ভাবি সিহঁতৰ অশান্তিৰ সীমা নোহোৱা হ'ল।

কিন্তু যিয়েই নহওঁক আটাই কেইজন জলদস্যু লাহে লাহে গভীৰ শান্তিৰে নিদ্ৰা দেবীৰ কোলাত ঢলি পৰিল।

---

( ১১ )

পাছদিনা ৰাতিপুৱা সাৰ পাই উঠি টমে ভাবিবলৈ ধৰিলে সি এতিয়া ক'ত আছে। ক্ৰমে তাৰ সকলো কথা মনত পৰিল। জো আৰু হাক্ তেতিয়াও শুই আছিল। টমে দুয়োকো জগালে। অলপ পাছতে তিনিওজনে কাপোৰ খুলি ওচৰতে থকা বালিৰ চাপৰিটোৰ কম পানীত লৰা ধপৰা কৰি ফুৰিবলৈ ধৰিলে। সিহঁত থকা দ্বীপটোৰ পৰা কিছু দূৰৈত তেতিয়াও শুই থকা গাওঁখনলৈ উলটি যোৱাৰ কথা সিহঁতৰ সমূলি মনলৈ নাহিল।

ল'ৰা কেউজনে অলপ পিছতে আনন্দ মনেৰে আৰু পেটত অসম্ভৱ ভোক্ লৈ সিহঁতৰ "কেম্পলৈ" উভতি আহিল আৰু জুইকুৰা ভালকৈ জ্বলালে। হাকে খাবৰ বাবে মাংস টুকুৰাটুকুৰ কৰি থাকোঁতেই টম অৰু জোই অলপ ৰবলৈ কলে। টম আৰু জো দুয়ো গৈ নৈ-খনৰ ঘুলি এটাত বৰশী পেলালে। ততালিকে সিহঁতৰ বৰশীত মাছ লাগিল আৰু অলপ পাছতে সিহঁতে কেইবাটাও মাছ লৈ কেম্পলৈ উভতি আহিল। মাছ আৰু মাংস ভাজি খাই আকৌ প্ৰত্যেকে গছৰ ছাঁত দীঘল দি পৰিল। হাকে তাৰ পাইপটো উলিয়াই ধূমপান আৰম্ভ কৰিলে। ইয়াৰ পিছত সিহঁত হাবিৰ একেবাৰে সোঁমাজলৈ ফুৰিবলৈ গ'ল।

উভতি আহোঁতে আবেলিয়েই হ'ল। "কেম্প" আহি পোৱাত সিহঁতৰ ইমান ভোক লাগিছিল যে মাছ মাৰিবলৈ যাবলৈ সিহঁতৰ

ধৈৰ্য্য নাথাকিল। মাংস যিখিনি আছিল তাকেই খাই উঠি সিহঁতে আকৌ গছৰ ছাঁত দীঘল দি পৰি কথা পাতিবলৈ আৰম্ভ কৰিলে। কিবা এটি বুজাব নোৱাৰা বাসনাই সিহঁতৰ মনত জুমুৰি দি ধৰিলে। অলপ পিছতহে প্ৰত্যেকে বুজিব পাৰিলে যে ঘৰলৈ মনত পৰি সিহঁতৰ বেয়া লাগিছে। আনকি ৰক্তাক্ত হাতৰ ফিনেও অইনৰ ঘৰৰ দুৱাৰ দলি আৰু খালি গাহৰি গড়াঁলবোৰৰ কথা ভাবিবলৈ ধৰিলে। কিন্তু সিহঁত প্ৰত্যেকেই নিজৰ এই দুৰ্ব্বলতাৰ বাবে লাজ পালে আৰু সেই কাৰণেই কোনেও মুখ ফুটাই এই বিষয়ে একো কবলৈ সাহ নকৰিলে।

বহুত আগৰে পৰা ল'ৰা কেইজনে দূৰৈৰ পৰা কিবা এটি শব্দ আহি থকা গম পাইছিল। লাহে লাহে এই ৰহস্যময় শব্দটো স্পষ্ট হৈ আহিল। সিহঁতে কাণপাতি শুনিবলৈ ধৰিলে। অলপ পিছতে সিহঁত নৈৰ পাৰলৈ লৰ মাৰিলে। নৈৰ পাৰৰ বনবোৰ অলপ আঁতৰাই পানীৰ ওপৰেৰে সিহঁতে চাই পঠিয়ালে। ল'ৰা কেইজনে দেখিলে এখন সৰু জাহাজ নৈৰ সোঁতৰ লগে লগে আহি সিহঁতৰ গাঁৱৰ পৰা প্ৰায় এমাইল মান দূৰ আহি পাইছে। জাহাজখনত মানুহ ভৰা; তাৰ ওচৰে-পাঁজৰে কেইবাখনো নাওঁ ঘূৰি ফুৰিছে। মানুহবোৰে কি কৰিছে সেইটো ল'ৰা কেইজনে বুজিব নোৱাৰিলে। কিন্তু হঠাতে টমে চিঞৰি উঠিল।

"মই এতিয়া বুজিলোঁ। কোনোবা নৈত ডুবিছে।"

"ওঁ, ঠিক কৈছ। কোনোবা ডুবিছে"—হাকে কলে।

"ইছ্, এতিয়া যদি জাহাজনত থাকিলোঁহেতেন।" জোই কলে।

"মোৰ বৰ মন গৈছে জাহাজ খনত উঠিবলৈ।" হাকে কবলাগিলে "কোন ডুবিছে সেইটো জানিবলো মন গৈছে।"

ল'ৰা কেইজনে জাহাজখনলৈ চাই থাকিল। হঠাতে টমৰ মনত এটা চিন্তাই ঢৌ খেলি গ'ল আৰু সি চিঞৰি উঠিল—

"এতিয়া মই জানিব পাৰিলোঁ—আমি, আমিয়েই ডুবিছোঁ! সিহঁতে আমাকেই বিচাৰিছে।"

এক মুহূৰ্ত্তৰ ভিতৰতে ল'ৰাকেইজনৰ নিজকে একোজন "বীৰ" যেন লাগিল। সিহঁতৰ অনুপস্থিতি কোনোবাই অনুভৱ কৰিছে, সিহঁতৰ বাবে কোনোবাই শোক কৰিছে, সিহঁতৰ বাবে কাৰোবাৰ অন্তৰ ভাঙি গৈছে, সিহতৰ কথা গোটেই গাওঁখনে কবলৈ ধৰিছে আৰু এই বাবে সিহঁত অইন ল'ৰাবোৰৰ ঈৰ্ষাৰ পাত্ৰ হৈ পৰিছে—এইবোৰ চিন্তাকৰি ল'ৰা কেইজনৰ অন্তৰ আনন্দত উপচি পৰিল।

গধূলি হৈ আহিল। জাহাজখন গাৱঁৰ পিনে উভতি গ'লগৈ, নাওঁবোৰো গুচি গ'ল। জলদস্যু কেইজন কেম্পলৈ আহিল। মানুহবোৰে সিহঁতক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰা দেখি এটি নতুন আত্মগৌৰৱত সিহঁতৰ অন্তৰ ভৰি গল। মাছ এটা ধৰি আনি ল'ৰাকেইজনে ৰাতিৰ আহাৰ খালে আৰু গাৱঁৰ মানুহে সিহঁতৰ বিষয়ে কি কব ধৰিছে তাকে শুনা-গথা কৰিবলৈ ধৰিলে। কিন্তু ৰাতি হৈ অহাৰ লগে লগে সিহঁতৰ কথা-বতৰা কমি আহিল আৰু তিনিওজনে জুইকুৰাৰ পিনে একেথৰে চাই ৰহি থাকিল। সিহঁতৰ প্ৰত্যেকৰে মনত ক'ৰবাৰ চিন্তাবোৰে জুমুৰি দি ধৰিলে। পলাই অহাৰ সকলো আনন্দ এতিয়া প্ৰায় নিঃশেষ হৈ আহিল আৰু বিশেষকৈ টম আৰু জোই ঘৰত এৰিথৈ অহা মানুহ-বোৰৰ কথা নভবাকৈ থাকিব নোৱাৰিলে। লাহে লাহে জোই অইন দুজনৰ উদ্দেশ্যৰ গম লবলৈ কলে যে সিহঁত আকৌ উভতি গলে বাৰু কেনে হব ? এতিয়া অৱশ্যে নহয়, কিন্তু পাছে পৰে কেতিয়াবা…?

টমে তাক কথাটো শেষ কৰিবলৈকে নিদিলে; ঠাট্টা কৰি সি জোক ক'ৰবাত উৰুৱাই দিলে। হাকেও এই ঠাট্টাত টমৰ লগত যোগ দিলে। জোই অইন দুজনৰ পৰা "ভয়াতুৰ", "ঘৰলৈ মনত পৰি কান্দুৰা" আদি আখ্যা লভিলে।

ৰাতি গভীৰ হৈ অহাৰ লগে লগে হাকে টোপনিয়াবলৈ ধৰিলে আৰু ক্ৰমে টোপনিত ঢলি পৰিল। ইয়াৰ পিচত জোও শুই পৰিল। টমে সিহঁত দুজনক লক্ষ্য কৰি এনেয়ে মাটিত পৰি থাকিল। অৱশেষত সি উঠি অতি সাৱধানে আঠুকাঢ়ি আগুৱাই গ'ল। ওচৰতে পৰি থকা

এবিধ পাতল, বগা গছৰ ছালৰ পৰা দুডোখৰ ছাল বাছি উলিয়ালে। ইয়াৰ পাছত সি জুইকুৰাৰ ওচৰত আঠুকাঢ়ি বহি পৰি গছৰ ছাল দুডোখৰৰ ওপৰত তাৰ ৰঙা খড়িমাটি ডোখৰেৰে কিবা কিবি লিখিলে। এখন ছাল সি জেপত সুমুৱালে আৰু আনখন ছাল জোৰ টুপীটোৰ ভিতৰত থৈ দিলে। টুপীটোৰ ভিতৰত সি লৰাবোৰৰ মনত অমূল্য ৰতন স্বৰূপ কিছুমান 'সম্পত্তি'ও থলে। এই সম্পতিবোৰৰ ভিতৰত আছিল এটুকুৰা খড়িমাটি, এটা ৰবৰৰ বল, তিনিটা বৰশীৰ কাঁইট আৰু এটা "খাটি হীৰা" নামৰ মাৰ্ব্বল। এতিয়া টম্ অতি সাৱধানে হাতত‌সাবে ভৰিতসাবে আগুৱাই গ'ল আৰু অলপ দূৰ গৈ সি চাপৰিটোৰ পিনে লৰিবলৈ ধৰিলে।

---

( ১২ )

অলপ পিছতেই টম্ বালিৰ চাপৰিটোৰ ওচৰৰ বামপানীৰ মাজেৰে সিহঁতৰ বিপৰীত ফালৰ নৈৰ পাৰটোৰ পিনে আগুৱাই যাবলৈ ধৰিলে। পাৰ পাই সি সিহঁতৰ গাৱঁৰ পিনে আহিবলৈ ওলোৱা সৰু জাহাজ এখনত মনে মনে উঠি লুকাই থাকিল। অলপ পাচতেই জাহাজখন ইটো পাৰলৈ বুলি এৰিলে। জাহাজ পাৰ পোৱাত টমে পানীত নামি সাতুঁৰি আহি পাৰত উঠিলহি। বহুত পথ অকাই পকাই ঘূৰি টম্ সিহঁতৰ ঘৰৰ সন্মুখত ওলালগৈ। মনে মনে আহি কোঠা এটাৰ ভিতৰলৈ সি বাহিৰৰ পৰাই ভুমুকি মাৰি চালে। কোঠাটোৰ ভিতৰত এডাল মম জ্বলি আছিল আৰু তাত টমৰ মাহীয়েক, ছিদ্, মেৰী আৰু জো হাৰ্পাৰৰ মাক বিচনা এখনৰ কাষত বহি কথা পাতি আছিল। টমে দুৱাৰখন খুব সাৱধানে ঠেলি ঠেলি অলপ মেলি কোনোমতে সেই ফাঁকেদি কোঠাটোৰ ভিতৰলৈ সোমাই আহিল।

"মমডালে ইমান ডিমিক ঢামাক কৰিছে কিয়?" মাহীয়েকে কৈ উঠিল। "ইছ্! দুৱাৰখন কিজানি খোলাই আছে।' যাছোন ছিদ্, দুৱাৰখন মাৰি আহ।"

ততালিকে টম্ বিছনাৰ তলত লুকাই পৰিল। মাহীয়েকে আকৌ আৰম্ভ কৰিলে—

"টম্ কিন্তু সঁচাকৈয়ে বেয়া ল'ৰা নাছিল; দুষ্ট অৱশ্যে আছিল। সি কোনো দিনেই কাৰো একো অনিষ্টও কৰা নাছিল। সকলো লৰাৰ ভিতৰত সি আছিল আটাইতকৈ পৱিত্ৰ অন্তৰৰ।" এইবুলি কৈ তেওঁ কান্দিবলৈ আৰম্ভ কৰিলে।

"মোৰ জোও আছিল ঠিক তেনেকুৱাই, দুষ্ট কিন্তু দয়ালু; আৰু স্বাৰ্থপৰতা কি নাজানিছিলেই। তাকনো মই সৰখিনি খোৱা বুলি তেনেকৈ মাৰিব লাগিছিলনে? সৰখিনি বেয়া হৈ যোৱা বাবে ময়েই যে পেলাই দিছিলোঁ। সেই কথা সেইসময়ত মনতেই নপৰিল। মই আৰু তাক কোনোদিনেই দেখা নাপাম।" এইবুলি জোৰ মাকেও কান্দিবলৈ ধৰিলে।

তাৰ আৰু জোৰ কথা কৈ কৈ মাহীয়েক আৰু জোৰ মাকে কান্দিয়েই থাকিল। মেৰীয়েও কন্দা টমে শুনিবলৈ পালে। নিজৰ ওপৰত তাৰ ধাৰনা একেবাৰে সলনি হৈ গ'ল। নিজকে তাৰ বৰ মহান যেন লাগিল। মাহীয়েকৰ কান্দোন শুনি টমৰ কিন্তু বৰ বেয়া লাগিল আৰু বিছনাৰ তলৰ পৰা নাটকীয় ভাবে ওলাই গৈ মাহীয়েকক সাৱটি ধৰাৰ প্ৰৱল ইচ্ছাটো কোনোমতেহে দমাই ৰাখিলে। সি কথাবোৰ শুনি বুজিলে যে সকলোৱে সিহঁতক নৈত ডুবি মৰা বুলিয়েই ধৰি লৈছে। সি আৰু গম পালে যে যদি দেওবাৰলৈ সিহঁতৰ মৃতদেহ পোৱা নহয় তেন্তে দেওবাৰে ৰাতিপুৱাতেই গীৰ্জাত সিহঁতৰ অন্ত্যেষ্টিক্ৰিয়া সমাধা কৰা হব। জোৰ মাক কান্দি কান্দিয়েই যাবলৈ ওলাল। মেৰীয়েও কান্দি কান্দি কোঠাটোৰ পৰা ওলাই গ'ল।

মাহীয়েকে এতিয়া আঠুকাঢ়ি বহি টমৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তেওঁৰ সেই প্ৰাৰ্থনাত টমৰ প্ৰতি ইমান মৰম চেনেহ আছিল আৰু তেওঁৰ সেই কঁপা কঁপা মাতটো ইমান বেদনাভৰা আছিল যে টমে বেজাৰত চকুৰ পানীৰে একোকে নেদেখা হ'ল।

বিছনাত বহুত সময় ভঙা ভঙা মাতেৰে টমৰ নাম লৈ আৰু উছপিছ কৰি থাকি মাহীয়েক টোপনি গ'ল। টম্ লাহেকৈ বিছনাৰ তলৰ পৰা ওলাই আহি মাহীয়েকৰ মুখৰ ফালে বহুপৰ চাই থাকিল; মাহীয়েকৰ বাবে তাৰ অন্তৰ ভাঙি পৰিল। জেপৰ পৰা সেই খড়ি মাটিৰে লিখা গছৰ ছালখন উলিয়াই মম্ ডালৰ ওচৰত থলে। কিন্তু কিবা এটি ভাবি সি আকৌ বহুপৰ থিয় দি থাকিল। অৱশেষত সি কিবা এটা বুদ্ধি বিচাৰি পালে আৰু আনন্দত তাৰ মুখখন উজ্জ্বল হৈ উঠিল। ছালখন আকৌ কোটৰ জেপত ভৰাই থৈ অলপ কুঁজা হৈ সি মাহীয়েকক মৰমেৰে চুমা এটি দিলে আৰু হাতত সাৱে ভৰিত সাৱে কোঠাটোৰ পৰা ওলাই গ'ল।

কেম্পৰ ওচৰ পাওঁতেই সি জো'ই কোৱা শুনিলে, "নাই, টম খাটি লৰা। সি কেতিয়াও পলাই নাযায়। সি ফিৰি আহিবই আহিব। টমে ভাল দৰেই জানে যে এইদৰে পলাই গ'লে সি জলদস্যুৰ নামলৈ কলঙ্কহে আনিব। টমে মৰি গ'লেও এনেকৈ বদনাম্ নানে! সি নিশ্চয় কিবা এটা মতলব কৰিছে, অৱশ্যে মতলবটো কি হলে নাজানো।"

"বাৰু সেইবোৰ বিয়েই নহওক, সি এৰি থৈ যোৱা বস্তুবোৰ এতিয়া আমাৰেই হ'ল, নহয় জানো?" হাকে ক'লে।

"ওঁ আমাৰ হৈছেই প্ৰায়, কিন্তু একেবাৰে আমাৰ এতিয়াও অৱশ্যে হোৱা নাই। সি লিখি থৈ গৈছে যে বস্তুবোৰ আমাৰ তেতিয়াহে হব যদিহে সি ৰাতিপুৱা চাহ খোৱাৰ সময়লৈ আহি নাপায়।"

"আৰু এইয়া সি আহি পালেই"—এই বুলি নাটকীয়ভাবে চিঞৰি টম কেম্পলৈ সোমাই আহিল।

সিহঁতে মাংস আৰু মাছ ভাজি লৈ ৰাতিপুৱাৰ আহাৰ খাবলৈ আৰম্ভ কৰিলে। খাই থাকোঁতেই টমে তাৰ ৰাতিৰ "এড্ভেঞ্চাৰৰ" বিষয়ে বিৱৰি কলে; অৱশ্যে তাত যথেষ্ট ৰহণ সানিহে ক'লে। ইয়াৰ পিছত টমে এডাল গছৰ ছাঁত শুই পৰিবলৈ যো-জা কৰিলে; আইন দুজন জলদস্যু মাছ মাৰিবলৈ যাবলৈ সাজু হ'ল।

( ১৩ )

দুপৰীয়া ভাত খাই উঠি তিনিওজনে কাছৰ কণী বিচাৰি ওলাল। কোনোবাটো গাঁতত সিহঁতে পঞ্চাশ যাঠিলৈকে কণী পালে। সেইদিনা ৰাতি সিহঁতে সেই কণীৰেই ৰাতিৰ আহাৰ খালে। পাছদিনা, অৰ্থাৎ শুকুৰবাৰে ৰাতিপুৱাও তাকে ভাজি খালে। ৰাতিপুৱাৰ আহাৰ খাই উঠি সিহঁত নৈৰ পাৰলৈ গৈ ইটোৱে সিটোক খেদা-খেদি কৰি পানী ছটিয়াছটি খেলিবলৈ ধৰিলে। খেলি খেলি ভাগৰ লগাত সিহঁত অলপ সময় তপত বালিৰ ওপৰতে শুই থাকিল। অলপ পিছতে উঠি বালিত এটা বৃত্ত আঁকি তাৰ ভিতৰতে সিহঁতে চাৰ্কাছ খেলিবলৈ আৰম্ভ কৰিলে। আটাই কেইজনেই চাৰ্কাছৰ বহুৰা হ'ল। কাৰণ সিহঁতৰ মনত চাৰ্কাছত বহুৱা হোৱাটোৱেই আটাইতকৈ ডাঙৰ সন্মান যেন লাগিছিল। গতিকে বহুৱাৰ বাহিৰে চাৰ্কাছৰ অইন একো হবলৈ কোনো এজন মান্তি নহল।

ইয়াৰ পিছত লৰাকেইজনে আৰম্ভ কৰিলে মাৰ্ব্বল খেলিবলৈ। অলপ সময় খেলাৰ পিছত মাৰ্ব্বল খেলিও আমনি লগা হ'ল।

কিন্তু এইদৰে খেল-ধেমালি কৰি থকা স্বত্বেও জোৰ মনটো একেবাৰে ভাঙি গৈছে; তাৰ ঘৰলৈ মনত পৰিবলৈ ধৰিলে। তাৰ চকুপানী ওলোৱাৰ উপক্ৰম হ'ল। হাকৰো মনটো বৰ ভাল নাছিল। টমৰ বেয়া লাগিছিল যদিও সি সেইটো পাৰেমানে লুকাই ৰাখিবলৈ চেষ্টা কৰিলে।

অৱশেষত জোই কৈ উঠিল—

"ব'ল, আমি এইবোৰ এৰি ঘৰলৈকে উভতি যাওঁ। মোৰ ঘৰলৈ যাবলৈ বৰ মন গৈছে। ইয়াত ইমান বেয়া লাগে।"

"ধেৎ, নহয় জো, অলপ পিচতে তোৰ ভাল লাগি যাব নহয়। ইয়াত মাছ ধৰিও কি আনন্দ, ভাবি চাচোন।" "মাছ টাছ মই মাৰিব নোখোজো। মই ঘৰলৈহে যাব খোজোঁ।" "কিন্তু জো, ইয়াৰ নিচিনা সাতুৰিবলৈ ভাল ঠাই আৰু ক'ত পাবি ভাবি চাইছনে?" টমে জোক বুজাবলৈ চেষ্টা কৰি কলে।

"সাতুৰি আৰু মোৰ ভাল নেলাগে। আৰু সাতুৰিবলৈ যাওঁতে যদি হকাবধা কৰে তাই কোনো নহল তেনেহলে সাতুৰিনো কি ভাল লাগিব ? মই ঘৰলৈহে যাম।"

"চা, এই কেঁচুৱাটোক চা। তোৰ মাৰলৈ মনত পৰিছে নহয়নে অ' ?"

"ওঁ, মালৈ মনত পৰিছেতো। মাৰ থকা হলে তোৰো মনত পৰিলহেতেন। তই যদি কেঁচুৱা নহয় তেন্তে ময়ো কেঁচুৱা নহওঁ।"

"বাৰু, বাৰু কান্দুৰাটোক আমি মাকৰ ওচৰলৈ যাবলৈ দিম। তই জানো ইয়াত ভালপোৱা নাই, হাক্ ? আমি ইয়াতেই থাকিম নহয় নে ?" হাকে লাহেকৈ "ওঁ" বুলি ক'লে হয় কিন্তু মাতেতোত তাৰ বৰ বেছি উৎসাহ দেখা নগল।

জোই কাপোৰ-কানি পিন্ধি সিহঁতক এৰিথৈ ঘৰলৈ বুলি যাত্ৰা কৰিলে। টমৰ ভয় লাগিল। সি হাকৰ পিনে চালে। হাকে টমৰ চকুৱে চকুৱে চাই থাকিব নোৱাৰিলে। সি তলমুৰ কৰিলে। অলপ পিছতে হাকে কলে—

"টম্! ময়ো যাব খোজোঁ। ইয়াত এনেয়ে বেয়া লাগি আছিল, এতিয়াতো জো গুচি গ'লে আৰু বেয়া লাগিব। আমিও যাওঁগৈ বল, টম্।"

"মই নাযাও। তহঁত সকলোৱে ইচ্ছা কৰিলে যাব পাৰ। মই হলে ইয়াতে থাকিম।"

"টম্, তেনেহলে মই যাওঁেই।"

"যা-না। তোক কোনে বান্ধি ৰাখিছে ?"

"তয়ো অহা হলে ভাল আছিল টম্। বাৰু তই এতিয়া ভাবি চা। আমি নৈৰ পাৰলৈ গৈ তোৰ বাবে বৈ থাকিম।"

"বৈ বৈ তহঁতৰ ভাগৰ লাগি যাব, তথাপি টম্ নাহে" গৰ্ব্বেৰে টমে উত্তৰ দিলে। হাকে বৰ বেজাৰ মনেৰে যাবলৈ আৰম্ভ কৰিলে আৰু টমে তাৰপিনে একে থৰে চাই ঠিয় দি থাকিল। তাৰ ইচ্ছা হৈছিল

সকলো অহঙ্কাৰ ঢলিয়াই দি সিহঁতৰ লগতে গুচি যাবলৈ। হঠাতে টমৰ নিজকে বৰ অকলশৰীয়া যেন লাগিল। অলপ পিছতে সি লগৰীয়া দুজনৰ ফালে লৰি গৈ চিঞৰিবলৈ ধৰিলে—

"ৰ, ৰ, মই কিবা এটা কওঁ, শুনচোন।" লগৰীয়া দুজন ৰৈ গ'ল। সিহঁতৰ লগ ধৰি টমে সিহঁতক কিবা এটা গুপুত কথা বুজাবলৈ ধৰিলে। বহুতপৰ মন দি শুনাৰ পাছত জো আৰু হাক দুয়ো কলে যে তাৰ বুদ্ধিটো বঢ়িয়া। সিহঁতে আৰু ক'লে যে টমে আগতে কোৱাহলে সিহঁতে এইদৰে গুছি নাহিলহেঁতেন।

তিনিওজনে কেম্পলৈ ঘূৰি আহি আকৌ খেল আৰম্ভ কৰিলে। জো আৰু হাকে বাৰে বাৰে টমৰ বুদ্ধিটো শলাগিলে। পাচদিনা ৰাতিপুৱা আহাৰ খাই উঠাৰ পিছত টমে ক'লে যে সিওঁ এতিয়া পাইপ খাবলৈ শিকিব। জোইও শিকিবলৈ মন কৰিলে। গতিকে হাকে পাইপ বনাই তাত ধপাত ভৰালে। হাকৰ বাহিৰে আন দুজনে হলে জীৱনত কোনোদিনেই ধপাত খাই পোৱা নাই।

অলপ পিছতে কিলাকুটি মাটিত থৈ দীঘল দি পৰি সিহঁতে বেচ সহজভাবেই ধপাত খাবলৈ ধৰিলে। ধোৱাঁটো সোৱাদ লগা নাছিল যদিও আৰু অলপ অলপ ডিভিত ধৰিছিল যদিও টমে ক'লে—

"ধেৎতেৰি, পাইপ খোৱাটো একেবাৰে সহজ কথা। এনে বুলি জনা হলে মই বহুদিন আগতেই আৰম্ভ কৰিলোঁহেঁতেন।"

"ঠিক কৈছ, ময়ো তাকে কৰিলোঁহেঁতেন। বিড়ি-চিগাৰেট খোৱাটো একো টান কথাই নহয় দেখিছোঁ।" জোই ক'লে।

"কিমানদিন মই ডাঙৰ ডাঙৰ মানুহবোৰক চিগাৰেট পাইপ আদি খোৱা দেখি ভাবিছিলোঁ—আহা! ময়ো যদি এনেকৈ খাব পাৰিলোঁ-হেতেন।"—টমে ক'লে।

"মোৰ বোধেৰে গোটেই দিনটো মই এইদৰে পাইপ খাই থাকিব পাৰিম," জোই ক'লে। "মোৰ হলে অকনো বেয়া লগা নাই।"

"মোৰো লগা নাই। ময়ো গোটেই দিনটো খাই থাকিব পাৰিম।

কিন্তু মই বাজি মাৰি কব পাৰো যে জেফ্ থেচাৰে নোৱাৰে”—টমে ক’লে।

“জেফ্ থেচাৰ! ধেৎ, দুইটান মাৰিলেই সি ‘ফিট্’ হৈ যাব। তাক এবাৰ টানি চাবলৈ দিবিছোন। সি গম পাই যাব নহয়।”

“গম পাই যাবতো। আৰু জনি মিলাৰ? উস্, তাক যে পাইপ টনাই চাবলৈ মোৰ কি মন গৈছে।”

“মোৰ মন যোৱা নাই হবলা?”—জোই ক’লে। “কিন্তু মই বাজি মাৰি কব পাৰো যে জনি মিলাৰেও নোৱাৰে। একটান মাৰিলেই তাৰ “বাৰ বাজি যাব” নহয়।”

“ঠিক কৈছ জো। ইছ্ এতিয়া যদি আমাক লগৰ ল’ৰাবোৰে দেখিলেহেতেন!”—টমে ক’লে।

“উস্ বঢ়িয়া হ’ল হয়।”

“চা, গাঁৱলৈ উলটি গৈয়ো আমি লৰাবোৰক এই বিষয়ে একো নকওঁ। তাৰ পিছত কোনোবাদিনা ল’ৰাবোৰৰ আগতেই মই তোক সুধিম—“কি জো, চিগাৰেট আছে নেকি? মোৰ চিগাৰেট খাবৰ মন গৈছে।” তই নিৰ্ব্বিকাৰ ভাবে কবি—“ওঁ, আছে। কিন্তু চিগাৰেট কেইটা বৰ ভাল বিধৰ নহয়’। তেতিয়া মই আকৌ কম—‘ঠিক আছে, হৈ যাব, মাথোন কড়া চিগাৰেট হলেই হল।’ তেতিয়া তই চিগাৰেট উলিয়াই দিবি আৰু আমি একেবাৰে নিৰ্ব্বিকাৰ ভাবে চিগাৰেট জ্বলাই লম। তেতিয়া তই চাবি ল’ৰাবোৰক।”

“এনে মজা হব। এতিয়াই যদি হলহেতেন!”

“আৰু যেতিয়া আমি লৰাবোৰক কম যে আমি জলদস্যুগিৰি কৰিবলৈ যাওঁতেই ধূমপান কৰাটো শিকিলোঁ, তেতিয়া বাৰু সিহঁতে কি কৰিব? আমাৰ লগত পলাই অহা হলেই ভাল আছিল বুলি ভাবিবলৈ আৰম্ভ নকৰিবনে?”

এনেকৈয়ে সিহঁতৰ কথা-বতৰা চলি থাকিল। লাহে লাহে কথা বতৰা কমি আহিল আৰু দুয়োজনে বৰকৈ থু পেলাবলৈ আৰম্ভ কৰিলে। টম্ আৰু জো দুয়োজনকে বৰ শেঁতা পৰা আৰু কষ্ট-ভোগ

কৰি থকা যেন দেখা গ'ল। জোৰ পাইপটো লাহেকৈ তাৰ শক্তিহীন হাতৰ পৰা পৰি গ'ল আৰু অলপ পিছতেই টমৰ পাইপটোৰো সেই একে গতি হ'ল। জোই বৰ দুৰ্ব্বলভাবে কলে—

"মই মোৰ কটাৰীখন হেৰুৱালোঁ। কটাৰীখন বিচাৰি যোৱাই ভাল হব।"

টমেও লাহে লালে কলে—"ময়ো তোৰ লগতে যাওঁ ব'ল। নাই হাক্, তই আহিব নেলাগে। আমিয়ে বিচাৰি যাওঁ।"

গতিকে হাক্ অকলে অকলে বহি থাকিল। এঘণ্টা বৈ বৈ সিহঁত ফিৰি নহা দেখি বিচাৰি গৈ দেখিলে যে হাবিৰ মাজত দুয়ো দুঠাইত গভীৰ টোপনিত লালকাল দি পৰি আছে।

সেইদিনা ৰাতি আহাৰ খাওঁতে সিহঁতে বৰ বেচি কথা বতৰা নকলে। ভাত খাই উঠি হাকে যেতিয়া পাইপ টানি টানি টম আৰু জোৰ বাবেও পাইপ তৈয়াৰ কৰিবলৈ ওলাল তেতিয়া দুয়োজনে কৈ উঠিল যে সিহঁতক পাইপ নালাগে। আহাৰ খাওঁতে বোধহয় কিবা বেয়া বস্তু খালে, সেইকাৰনেই হেনো সিহঁতৰ গা বেয়া লাগি আছে।

---

( ১৪ )

দেওবাৰৰ দিনা ৰাতিপুৱা টমহঁতৰ গাৱঁৰ গীৰ্জ্জাটোৰ ঘণ্টা বাজিবলৈ আৰম্ভ কৰিলে। সেইদিনাৰ গীৰ্জ্জাৰ শব্দটো বৰ করুণ আছিল—মৃতকৰ অন্ত্যেষ্টিক্রিয়াৰ বাবে যি সুৰৰ ঘণ্টা বজোৱা হয় সেই সুৰতে সেইদিনা বজোৱা হৈছিল। গাৱঁৰ মানুহবোৰ এজন দুজনকৈ আহিবলৈ ধৰিলে আৰু সকলোৱে ফুচ ফুচাই এই দুখলগা ঘটনাটোৰ বিষয়ে আলোচনা কৰিলে। সেইদিনাৰ দৰে কেতিয়াও গীৰ্জ্জাত মানুহ ভৰি যোৱা নাছিল। সকলোৱে নিমাত হৈ বৈ আছে এনেতে টমৰ মাহীয়েক সোমাই আহিল, মেৰী আৰু ছিদক লগত লৈ। অলপ পিছতে আহিল জো হাৰ্পাৰৰ ঘৰৰ সকলো। দুয়ো ঘৰৰ মানুহে শোকৰ চিন স্বৰূপে ক'লা পোচাক পিন্ধিছে। গীৰ্জ্জাৰ আটাইবোৰ মানুহে দুখত থকা

এই মানুহ দুখৰক সহানুভূতি দেখুৱাবলৈ থিয় দিলে। অলপ পিছতে প্ৰাৰ্থনা সঙ্গীত আৰম্ভ হ'ল। আৰু পাদুৰীজনে মৃতক সকলৰ অন্ত্যেষ্টি ক্ৰিয়াৰ সময়ত সদায় পঢ়া বাইবেলৰ অংশখিনি পঢ়িবলৈ আৰম্ভ কৰিলে—"ময়েই পুণৰ জীৱন আৰু ময়েই জীৱন।"

ধৰ্ম্মযাজকজনে মৃত লৰা কেইজনৰ গুণৰ বিষয়ে ইমান বঢ়িয়া বৰ্ণনা দিলে যে গীৰ্জ্জাৰ প্ৰত্যেকজন মানুহেই এইবুলি মনে মনে দুখ কৰিবলৈ আৰম্ভ কৰিলে যে তেওঁলোকে দুৰ্ভগীয়া ল'ৰা কেইজনৰ গুণবোৰ কোনো-দিনেই মন নকৰি মাথোন সিহঁতৰ দোষবোৰহে দেখিলে। গীৰ্জ্জাত থকা সকলো মানুহেই কান্দিবলৈ আৰম্ভ কৰিলে যাজকজন নিজেও বাদ নগল। অলপ পিচতে হঠাত গীৰ্জ্জাৰ দুৱাৰখন খোলাৰ এটি শব্দ শুনা গ'ল। ধৰ্ম্মযাজকজনে ৰুমালেৰে চকু পানী মচিবলৈ এৰি সেই পিনে মূৰ তুলি চালে, তেওঁ হতভম্ব হৈ গ'ল। প্ৰথমতে এজন দুজনকৈ আৰু লাহে লাহে গীৰ্জ্জাৰ সকলো মানুহে ধৰ্ম্মযাজকজনে চোৱাৰ পিনে চকু ঘূৰালে আৰু দৃশ্যটো দেখি সকলোৰে মুখৰ মাত হৰিল—গীৰ্জ্জাৰ ভিতৰলৈ সোমাই আহিল ল'ৰা তিনিজন, প্ৰথমতে টম্ তাৰ পাচত জো আৰু শেষত ভয় ভয়কৈ হাক্ ফিন্। সিহঁতে ইমান পৰে গীৰ্জ্জাৰ ভিতৰতে থকা আৰু কোনেও নবহা গেলেৰীবোৰৰ তলত লুকাই সিহঁতৰ নিজৰ অন্ত্যেষ্টিক্ৰিয়া চাই আছিল। লগে লগেই টমৰ মাহীয়েক, মেৰী আৰু জো হাৰ্পাৰৰ ঘৰৰ সকলোৱে নিজৰ লৰাক ফিৰাই পাই সিহঁতক চুমাৰে ওপচাই দিলে। হাকক কিন্তু কোনেও এইদৰে মৰম নকৰিলে। সি বৰ অশান্তিৰে কি কৰোঁ কি নকৰোঁ ভাবি একেঠাইতে থিয় দি থাকিল। শেষত কোনেও নজনাকৈ সি গীৰ্জ্জাৰ পৰা পলাবলৈকে ওলাল, এনেতে টমে তাক ধৰি নৈ ক'লে—"মাহীদেউ, এইটো কিন্তু বৰ ভাল হোৱা নাই দেই। হাককতো কোনোবাই মৰম কৰিব লাগিছিল।"

"নিশ্চয়, নিশ্চয়। ইচ্, বেছেৰা মাক নোহোৱা ল'ৰাটো! তই উভতি অহাত মই বৰ আনন্দ পাইছোঁ।" এই বুলিয়েই টমৰ মাহীয়েকে হাকক আদৰ কৰিবলৈ আৰম্ভ কৰি দিয়াত তাৰ আৰু বেছিহে লাজ লাগিল।

হঠাতে ধৰ্ম্মযাজকজনে সকলোকে ঈশ্বৰৰ কৰুনাক ধন্যবাদ দি গান গাবলৈ ক'লে। সকলোৱে গান আৰম্ভ কৰিলে। জলদস্যু টম্ ছয়াৰে তাৰ পিনে বৰ ঈৰ্ষাৰ দৃষ্টিৰে চাই লকা লগৰ ল'ৰাবোৰৰ ফালে চালে। সি স্বীকাৰ কৰিলে যে এইটোৱেই তাৰ জীৱনৰ আটাইতকৈ গৌৰৱময় মুহূৰ্ত্ত।

---

( ১৫ )

টম লগৰ জলদস্যু কেইজনক লগত লৈ সিহঁতৰ নিজ অন্ত্যেষ্টিক্ৰিয়া উপভোগ কৰাটোৱেই আছিল টমৰ গুপুত বুধি।

পাছদিনা অৰ্থাৎ সোমবাৰে ৰাতিপুৱা জলপান খোৱাৰ সময়ত মাহীয়েক আৰু মেৰীয়ে তাক খুব আদৰ কৰিলে আৰু তাক যি লাগে তাকেই দিলে।

"টম্, এইদৰে পলাই গৈ তই যে বেছ ধেমালি কৰিলি সেইটো মানি লবই লাগিব। কিন্তু তই বাৰু আমাক এনেকৈ চিন্তাত পেলাব লাগেনে ? তইনো ভালে কালে আছ বুলি আমাক এটা খবৰো দিব নাপাৰনে ? আমালৈ জানো তোৰ কেতিয়াবা মনত পৰে!" মাহীয়েকে বেজাৰেৰে ক'লে।

"মাহীদেউ, তোমালৈ কিন্তু মোৰ সচাঁকৈয়ে বৰ মনত পৰিছিল," টমে উত্তৰ দিলে। "মনত পৰিলে বাৰু এইদৰে খবৰ বতৰা এটা নিদিয়াকৈ থাকিব পাৰিলিহেতেন জানো" ?

"খবৰ এটা দিয়াহলেই ভাল হ'লহেতেন যেন লাগিছে এতিয়া। যিয়েই নহওক মই কিন্তু তোমালোকক সপোনত দেখিছিলোঁ। সপোনত দেখাটোও এটা ডাঙৰ কথা, নহয়জানো ?"

"সপোনত দেখাটোনো কি ডাঙৰ কথা। কুকুৰ মেকুৰী হলেও সেইখিনি কৰিলেহেঁতেন। বাৰু, তই কি সপোন দেখিছিলি কচোন।"

"মই বুধবাৰে ৰাতি সপোনত দেখিছিলোঁ যে তুমি যেন সৌ বিচনা-খনৰ ওচৰত বহি আছিলা আৰু ছিদ্ সৌ কাঠৰ বাকচটোৰ ওপৰত আৰু মেৰী তাৰ ওচৰতে বহি আছিল।"

"ওঁ আমি বহি আছিলোঁ। সদায়তো তেনেকৈ বহি থাকোঁৱেই," মাহীয়েকে কলে।

"মই সপোনত আৰু দেখিছিলোঁ যেন জো হাৰ্পাৰৰ মাক তোমালোকৰ লগতে বহি আছিল।"

"হয় নেকি? জোৰ মাক সেইদিনা সচাঁকৈয়ে আমাৰ লগত বহি আছিল। আৰু কিবা দেখিছিলিনে?" তেতিয়া টমে সেইদিনা ৰাতি মনে মনে আহি কোঠাটোত সোমাই যি যি দেখিছিল তাকেই সপোনত দেখা বুলি ফাঁকি মাৰি হুবহু বৰ্ণনা দি যাবলৈ ধৰিলে।

বাস্তৱৰ লগত একেবাৰে মিলি যোৱা তাৰ এই সপোনৰ কথা শুনি মাহীয়েকে আচৰিত হৈ কলে—

"উস্! এনেকুৱা অদ্ভূত কথা মই কেতিয়াও শুনা নাই। কোনে কয় যে সপোনত একো নাই। জোৰ মাকক এতিয়াই মই সকলো কথা কম। তেওঁতো সদায় এইবোৰ অন্ধবিশ্বাস বুলি উকুৱাই দিয়ে। বাৰু টম্, তই কৈ যাচোন আৰু কি কি দেখিছিলি।"

টমে মনে মনে আহি দেখা আৰু শুনা কথাবোৰকে সপোনত দেখা বুলি ফাঁকি চলাই যাবলৈ ধৰিলে। সি ক'লে সে সপোনত সি মাহীয়েকে শুবৰ আগতে তাৰ বাবে প্ৰাৰ্থনা কৰা আৰু সি মৰমতে তেওঁক চুমা খোৱা দেখিছিল।

এই কথা শুনিয়ে বুঢ়ীয়ে আনন্দতে চিঞৰি উঠিল—

"হয়নে টম্? তই সচাঁকৈয়ে সপোনত মোক আদৰ কৰি চুমা খাইছিলিনে বাৰু?" এইবুলি কৈ মাহীয়েকে টমক সাৱটি ধৰি এনেকৈ আদৰ কৰিবলৈ ধৰিলে যে তাৰ নিজকে বৰ নীচ যেন লাগিল।

অলপ পিছতে আটাইকেইজন স্কুললৈ গ'লগৈ আৰু টমৰ মাহীয়েকেও টমৰ অদ্ভুত সপোনৰ কথা কৈ জোৰ মাকৰ অন্ধবিশ্বাসৰ প্ৰতি থকা অৱজ্ঞাক ধূলিসাৎ কৰিবলৈ বুলি জো হাৰ্পাৰহঁতৰ ঘৰৰ ফালে খোজ ললে।

( ১৬ )

স্কুলৰ পৰা উভতি আহি ঘৰ সোমাওঁতেই টমে মাহীয়েকে কোৱা শুনিবলৈ পালে—

"টম্, তোৰ পিঠিৰ ছাল ছিঙিবলৈ মন গৈছে মোৰ।"

"কিনো হ'ল মাহীদেউ ? মইনো বাৰু কি কৰিলোঁ ?"

"কি কৰা নাই বাৰু ? মই গলোঁ তোৰ সেই ফাঁকি সপোনটোৰ কথা জোৰ মাকক কবলৈ। আও, গৈ শুনিলোঁ বোলে জোই হেনো মাকক আগতেই কৈছে যে তই হেনো সেইদিনা সচাঁই আমাৰ ঘৰলৈ আহি আমাক সেইদৰে বহি কথা পাতি থকা দেখিছিলি আৰু কথা বতৰাবোৰ শুনি আছিলি। টম্, এইদৰে যি ল'ৰাই ফাকি দিয়ে তাৰ কি হব মই ভাবি নাপাওঁ। তইনো বাৰু এইদৰে ফাকি দি জোৰ মাকৰ আগত মোক মূৰ্খ প্ৰমাণ কৰিলি কেলেই ?"

টমে কথাটো এনেকুৱা হব বুলি ভবাই নাছিল। ৰাতিপুৱা সেইদৰে সপোন দেখাৰ কথা কৈ সি ভাবিছিল যে সি বৰ বঢ়িয়া ফাঁকি এটা দিলে কিন্তু এইদৰে ফাঁকি দিয়াটো এতিয়া তাৰ মনত বৰ নীচ কাম যেন লাগিল। সি লাজতে তলমুৰ কৰি থাকিল ; একো মাতিব নোৱাৰিলে। অৱশেষত সি ক'লে—

"মাহীদেউ, মই বৰ বেয়া কাম কৰিলোঁ। এনেকুৱা নকৰা হলেই ভাল আছিল। কথাটো যে এনেকুৱা হব মই ভবাই নাছিলোঁ।"

"তইনো কোনদিনা ভাব ? নিজৰ বাহিৰে তই আৰু অইন কাৰো কথা নেভাব। তই সেইদিনা ৰাতিখন জেক্‌ছন্ দ্বীপৰ পৰা ওৰে বাটটো আমাৰ তামাচা চাবলৈ আহিব পাৰিলি, অথচ আমি তোৰ বাবে কিমান দুখত আছো সেইটো হলে নাভাবিলি"।

তেতিয়া টমে সি কিদৰে সিহঁত ভালে কালে থকাৰ কথাকে জনাবলৈ সেইৰাতি ঘৰলৈ আহিছিল তাকে কবলৈ ধৰিলে। সি গছৰ ছাল এখনত এই বিষয়ে কিদৰে লিখি আনিছিল আৰু সেইখন যে

মাহীয়েকৰ মেজৰ ওপৰত থৈ যাব খুজিছিল, পিচত বহুত ভাবি চিন্তিহে থৈ নগৈ কোটৰ জেপত সুমুৱাই লৈ জেক্‌চন্ দ্বীপলৈ উভতি গ'ল এই বিষয়ে কবলৈ ধৰিলে।

কিবা গছৰ ছালৰ কথা কোৱা শুনি মাহীয়েকে আচৰিত হৈ সুধিলে—

"কি গছৰ ছালৰনো কথা কৈছ ?"

"এখন গছৰ ছালত মই লিখি আনিছিলোঁ যে আমি মৰা নাই, আমি মাথোন জলদস্যুগিৰি কৰিবলৈহে ঘৰৰ পৰা পলাই গৈছোঁ।"

ইয়াৰ পিচত টমে ক'লে কিদৰে সেইদিনা ৰাতি মৰমতে সি মাহীয়েক শুই পৰাৰ পিচত চুমা দিছিল। টমে এইদৰে তেওঁক মৰম কৰাৰ কথা শুনি মাহীয়েকৰ আনন্দৰ সীমা নোহাৱা হল।

সকলো কৈ অঁতাই টম্ কোঠাটোৰ পৰা ওলাই যোৱা মাত্ৰকে মাহীয়েকে তাৰ কাপোৰ থোৱা সৰু কোঠাটোলৈ লৰি গৈ সি জলদস্যু হবলৈ পলাই যাওঁতে পিন্ধি যোৱা ফটা-ছিটা কোট্‌টো উলিয়ালে। কোট্‌টো অলপ পৰ হাতত লৈ থাকি তেওঁ নিজকে নিজে কবলৈ ধৰিলে—

"নাই, মোৰ চাবলৈ সাহ নহয়। বোধহয় ল'ৰাটোৱে আকৌ ফাকি দিছে।"

এই বুলি তেওঁ কোট্‌টো আকৌ আগৰ ঠাইত থৈ দিব খুজিও সাহ কৰি কোট্‌টোৰ জেপত হাত ভৰালে। অলপ পিচতে তেওঁ চকুলোৰে দুগাল তিয়াই গছৰ ছালখনত টমে লিখা কথাবোৰ পঢ়িবলৈ ধৰিলে, আৰু কলে—"উস, ল'ৰাটোৱে হাজাৰ দোষ কৰিলেও এতিয়া তাক ক্ষমা কৰিবলৈ মই সাজু আছোঁ।

---

( ১৭ )

অৱশেষত গাওঁখনত বেছ এটা আলোড়ন উঠিল—সেই হত্যাকাণ্ডটোৰ বিচাৰ আদালতত আৰম্ভ হব। গাওঁখনৰ মানুহবোৰৰ মুখত আৰু অইন একো কথা নোহোৱা হ'ল। হত্যাকাণ্ডটোৰ কথা

কোনোবাই উল্লেখ কৰিলেই টমৰ গাটো জিকাৰ খাই উঠে। এদিন এই বিষয়ে কথা হবলৈ সি হাকক এডোখৰ নির্জ্জন ঠাইলৈ লৈ গ'ল।

"হাক্, তই এই বিষয়ে কাৰোবাক কিবা কৈছ নেকি ?"

"কিহৰ বিষয়ে ?"

"কিহৰ বিষয়ে তই ভালকৈয়ে জান।"

"অ', সেইটো। নাই, নিশ্চয় কোৱা নাই।"

"একোকে কোৱা নাইনে ?"

"তই কিনো কৱ টম্ ছয়াৰ্ ? এই বিষয়ে কাৰোবাক কিবা কলে আমি আৰু বেছিদিন বাচি থাকিব নালাগিব।"

টম্ নিশ্চিন্ত হল। তথাপি সি ক'লে—

"হাক্, কোনোবাই তোক জোৰ কৰি এই বিষয়ে কবলৈ বাধ্য কৰায় যদি ?"

"মোক কবলৈ বাধ্য কৰাব ? ওঁ মই যদি ৰে'ড্ ইণ্ডিয়ান জোৰ হাতত মৰিব খোজোঁ তেনেহলে পাৰিব, নহলে নোৱাৰে।"

"ঠিক কৈছ। মোৰ বোধেৰে আমি নিজে যদি এই বিষয়ে একো নকওঁ, তেন্তে আমাৰ একো বিপদ নহয়। তথাপি আমি আকৌ এবাৰ শপত খাওঁ আহ, তেতিয়া হলে বেছি ভাল হব।"

গতিকে দুয়ো আকৌ এবাৰ শপত খালে।

"মানুহবোৰেনো কি কয় বাৰু ? মইতো বহুত কথাই শুনিছোঁ।"— টমে সুধিলে।

"কি আৰু কব। সকলোৰে মুখত একে কথা মাফ্ পটাৰ, মাফ পটাৰেই হেনো হত্যাকাৰী। কথাটো শুনিলে যে মোৰ কেনে লাগে।

"মোৰো সেই একে দশা। তোৰ বাৰু মাফ্ পটাৰৰ বাবে বেজাৰ নালাগে নে ?"

"লাগেতো, বৰ দুখ লাগে তাৰ বাবে। সি অৱশ্যে ভাল মানুহ নহয়, কিন্তু কোনোদিনেই কাৰো একো অনিষ্টও কৰা নাই। মদ খাই ঘূৰি ফুৰে—এইখিনিহে। মোক কেইবাদিনো সি বিপদত সহায়ো

কৰিছে।” “মোকো সি কেইবাদিনো চিলা সাজি আৰু বৰশীত কাঁইট গাঁঠি দিছে। আমি তাক জেলৰ পৰা বচাব নোৱাৰোঁনে ? কেনেবাকৈ তাক পলুৱাই দিলেওঁ সিহঁতে আকৌ ধৰি আনিবগৈ, নহয় জানো ?”

টম্ আৰু হাকে এইদৰে বহুপৰ কথাবতৰা পাতি থাকিল। কিন্তু সিহঁতে একো উপায় নাপালে। মনত বৰ অশান্তি লৈ টম্ ঘৰলৈ গ'ল।

পিছদিনা সি কছাৰী ঘৰৰ ওচৰে পাজৰে ঘূৰি ফুৰিবলৈ ধৰিলে ; তাৰ বৰ ইচ্ছা হৈছিল ঘৰটোৰ ভিতৰ সোমাবলৈ, কিন্তু সি মনটো কোনোমতে দমাই ৰাখিলে। হাকৰো সেই একে অৱস্থা। আদালতৰ ভিতৰৰ পৰা বাহিৰলৈ মানুহ আহিলেই টমে কাণ পাতি তেওঁলোকৰ কথা শুনিছিল। কিন্তু সকলোৰে মুখত সেই একে কথা—মাফ্ পটাৰৰ সাৰি যোৱাৰ কোনো উপায় নাই। বিচাৰৰ দ্বিতীয় দিনৰ পিছত শুনা গ'ল যে ৰে'ড ইণ্ডিয়ান জোই আদালতত তাৰ বক্তব্য আকৌ কৈছে আৰু কোনেও হেনো জেৰা কৰি তাক তাৰ বক্তব্যৰ পৰা অকণো ইফাল সিফাল কৰাব পৰা নাই। জুৰীসকলে বিচাৰত কি ৰায় দিব এই বিষয়ে আৰু কাৰো একো সন্দেহ নাথাকিল।

সেইদিনা বহু ৰাতিকৈ টম্ ঘৰলৈ আহিল আৰু খিৰিকিৰে বগুৱা বাই তাৰ কোঠাত সোমাল। তাক বৰ উত্তেজিত যেন দেখা গৈছিল।

পিচদিনা পুৱা গোটেই গাৱঁৰ মানুহেৰে আদালত ভৰি পৰিল। মানুহবোৰে বহুসময় ৰৈ থকাৰ পিছত জুৰীসকলে আদালতৰ ভিতৰলৈ আহি নিজ আসন গ্ৰহণ কৰিলে। অলপ পিছতে পটাৰক অনা হল— ভয়তে আৰু সকলো আশা হেৰুৱাই বেচেৰা একেবাৰে শেঁতা পৰিছে। ৰেড্ ইণ্ডিয়ান জোকো গম্ভীৰ ভাবে বহি থকা দেখা গ'ল। বিচাৰকজনো পালেহি আৰু বিচাৰ আৰম্ভ হ'ল।

এজন সাক্ষীয়ে কলে যে হত্যাকাণ্ডটো আৱিষ্কাৰ হোৱাৰ দিনা ৰাতিপুৱা তেওঁ মাফ্ পটাৰক এটা খালত হাত ভৰি ধুই থকা দেখা পাইছিল। সাক্ষীজনে আৰু ক'লে যে মাফ্ পটাৰে তেওঁক দেখি

সন্দেহজনক ভাবে আঁতৰি গৈছিল। পটাৰৰ ফালৰ উকীল জনে কিন্তু এই সাক্ষীজনক একো জেৰা নকৰিলে।

ইয়াৰ পিচৰ সাক্ষীজনে মৃতদেহটোৰ ওচৰত পোৱা ছুৰীখনৰ কথা প্ৰমাণ কৰিলে। এইজন সাক্ষীকো পটাৰৰ ফালৰ উকীলজনে একো জেৰা নকৰিলে। "কোনো প্ৰশ্ন কৰিবৰ মোৰ প্ৰয়োজন নাই"— পটাৰৰ উকীলজনে কলে

তৃতীয় সাক্ষীজনে শপত খাই কলে যে তেওঁ বহুদিন সেই ছুৰীখন পটাৰে লৈ ফুৰা দেখিছে। পটাৰৰ উকীলজনে এইজন সাক্ষীকো জেৰা কৰিবলৈ অমান্তি হ'ল।

আদালতত উপস্থিত থকা বহুত মানুহকে পটাৰৰ উকীলজনৰ মৌনতাৰ বাবে বিৰক্ত হোৱা যেন দেখা গ'ল। "উকীলজনে তেওঁৰ মক্কেলৰ জীৱন ৰক্ষা কৰিবলৈ অকনো চেষ্টা নকৰিলে দেখোন।" আদালতৰ মানুহবোৰে এইদৰে ভাবিবলৈ ধৰিলে।

কিন্তু অলপ পিচতে পটাৰৰ উকীলজনে থিয়হৈ আৰম্ভ কৰিলে— "বিচাৰক মহোদয়! আমি এই বিচাৰৰ আৰম্ভনিতে এইটো প্ৰমাণ কৰিবলৈ খুজিছিলোঁ যে আমাৰ মক্কেলে এই ভয়াবহ কামটো মদৰ ৰাগীতহে কৰিছিল। এতিয়া আমাৰ মত সলনি কৰিছোঁ; আমি আৰু এই যুক্তি প্ৰদৰ্শন নকৰোঁ।" এই বুলি কৈ কেৰাণাজনৰ ফালে ঘূৰি চাই উকীলজনে ক'লে—

"টম্ ছয়াৰক মাতি আনা।"

আদালতত উপস্থিত থকা সকলোৰে বিস্ময়ৰ সীমা নোহোৱা হল—। তাৰ বহা ঠাইৰ পৰা উঠি সাক্ষীৰ কাঠগড়ালৈ যাব ধৰা টমৰ পিনে আদালতৰ সকলো মানুহে আচৰিত হৈ চাই থাকিল। টমৰ কিন্তু খুব ভয় লাগিছিল।

"টমাছ্ ছয়াৰ্, সোতৰ জুন তাৰিখে মাজনিশাৰ সময়ত তুমি ক'ত আছিলা?"

টমে ৰেড্ ইণ্ডিয়ান জোৰ কঠোৰ মুখখনৰ পিনে এবাৰ চালে আৰু

লগে লগে ভয়তে তাৰ জিভাখনে লৰ চৰ নকৰা হ'ল। মানুহবোৰ গভীৰ আগ্ৰহেৰে বৈ আছিল, কিন্তু বহুপৰ টমৰ মুখৰ মাত নোলাল। অলপ সময়ৰ পিচত সাহস সঞ্চয় কৰি টমে কবলৈ সক্ষম হ'ল-- "কবৰখানাত।"

"অলপ জোৰকৈ কোৱা। ভয় নকৰিবা। তুমি আছিলা" ?... "কবৰখানাত", টমে উত্তৰ দিলে। ৰেড্ ইণ্ডিয়ান্ জোৰ মুখত এটা অৱজ্ঞাৰ হাঁহি বিৰিঙি উঠিল।

"তুমি হচ উইলিয়ামছৰ কবৰৰ ওচৰে পাজৰে আছিলা নে ?"

"হয় ডাঙৰীয়া।"

"তুমি লুকাই আছিলা নে ?"

"হয়, লুকাই আছিলোঁ।"

"ক'ত ?"

"কবৰৰ ওচৰত থকা গছ কেইজোপাৰ আঁৰত।"

ৰে'ড ইণ্ডিয়ান জো চকখাই উঠিল।

"তোমাৰ লগত আৰু কোনোবা আছিল নেকি ?"

"হয়, আছিল চাৰ। মোৰ লগত আছিল"......

"ৰবা, ৰবা। তোমাৰ লগৰীয়া জনৰ নাম কব নালাগে বাৰু। আমি সময় মতে তেওঁক আদালতত হাজিৰ কৰাম। তুমি লগত কিবা লৈ গৈছিলা নেকি ?

"মাথোন...এটা মৰা মেকুৰী।"

আদালতত হাঁহিৰ ৰোল উঠিল। "আম মৰা মেকুৰাৰ জকাটো আদালতত দাখিল কৰিম। বাৰু তুমি এতিয়া যি যি ঘটিছিল সকলোবোৰ কৈ যোৱাচোন। একো বাদ নিদিবা, সকলো কৈ যোৱা। অকনো ভয় নাই।"

টমে প্ৰথমতে ভয়ে ভয়ে আৰম্ভ কৰিলে কিন্তু লাহে লাহে তাৰ ভয় আতৰি গ'ল—আৰু কথাবোৰ সি সহজ ভাবেই কৈ যাবলৈ ধৰিলে। সকলো কৈ অন্তাই অৱশেষত সি কলে—"আৰু ডাক্তৰে কাঠডোখৰেৰে

মাৰ সোধোৱাৰ লগে লগে যেতিয়া মাফ্ পটাৰ পৰি গ'ল, তেতিয়া ৰে'ড্ ইণ্ডিয়ান জোই ছুৰীখন লৈ জাপ মাৰি ঠিয়দি উঠিল আৰু"...

এনেতে হঠাৎ ৰে'ড্ ইণ্ডিয়ান্ জোই খিৰিকিৰে আদালতৰ বাহিৰলৈ জাপ মাৰি পলাই পত্রং দিলে। কোনেওঁ তাক ধৰিব নোৱাৰিলে।

---

(১৮)

টম্ আকৌ এবাৰ এক বিৰাট 'বীৰ' হৈ পৰিল—বয়সীয়াল সকলৰ মৰমৰ আৰু লগৰীয়াবোৰৰ ঈৰ্ষাৰ পাত্র। তাৰ নাম কাগজতো ওলাল, কাৰণ সিহঁতৰ গাৱঁৰ পৰা ওলোৱা বাতৰি কাকতখনত তাৰ কথা যথেষ্ট লিখিলে। পৃথিৱীৰ চিৰা-চৰিত নিয়ম অনুসৰি মাফ্ পটাৰকো মানুহে আকৌ সকলো পাহৰি আগ্রহেৰে গ্রহণ কৰিলে।

দিনত টমৰ গৌৰৱৰ সীমা নাথাকে, কিন্তু ৰাতি হলেই ভয়তে তাৰ পেটত হাত-ভৰি লুকায়; সদায় ৰাতি সপোনত ৰেড্ইণ্ডিয়ান জোক দেখে। হাজাৰ প্রলোভন দেখুৱালেও টম্ গধূলি হোৱাৰ পিচত আৰু বাহিৰলৈ নোলোৱা হ'ল। বেচেৰা হাকৰো সেই একে অৱস্থা। টমে বিচাৰৰ ৰায় দিয়াৰ আগৰাতি সকলো কথা পটাৰৰ উকীলজনক কৈ দিছিলগৈ। যদিও ৰেড্ইণ্ডিয়ান জো আদালতৰ পৰা পলাই যোৱা বাবে হাকে আদালতত সাক্ষী দিবৰ প্রয়োজন নহ'ল, তথাপিও হাকৰ ভয়ৰ সীমা নাথাকিল। ইমান শপথ খোৱা স্বত্বেও টমে গৈ উকীলজনক এইদৰে সকলো কথা কৈ দিয়া বাবে হাকে গোটেই মানব জাতিৰ ওপৰত বিশ্বাস প্রায় হেৰুৱাই পেলালে। টমে মাজে মাজে এই ভাবি ভয় খাইছিল যে ৰেড্ইণ্ডিয়ান জো হয়তো কেতিয়াও ধৰা নপৰিব, কেতিয়াবা আকৌ সি আশা কৰিছিল যে জো আকৌ ধৰা পৰিব। কিন্তু সি নিশ্চয়কৈ জানিলে যে ৰেড্ইণ্ডিয়ান জো নমৰালৈকে আৰু নিজে জোৰ মৃতদেহটো নেদেখালৈকে সি শান্তি নাপাব।

ৰেড্ইণ্ডিয়ান জোক ধৰিবৰ বাবে পুৰস্কাৰ ঘোষণা কৰা হ'ল; কিন্তু কোনেও তাৰ 'পাত্তা' নেপালে। মাজতে চেণ্ট্লুই নামৰ চহৰৰ

পৰা এজন ডিটেক্‌টিভো সিহঁতৰ গাৰ্‌লৈ আহি চাৰিওফালে অনুসন্ধান কৰি গ'ল। তেওঁ কিবা কিবি সূত্ৰও পোৱা বুলি শুনা গ'ল। কিন্তু সূত্ৰ পালে কি হব? সূত্ৰতো আৰু ফাঁচীকাঠত ওলোমাব নোৱাৰি। গতিকে টমে আকৌ আগৰ দৰেই অশান্তিত দিন কটাবলৈ ধৰিলে।

কিন্তু দিনবোৰ পাৰহৈ যোৱাৰ লগে লগে টমৰো ভয় লাহে লাহে কমি আহিল।

---

( ১৯ )

কৰবালৈ গৈ গুপ্তধনৰ সন্ধান কৰাৰ এটা অদ্ভুত বাসনা প্ৰত্যেক সবল সুস্থ সৰু ল'ৰাৰ জীৱনলৈ অন্ততঃ এবাৰ আহেই। এই বাসনাটো হঠাৎ এদিন টমৰ মনতো জাগি উঠিল। সি তেতিয়াই জো হাৰ্পাৰক লগ ধৰিবলৈ লৰ মাৰিলে, কিন্তু জোক নাপালে। তাৰ পিচত টমে বেন্ ৰজাৰ্চক বিচাৰিলে; সি বোলে বৰশী বাবলৈ গৈছে। হঠাতে সি লগ পালে "ৰক্তাক্ত হাতৰ" হাক্ ফিনক। টমে তাক এটুকুৰা নিৰ্জ্জন ঠাইলৈ লৈ গৈ সকলো কথা কলে। হাকৰ সম্পূৰ্ণ ইচ্ছা আছে। স্ফুৰ্ত্তিৰ দমল থকা আৰু পইচা নলগা যি কোনো অভিযানতে যোগ দিবলৈ হাক্ সদায় প্ৰস্তুত, কাৰণ তাৰ হাতত, কোনো কামত নলগোৱা সময়ৰ শেষ নোহোৱা ভঁৰাল।

"ক'ত গাত খান্দিব লাগিব বাৰু?" হাকে সুধিলে। "এ, য'তে ত'তে খান্দিলেই হ'ল টমে উত্তৰ দিলে।" "কিয়, গুপ্তধন য'তে ত'তে পোতা আছে নেকি?" "নাই অৱশ্যে। গুপ্তধন আচলতে কিছুমান বিশেষ ঠাইত লুকুৱাই থোৱা হয়—কেতিয়াবা কোনো দ্বীপত, কেতিয়াবা আকৌ মৰা গছ এডালৰ তলৰ এটুকুৰা ঠাইত য'ত মাজৰাতি গছডালৰ ছাঁটো আহি পৰে। কিন্তু বেছি ভাগেই গুপ্তধন পুতি থয় ভূতে ধৰা কোনোবা ঘৰৰ মজিয়াৰ তলত।"

"কোনেনো বাৰু এই গুপ্তধনবোৰ পুতি থয়?" হাকে সুধিলে। "কোনে আৰু? ডকাইতে। নহলেনো আৰু কোনে থব? আমাৰ স্কুলৰ হেড্‌মাষ্টৰে থব নেকি?"

"মই কি জানো ? কিন্তু এনেকুৱা ধন সম্পত্তি মোৰ থাকিলে, মই হলে কেতিয়াও এইদৰে লুকাই থবলৈ নাযাওঁ। মই চব টকা পইছা খৰছ কৰি মজা কৰি থাকিলোহেঁতেন"।

"ময়োতো তাকে কৰিলোহেঁতেন। কিন্তু ডকাইত বেৰোতো আৰু তেনে নকৰে। সিহঁতে সদায় টকা পইচাবোৰ পুতি থৈ তাতেই এৰি থৈ যায়।"

"কিয় সিহঁতে জানো সেইবোৰ নিবলৈ আকৌ ঘূৰি নাহে" ?

"নাই নাহে। অৱশ্যে সিহঁতে টকাখিনি নিবলৈ আকৌ আহিব বুলি মনে মনে ভাৱে; কিন্তু সাধাৰণতে হয় সিহঁতে টকা পুতি থোৱা ঠাই ডোখৰব চিন পাহৰি যায়, নহলে বা মৰি থাকে। যিয়েই নহওক সেই ধন সম্পত্তিবোৰ তাতেই পৰি থাকি মামৰে ধৰে। বহুদিন পিচত হঠাতে এদিন কোনোবাই টুইয়ে কুটা কাগজ এখন পায়। কাগজখনত কিছুমান একাবেকাঁ কোনেও বুজিব নোৱাৰা চিনেৰে লিখা থাকে কেনেকৈ গুপ্তধন থকা ঠাই ডোখৰ বিচাৰি উলিয়াব পাৰি। অৱশ্যে সেই কাগজখনৰ চিনবোৰৰ অৰ্থ উলিওৱা বৰ টনি।"

"তোৰ জানো তেনেকুৱা কিবা কাগজ পত্ৰ আছে ?" হাকে সুধিলে।

"নাই"।

"নাই যদি বাৰু তই কেনেকৈ গুপ্তধন থকা ঠাইৰ চিন বিচাৰি উলিয়াবি ?"

"মোৰ চিন্‌টিন বিচাৰিবৰ দৰ্কাৰ নাই। ডকাইতবোৰে সাধাৰণতে গুপ্তধন লুকুৱাই থয় হয় ভূতে ধৰা কোনোবা ঘৰৰ তলত, নহয় কোনোৱা দ্বীপত, আৰু নহলেবা মাত্ৰ এটা ডাল থকা কোনোবা মৰা গছৰ তলত। বাৰু আমিতো জেক্‌ছন দ্বীপত থাকোঁতে তাত অলপ চেষ্টা কৰিছি লোঁবেই নহয় জানো ? তাত আমি আকৌ পাছে পৰে এবাৰ ভালদৰে চেষ্টা চলাম। এতিয়া কথা হল ভূতে ধৰা ঘৰ আৰু মৰা গছৰ। মৌ তাত এটা ভূতে ধৰা ঘৰ আছেই আৰু মৰা গছতো হাজাৰ হাজাৰ পৰি আছে।"

"এই সকলোবোৰ গছৰ তলতে গুপ্তধন আছে নেকি ?"

"কিনো কৱ তই। নাই, কিয় থাকিব ?"

"তেন্তে কোনডাল গছৰ তলত বিচাৰিবি তই ?"

"কিয় ? প্ৰত্যেকডাল গছৰ তলতেই বিচাৰিম।"

"ইচ্ তই কি কৱ টম্ ? তেতিয়া হলে দেখোন গোটেই বছৰটো লাগিব।"

"লাগিলেই বা, তাতেনো কি হল ? ধৰি লচোন যে তই এটা কলহত এহেজাৰ টকা পালি বা এটা উইঁয়ে ধৰা বাকচ পালি—হীৰা মুকুতাৰে ভৰা, তেতিয়া বাৰু তোৰ কেনে লাগিব ?"

"কেনে লাগিব আৰু কব লাগিছেনে। মোক মাথোন সেই এহেজাৰ টকা দিলেই হব। হীৰা মুকুতা মোক নালাগে।"

"বাৰু বাৰু। কিন্তু মই হলে হীৰা পালে,দলিয়াই পেলোৱা মানুহ নহওঁ দেই। জান, কোনোবা এটুকুৰাৰ দাম এশ টকাও হব পাৰে, অন্ততঃ ত্ৰিশ টকাৰ কম মূল্যৰ হীৰা মুকুতা নাইয়েই।"

"হয় জানো ? ইচ্, ইমান দাম নে ?"

"নিশ্চয়—তই যাকে সোধ সিয়ে কব নহয়। তই জানো হীৰা মুকুতা কেতিয়াও দেখা নাই, হাক ?"

"নাই দেখা, অন্ততঃ মোৰ মনত নপৰে।"

"ৰজাবোৰৰ হীৰা মুকুতা ভৰি আছে।"

"থাকিব পাৰে। মই হলে কেতিয়াও কোনো ৰজা দেখা নাই, টম্।"

"ওঁ, তই ইয়াত নেদেখিবও পাৰ। কিন্তু তই যদি কেতিয়াবা ইউৰোপলৈ যাৱ, তেতিয়া তই চাৰিওফালে জপিয়াই ফুৰা কিমান ৰজা দেখিবি।"

"ৰজাবোৰ আকৌ জপিয়াই ফুৰে নেকি ?"

"জপিয়াই ফুৰে ? ধেৎ নুফুৰে।"

"তেনেহলে তইনো কিয় সিহঁতে জপিয়াই ফুৰা বুলি কৈছিলি ?"

"ধেৎ তই একোকে নুবুজ। জপিয়াই ফুৰা বুলি কৈ মই বুজাব

খুজিছিলোঁ। যে তই ইউৰোপলৈ গলে বহুতো ৰজা দেখিবি—জপিয়াই ফুৰা অৱশ্যে নেদেখ। তেওঁলোকে আকৌ জপিয়াব কেলেই? তই মাথোন তেওঁলোকক ঘূৰি ফুৰা দেখিবি। বাৰু, সেই কুঁজা ৰজা ৰিচাৰ্ডৰ কথাকে ধৰ।”

“ৰিচাৰ্ড? তেওঁৰ পুৰা নামটো বাৰু কি?”

“তেওঁৰ নামত ৰিচাৰ্ডৰ বাহিৰে আৰু অইন একো নাই। ৰাজ পাটত উঠোঁতে লোৱা নামটোৰ বাহিৰে ৰজা বিলাকৰ আৰু বেছি নাম নাথাকে নহয়।”

“নাথাকে নেকি?”

“নাথাকেতো।”

“বাৰু সিহঁতে যদি এটা নামতেই ভাল পায় পাওক, কিন্তু মই হলে নিগ্ৰোবিলাকৰ দৰে এটা নাম লৈ জীৱন কটাই ৰজা হব নোখোজোঁ।।……বাৰু এইবোৰ এৰ, এতিয়া ক, প্ৰথমতে তই কত খান্দিব খুজিছ?”

“কব নোৱাৰো, একো ঠিকেই কৰা নাই। বাৰু, আমি প্ৰথমে সেই ভূতে ধৰা ঘৰটোৰ সিফালে থকা মৰা গছ ডালৰ তলত খান্দি চালে কেনে হয়?”

“বাৰু হব, মোৰ আপত্তি নাই।”

গতিকে লৰা দুজনে দুখন ভঙা কোদাল আৰু খন্তি লৈতিনি মাইল দূৰৈত থকা মৰা গছডাললৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। ঘামি জামি ভাগৰি পৰি সিহঁত সেইখিনি পালেগৈ আৰু অলপ পিছতেই মাটি খান্দিবলৈ আৰম্ভ কৰি দিলে। আধাঘণ্টামান খন্দাৰ পাছত দুয়ো ভাগৰি পৰিল। তথাপিও কষ্ট কৰি আৰু অলপ পৰ সিহঁতে মাটির খান্দি থাকিল, কিন্তু ফল হলে একো দেখা নগ'ল। হাকে কলে—

“গুপ্তধন ইমান দকৈনো পোতেনে বাৰু?”

“কেতিয়াবা পোতে অবশ্যে—কিন্তু সাধাৰণতে ইমান দকৈ নহয়। মোৰ বোধেৰে আমি ঠিক ঠাইত খন্দা নাই অ।”

গতিকে সিহঁতে সেই ঠাই এৰি অইন এটুকুৰা ঠাইত এইবাৰ খান্দি-

বলৈ আৰম্ভ কৰিলে। কিন্তু এইবাৰো সেই একে দশা। তথাপিও সিহঁতে খান্দি যাবলৈ ধৰিলে। অলপ পিচতে হাকে কলে, "ধেৎ আকৌ বোধ হয় ভুল ঠাইত খান্দিবলৈ ধৰিছোঁ। তই কি কৰ বাৰু টম ?"

"বৰ আচৰিত কথা হাক্। মই বুজিবই পৰা নাই কি হৈছে। আৰু জান, মাজে সময়ে যখিনীবোৰেও গুপ্তধন বিচৰাত বাধা দিয়ে। মোৰ বোধেৰে আমাৰো সেয়ে হৈছে।"

"ধেৎ যখিনীয়ে আকৌ দিনত কিটো কৰিব পাৰে।"

"ওঁ, তই ঠিকেই কৈছ। মই এই বিষয়ে একেবাৰে পাহৰি গৈছিলোঁ। ………এঃ, মই এতিয়াহে বুজিলোঁ কি গোলমাল হৈছে। কি মূখ আমি। আমি চাই লব লাগিব মৰা গাছজোপাৰ ছাঁ মাজনিশা ঠিক কোনখিনি ঠাইত পৰে, আৰু ঠিক সেইখিনিতে আমি খান্দিব লাগিব।"

"ইচ্ আমাৰ ইমান কষ্ট এনেয়ে গ'ল। তেনেহলে আমি ৰাতি আকৌ ইয়ালৈ আহিব লাগিব, নহয় জানো ?"

"ওঁ আহিব লাগিবতো।"

কোদাল আৰু খন্তিখন ওচৰতে লুকাই থৈ লৰা দুজন ঘৰলৈ গলগৈ। ৰাতি ঠিক সময়ত টম আৰু হাক্ আহি আকৌ সেইখিনি পালেহি। অলপ সময় ৰৈ থকাৰ পিচত সিহঁতে অনুমান কৰিলে যে তেতিয়া ঠিক মাজনিশা হৈছে আৰু লগে লগে সিহঁতে মৰা গছডালৰ ছাঁ পৰা ঠাইখিনি চিন দি ললে আৰু ঠিক তাতেই খান্দিবলৈ আৰম্ভ কৰিলে। বহুপৰ খান্দিও সিহঁতে গুপ্তধনৰ একো শুং সূত্ৰই নাপালে। অৱশেষত টমে কৈ উঠিল—

"বাদ দে হাক্; আৰু খান্দি লাভ নাই। আমি আকৌ ভুল ঠাইতে খান্দিছোঁ।"

"বাঃ, ভুল আকৌ কেনেকৈ হব। মাজনিশা ঠিক য'ত গছডালৰ ছাঁটো পৰিছিল তাতেইতো খান্দি আছোঁ।"

"সচাঁ, কিন্তু আমি সময়টো অনুমানহে কৰি লৈছিলোঁ। কিজানি তেতিয়া মাজনিশা হোৱাই নাছিল।"

হাকে বিৰক্ত হৈ হাতৰ পৰা কোদালখন দলিয়াই দি কলে—

"থ তেন্তে।......এইখিনি ঠাই বাদ দি আমি অইন কৰবাত চেষ্টা কৰি চাওঁ বল।

"ওঁ তই ঠিকেই কৈছ। সেইটোৱে ভাল হব।"

"কিন্তু ক'ত খান্দিবি বাৰু?"

টমে অলপ পৰ চিন্তা কৰি ক'লে—

"ভূতে ধৰা ঘৰটোত। তাতেই ঠিক হব।"

"নাই টম, ভূতে ধৰা ঘৰত মোৰ দ্বাৰা যোৱা নহব।"

"কিন্তু হাক্, ভয় কৰিবৰ কি আছে? ভূতেতো আৰু দিনত মানুহক একো কৰিব নোৱাৰে। সিহঁতে ৰাতিহে ঘূৰি ফুৰে। আমি দিনত তাত খান্দিলে সিহঁতে একো কৰিব নোৱাৰে।"

"সেইটো অৱশ্যে হয়। বাৰু ঠিক আছে তেন্তে। তই কৈছ যদি আমি বাৰু তালৈকেই যাম। কিন্তু মোৰ বোধেৰে আমি বৰ ভাল কাম কৰা নাই দেই।"

( ২০ )

শনিবাৰে দুপৰীয়া টম্ আৰু হাক্ আহি ভূতে ধৰা ঘৰটোৰ ওচৰত ওলালহি। ঘৰটো ইমান নিস্তব্ধ আৰু জনপ্ৰাণীহীন আছিল যে প্ৰথমতে সিহঁতৰ ঘৰটোৰ ভিতৰলৈ সোমাবলৈকে ভয় লাগিল। দুয়ো দুৱাৰখনৰ ওচৰলৈ গৈ ভিতৰলৈ ভুমুকি মাৰি চালে—ঘৰটোৰ ভিতৰখন বিনৰীয়া গছলতা আৰু মকৰা জালেৰে ভৰা। ঘৰটোৰ মজিয়াখন মাটিৰ, পকী নহয়। ক্ৰমে সাহস সঞ্চয় কৰি লৰা দুজন ভিতৰলৈ সোমাই গ'ল।

লাহে লাহে সিহঁতৰ ভয় আঁতৰি গ'ল। ঘৰটোৰ তলৰ মহলাটো ঘূৰি পকি চাই সিহঁত ওপৰ মহলালৈ যাবলৈ ওলাল। লগত অনা কোদাল, খন্তি আদি একাষত পেলাই থৈ সিহঁত ওপৰ মহলালৈ উঠিবলৈ আৰম্ভ কৰিলে। ওপৰ মহলাটো ঘূৰি পকি চাই টম্ আৰু হাক্ আকৌ তললৈ নামি আহিবলৈ ওলাল। কিন্তু তেনেতে টমে্ শব্দ কৰি উঠিল—

"ইচ——ং——চ———চ্।"

"কি হ'ল?" হাকে ভয়তে ফুচফুচাই সুধিলে।

"সেইয়া, সেইয়া শুন।"

"ইচ্, হয়তো। ব'ল টম, আমি পলাওঁ ব'ল।"

"মনে মনে থাক। পলাবি ক'ত? সিহঁত ঠিক দুৱাৰৰ ফালেই আহিবলৈ ধৰিছে।"

লৰা দুজনে কোঠাটোৰ ভিতৰত কাঠৰ মজিয়াখনতে দীঘল দি পৰি তক্তাবোৰৰ মাজৰ ফাকেৰে তলৰ মহলাৰ পিনে চাই ভয়ে ভয়ে ৰৈ থাকিল।

অলপ পিচতে দুজন মানুহ সোমাই আহিল। লৰা দুজনে দেখিলে তাৰে এজন সিহঁতে আগতে দুই এদিন দেখা পোৱা সেই বোবা আৰু কলা মানুহ জন, কিন্তু আনজনক হলে সিহঁতে কেতিয়াও দেখা নাই। অচিনাকি মানুহজনে কৈ আছিল—

"নহয়। মই ভাবি চিন্তি চাইছোঁ; এই কামটো বৰ বিপদজনক হব।" এতিয়া লৰা দুজনক আচৰিত কৰি সেই বোবা আৰু কলা মানুহ-জনে চিঞৰি উঠিল।—

"বিপদজনক। থৈ দে, কথা নকৰি।"

এই মাতটোৱে লৰা দুজনক ভীষণ ভয় খুৱালে, কাৰণ মাতটো আছিল ৰে'ড্ ইণ্ডিয়ান জোৰ।

মানুহ দুজনে আৰু বহুপৰ কথা বতৰা পাতিলে। কিন্তু ক্রমে দুয়ো-জনে বৰকৈ হামিয়াবলৈ ধৰিলে। ৰে'ড্ ইণ্ডিয়ান জোই লগৰ জনক ক'লে—"মোৰ বৰ টোপনি ধৰিছে; মই শোওঁ। তই অলপ পৰ পহৰা দে।"

এইবুলি কৈ জো শুই পৰিল, লগৰজনো আৰু বেছি সময় সাৰে থাকিব নোৱাৰিলে। অলপ পিচতে সিও টোপনিত ঢলি পৰিল।

টম্ আৰু হাকে এতিয়া অলপ সকাহ পালে। টমে ফুচফুচাই কলে—

"এইয়ে সুযোগ। বল পলাওঁ।"

"মই নোৱাৰো ভাই। সিহঁতে সাৰ পাব লাগিলে মই ভয়তে মৰি যাম।"—হাকে ক'লে।

টমে লাহেকৈ উঠি পলাবলৈ বুলি খোজ দিলে। প্ৰথম খোজটো দিয়াৰ লগে লগে কাঠৰ মজিয়াখন চ কেৰেককৈ এনে এটা শব্দ হল যে সি ততালিকে আকৌ শুই পৰিল। টমে আৰু দ্বিতীয়বাৰ পলাবলৈ সাহ নকৰিলে। অলপ পিছতেই ৰেড্ ইণ্ডিয়ান্ জোই সাৰ পালে আৰু লগৰজনকো জগালে। ই কথা সি কথা পতাৰ পাছত লগৰজনে জোক সুধিলে—"আমাৰ যি অলপ টকা পইচা আছে, সেইখিনি কি কৰিবি ?"

"ঠিক কব পৰা নাই। মোৰ বোধেৰে আমি আগৰ কেইবাৰৰ দৰে এইবাৰো ইয়াতেই থৈ যোৱা ভাল হব। তিনিহেজাৰ টকা বৰ কমো নহয় কিন্তু।"

"ঠিক আছে তেন্তে। টকা খিনি এতিয়াই ইয়াত থৈ যোৱা ভাল হব।"

"ঠিকেই কৈছ। এতিয়াই থোৱা ভাল হব।"

এইবুলি কৈ এজনে জুহালৰ কাষত থকা শিল এটুকুৰা ডাঙিলেগৈ আৰু তাৰ তলৰ পৰা মোনা এটা উলিয়াই আনিলে। মোনাৰ ভিতৰৰ পৰা টকা পইচাৰ সুমধুৰ শব্দ এটা শুনা গ'ল। জোৰ লগৰীয়াজনে মোনাটোৰ পৰা হাত খৰচৰ বাবে অলপ টকা উলিয়াই লৈ মোনাটো জোৰ হাতত দিলে। ইতিমধ্যে জোই আঠুকাঢ়ি লৈ তাৰ ছুৰীখনেৰে গাঁত এটা খান্দিবলৈ আৰম্ভ কৰিছিল।

মুহূৰ্ত্তৰ ভিতৰতে হাক্ আৰু টমে্ সিহঁতৰ সকলো ভয়, ভাগৰ আৰু কষ্টৰ কথা পাহৰি গ'ল। তিনিহেজাৰ টকা! এতিয়া আৰু সিহঁতে গুপ্তধন বিচাৰি হাবথুৰি খাই অ'ত ত'ত গাত খান্দি ফুৰিব নালাগিব।

হঠাৎ জোই গাঁত খান্দি থকা ছুৰীখন কিবা এটাৰ ওপৰত লগাত এটা শব্দ হল।

"বাঃ, এইটো আকৌ কি ?"—ৰেড্ ইণ্ডিয়ান জোই কৈ উঠিল।

"কিনো ?"—লগৰজনে সুধিলে।

"পচা কাঠ এটুকুৰা—এঃ, নহয়, এইটো বাকচহে হব পায়।"

জোই টান মাৰি বাকচটোৰ সাঁফৰখন খুলি পেলালে।

"আৰে! এয়া দেখোন মোহৰ।"

দুয়োজনে মুঠামাৰি ধৰি মোহৰবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে। সোণৰ মোহৰ। টম আৰু হাকে ওপৰৰ পৰা তক্তাৰ ফাকেৰে এই সকলোবোৰ চাই আছিল। সিহঁতো জো আৰু তাৰ লগৰীয়াজনতকৈ কম উত্তেজিত আৰু আনন্দিত হোৱা নাছিল।

ৰে'ড ইণ্ডিয়ান জোৰ লগৰীয়াজনে এতিয়া কলে—

"আমি সোনকালে কামটো কৰি পেলোৱাই ভাল হব। মই অলপ আগতে সৌ চুকটোতে এখন খন্তি দেখিছিলোঁ। তাকে লৈ আহোঁ ৰ।"

ৰে'ড্ ইণ্ডিয়ান জো'ৰ লগৰীয়াজন লৰি গৈ টম্ হাকে আৰু থৈ দিয়া কোদাল আৰু খন্তিখন লৈ আহিল। জো'ই খন্তিখন লৈ ভালদৰে পৰীক্ষা কৰিলে; মূৰ জোকাৰি নিজকে নিজে কিবা ভোৰভোৰালে, কিন্তু অলপ পাছতে খন্তিখনৰে বাকচটোৰ ওচৰত খান্দিবলৈ ধৰিলে।

বাকচটো মাটিৰ তলৰ পৰা উলিওৱা হল। ৰে'ড ইণ্ডিয়ান জো' আৰু তেওঁৰ লগৰীয়াজনে মোহৰবোৰৰ পিনে আনন্দেৰে চাই থাকিল।

"বাঃ, ইয়াত হেজাৰৰো বেচি মোহৰ আছে।" ৰে'ড্ ইণ্ডিয়ান জোই কলে।

"ওঁ আগতে কোৱা শুনিছিলোঁ যে মুৰেল ডকাইতৰ দলে ইয়াত কিছু-দিন আছিলহি।" জোৰ লগৰীয়াজনে মন্তব্য কৰিলে।

"ওঁ, ময়ো শুনিছিলোঁ।"

"বাৰু, এতিয়া এইবোৰ কি কৰিবি? ইয়াতে পুতি থবি নে?"

"ওঁ, ইয়াতেই পুতি থম।" [ওপৰ মহলাত থকা লৰা দুজনৰ আনন্দৰ সীমা নোহোৱা হল।]

"নাই, ইয়াত থোৱাটো ঠিক নহব।" [লৰাদুজনৰ মনটো সেমেকি গল।]

"ইছ, মই একেবাৰে পাহৰি গৈছিলোঁ। এই খন্তিখনত দেখোন নতুনকৈ খন্দা মাটি লাগি আছে।" [ভয়ত লৰা দুজনৰ পেটতে হাত ভৰি লুকাল।] "কোদাল, খন্তি এইবোৰ বাৰু এই কোনো নোহোৱা ঘৰটোলৈ কৰ পৰা আহিল? আৰু তাৰোপৰি নতুনকৈ খন্দা মাটিয়েই

বা কেনেকৈ লাগিল ? কোনে বাৰু এইবোৰ ইয়ালৈ আনিলে ? নাই টকা পইচাবোৰ ইয়াত পুতি থৈ গলে কোনোবাই লৈ যাব পাৰে। এইবোৰ আমাৰ আডডালৈকে লৈ যোৱাই ভাল হব।"

"এৰা তেনে কৰাই ভাল হব। কলৈ নিবি বাৰু—এক নম্বৰলৈ ?"

"নহয়, দুই নম্বৰলৈ—ক্রুশৰ তলত।"

এইবাৰ ৰেʼড্ ইণ্ডিয়ান জো'ই থিয় হৈ চাৰিওফালে ভুমুক মাৰি চাই ফুৰিবলৈ ধৰিলে। অলপ পিচতেই সি কৈ উঠিল—

"কোনে বাৰু এই কোদাল, খন্তিবোৰ ইয়ালৈ আনিলে ? ওপৰ মহলাত নাইতো ?"

কথাষাৰ শুনি ওপৰ মহলাত থকা টম্ আৰু হাকৰ ভয়তে চুৰ্ত্তি হেৰাল। লগে লগে ওপৰ মহলালৈ উঠা খটখটীত জো'ৰ ভৰিৰ শব্দ শুনা গল। ভয়ত লৰা দুজনে ওচৰত থকা আলমাৰীটোত সোমাব ওলাওঁতেই কাঠৰ খটখটীখন হুৰ্ মুৰ্ কৈ ভাঙি পৰাৰ শব্দ শুনা গল। ভঙা খটখটী খনৰ কাঠবোৰ আহি জোৰ মূৰত পৰিল। জোৰ লগৰীয়াজনে তেতিয়া কলে—

"এৰ অ' এইবোৰ। কোনোবা মানুহ যদি ওপৰত আছে থাকিব দে। ব'ল, এন্ধাৰ হলেই, আমি যাওঁগৈ বল।"

ৰেড্ ইণ্ডিয়ান জো লগৰীয়াজনৰ কথাত সন্মত হল আৰু বাকচটো লৈ নৈৰ ফালে আগুৱাই যাবলৈ ধৰিলে।

সিহঁত দুজন ঘৰটোৰ পৰা ওলাই যোৱাৰ পিচত টম্ আৰু হাক্ থিয় হল আৰু কাঠৰ ফুটাৰে গৈ থকা জো আৰু তাৰ লগৰীয়াজনক লক্ষ্য কৰি থাকিল। এতিয়া হাত ভৰি নভঙাকৈ কোনোমতে তললৈ নামি ঘৰলৈ যাব পাৰিলেই ৰক্ষা বুলি দুয়ো মনে মনে ভাবিলে। টম্ আৰু হাকে নিজকে নিজে দোষাৰোপ কৰিবলৈ ধৰিলে—সিহঁতে কোদাল আৰু খন্তিখন তাত নোথোৱা হলেতো জোই একো সন্দেহ নকৰি সোনৰ মোহৰবোৰ তাতে পুতি থৈ গ'লহেঁতেন। তেতিয়া হলে আৰু সিহঁতক কোনে পায়—মোহৰবোৰ খান্দি উলিয়াই লোৱানো কি বৰ ডাঙৰ কথাটো আছিল সিহঁতৰে দুৰ্ভাগ্য!

## ( ২১ )

সেইদিনা ৰাতি টমৰ বৰ ভাল টোপনি নহ'ল—সি বহুতো সপোন দেখিলে। কেইবাবাৰো সি সপোনত দেখিলে যেন সি টকা-পইচাবোৰ হাতৰ মুঠিত ধৰি আছে, কিন্তু প্ৰত্যেকবাৰেই সপোন ভঙাৰ লগে লগে দেখিলে যে সকলো মিছা। হঠাতে তাৰ ধাৰণা হল যে দিনত দেখা সকলো ঘটনা অলীক সপোন মাথোন। কিন্তু ঘটনাবোৰ তাৰ মনত ইমান স্পষ্ট হৈ আছিল যে সি এই সকলোবোৰ সপোন বুলি মানি লবলৈকো টান পালে। সি মনে মনে থিৰ কৰিলে যে এই বিষয়ে নিশ্চিন্ত হবলৈ সি ৰাতিপুৱাতে হাকক লগ ধৰিব।

হাক ফিনে পাৰত বান্ধি থোৱা নাও এখনৰ মূৰত বহি নৈৰ পানীত ভৰি দুখন জোকাৰি আছিল। টমে মনতে ঠিক কৰিলে যে আগদিনা সেই ধন সম্পত্তিবোৰ দেখাৰ বিষয়ে সি প্ৰথমতে হাকক একো নোসোধে; হাকে নিজেই কথাটো উলিয়ালে সি বুজিব যে সকলো সচাঁ।

"কি খবৰ হাক্?"

"অ' টম আহ।"

দুয়ো অলপপৰ মনে মনে থকাৰ পাছত হাকে কলে—

"টম, সেই মৰা গছডালৰ তলতেই আমাৰ কোদাল আৰু খন্তি থৈ দিলে আমি সহজেই টকাখিনি পাই গলো হয়। ছিঃ এনেকুৱা হবলৈ পায়নে বাৰু!"

"এহ তেনেহলে সেহবোৰ সপোন নহয়।"

"কি সপোনৰ কথা কৈছ?"

"এই কালিৰ ঘটনাবোৰ।"

"সপোন? ভাল কৈছ! সেই খটখটিখন ভাঙি নপৰিলে গম পালিহেঁতেন সপোন নে কি। মই ভাই গোটেই ৰাতি সপোন দেখিছোঁ। যেন বেঁড্ ইণ্ডিয়ান জোই মোক খেদি লৈ ফুৰিছে। মৰক সি।"

"ৰ, ৰ মৰাৰ কথা পিছে পৰেও হব। মৰক নহয়, আগতে তাক বিচাৰি উলিয়া। তাক পালেই ধনখিনি পাবি।"

"টম্ আমি আৰু তাক জীৱনত বিচাৰি নাপাম। ইমানবোৰ ধন সম্পত্তি পোৱাৰ সুযোগ মানুহৰ জীৱনত এবাৰহে আহে; আৰু সেই একমাত্র সুযোগটোকে আমি হেৰুৱালোঁ।...পাছে ৰেড্ ইণ্ডিয়ান জো'ক দেখিলে মোৰ কিন্তু ভীষণ কঁপনি উঠিব ভাই।"

"মোৰতো সেই একে দশাই হব। কিন্তু তথাপি তাক এবাৰ দেখিলে ভাল হয়। তেতিয়াহলে আমি তাৰ পাছে পাছে গৈ সি কোৱা দুই নম্বৰ আড্ডাটো উলিয়াবগৈ পাৰিম।"

"দুই নম্বৰ? ওঁ, সি লগৰজনক তাকেই কৈছিলতো। দুই নম্বৰটো বাৰু কি, টম্?"

"কব নোৱাৰোঁ। ভাবি উলিয়াবই পৰা নাই।...হাক্ এইটো কোনোবা ঘৰৰ নম্বৰ নহয়তো?"

"ধেৎ, নহয়! আৰু হলেও আমাৰ গাঁৱৰ কোনো ঘৰ নহয়। আমাৰ ইয়াত তো ঘৰৰ কোনো নম্বৰেই নাই।"

"ঠিকেই কৈছ। বাৰু ৰ, মই আকৌ ভাবি চাওঁ।

......হাক্, পালো। এইটো নিশ্চয় কোনোবা হোটেলৰ খোটালিৰ নম্বৰ।"

"সেইটোৱেই হব। আমাৰ ইয়াত মাত্র দুখনহে হোটেল আছে—ব'ল আমি খবৰ কৰোঁগৈ।"

"তই ইয়াতে বৈ থাক, হাক্। মই এতিয়াই খবৰ লৈ আহোঁ।"

টমে তেতিয়াই লৰ মাৰিলে। ৰাজহুৱা ঠাইলৈ সি হাকৰ লগত যোৱাতো বৰ ভাল হব বুলি বিবেচনা নকৰিলে। আধাঘণ্টাৰ ভিতৰতে টম্ উভতি আহিল। সি খবৰ দিলে যে এখন হোটেলৰ দুই নম্বৰ কোঠাটো সঁচাকৈয়ে ৰহস্যময়। কোনেও হেনো কেতিয়াও দিনত কোঠাটো খোলা দেখা নাই। ৰাতি হলেহে কেতিয়াবা তালৈ মানুহ অহা যোৱা কৰে।"

"সেই কোঠাটোৱেই বোধহয় আমি বিচৰা দুই নম্বৰটো।"

"হব পাৰে। কিন্তু তই এতিয়া কি কৰিবলৈ ঠিক কৰিছ?" হাকে সুধিলে।

"চা হাক্, সেই হোটেল খনৰ দুই নম্বৰ কোঠাটোৰ পাছফালৰ দুৱাৰখন আছে ঠেক গলি এটাৰ ওপৰত। তই এতিয়া এটা কাম কৰ—য'ত যিমান চাবি পাৱ গোটাই আন। ময়ো মাহীদেউৰ ছাবিকোচা চুৰকৈ আনিম। কোনোবা এদিন এন্ধাৰ নিশা আমি সেই পাছফালৰ দুৱাৰখন খুলি কোঠাটোত সোমাম। তাৰোপৰি, তই কেতিয়াবা সেই বোবা-কলাৰ ভেশচন ধৰা ৰে'ড্ ইণ্ডিয়ান জোক বাটত লগ পাব পাৰ। তাক দেখা পালেই পা'ছ পাছে গৈ চাই আহিবি সি কলৈনো যায়।"

"বাপ্ ৰে, মোৰ ভাই তাৰ পাছে পাছে যাব সাহ নাই।"

"কিয়? সি ওলালে ৰাতিহে ওলাব। ৰাতিনো সি তোক কেনেকৈ দেখিব?"

"আচ্ছা বাৰু, ঠিক আছে। মই তাক দেখিলেই পাছ লম।"

"ওঁ, এনেকৈহে কব লাগে। তই একো ভয় নকৰিবি হাক্।"

( ২২ )

সেইদিনাখনেই ৰাতি টম্ আৰু হাক্ সিহঁতৰ অভিযানৰ বাবে প্ৰস্তুত হ'ল, কিন্তু সেইদিনা জোনাক হোৱা বাবে সিহঁতে অভিযান স্থগিত ৰাখিলে। তাৰ পাছদিনা অৰ্থাৎ মঙ্গলবাৰেও সেই একে দশা; আনকি বুধবাৰেও সেয়ে হ'ল। কিন্তু বৃহস্পতিবাৰৰ ৰাতিটো সিহঁতৰ অভিযানৰ বাবে বঢ়িয়া যেন লাগিল। টমে ঘৰলৈ গৈ মাহীয়েকৰ পুৰণি লেম এটা আৰু গামোচা এখন মনে মনে লৈ আহিল। মাজনিশাৰ অলপ আগতে হোটেলখনৰ আটাইবোৰ মানুহ শুলে।

পোহৰ বৰ বেছিকৈ নোলাবৰ বাবে লেমটোৰ ওপৰত গামোচাখন

বান্ধি লৈ টম্ হোটেলৰ দুই নম্বৰ কোঠাৰ পাছফালৰ দুৱাৰখনৰ পিনে আগবাঢ়িল। হাকে দুৱাৰৰ ওচৰৰ গলিটোৰ মুখত পহৰা দি থাকিল। ইয়াৰ পিচত হাকে বহুতো পৰ মনত নানা·ধৰনৰ দুঃচিন্তা লৈ টম্ অহালৈ বাট চাই ৰ'ল। হাকে ভাবিলে যে টম্ হয়তো ভয়তে কোঠাটোৰ ভিতৰত মূৰ্চ্ছা গৈ পৰি আছে, হয়তো টম্ মৰিয়ে গৈছে, নহলে হয়তো ভয়ত আৰু উত্তেজনাত টমৰ হৃপিণ্ড ফাটি গৈছে। এইবোৰ ভাবি থাকোঁতেই হঠাতে দুৱাৰৰ বাহিৰত টমৰ লেমৰ পোহৰ দেখা গ'ল আৰু টমে উধাতু খাই লৰি আহি হাকক কলে—"পলা, বাচিব খুজিছ যদি পলা।"

পলোৱাৰ কথা টমে হাকক দুবাৰ কোৱাৰ কোনো প্ৰয়োজন নাছিল, কাৰণ টমে বাক্যটো শেষ কৰাৰ আগতেই হাকে ঘণ্টাত অন্ততঃ ত্ৰিশ চল্লিশ মাইল বেগে লৰিবলৈ আৰম্ভ কৰি দিছিল। লৰা দুজনে গাওঁখনৰ এমূৰে থকা পৰিত্যক্ত কছাইখানাটো আহি নোপোৱালৈকে লৰিয়েই থাকিল। সেইখিনি গৈ পাই টমে সকলো ক'লে·········

"বাপৰে বাপ কি সাংঘাতিক। কোঠাটোৰ দুৱাৰখন খোলাৰ লগে লগে মই কি দেখিলো জান?"

"কি? কি দেখিলি?"

"কোঠাটোৰ মজিয়াত পৰি ৰে'ড্ ইণ্ডিয়ান জো গভীৰ টোপনিত লালকাল। মই প্ৰায় তাৰ ভৰিখনত গছকিবই ওলাইছিলোঁ।"

"সি সাৰ নাপালে নে?"

"নাই, সি গমকেই নাপালে। মদ খাই বেহুছ হৈ আছে হব পায়।"

"বাৰু টম্, তই সেই ধন-সম্পত্তিৰ বাকচটো দেখা পালিনে নাই?"

"নাই, বাকচ-টাকচ একো নেদেখিলোঁ। মাথোন কেইটামান ডাঙৰ ডাঙৰ মদৰ পিপাহে দেখিলোঁ।"

"টম্, ৰে'ড ইণ্ডিয়ান্ জো যদি মদ খাই পৰি আছে তেন্তে এতিয়াই বাকচটো বিচাৰি কোঠাটোত সোমোৱা ভাল নহব জানো?"

"ওঁ, কথাটো হয়।......এইবাৰ তেন্তে তয়ে যা।"

শুনুত হাকৰ কঁপনি উঠিল

"নাই ভাই মই নোৱাৰিম ।"

"ময়ো নোৱাৰিম ।"

অলপ পৰ চিন্তা কৰি টমে আকৌ কলে—

"চা হাক্, আমি আৰু আজি চেষ্টা নকৰোঁ। ৰে'ড্ ইণ্ডিয়ান জো কোঠাটোত নাই বুলি নিশ্চিত হলেই আমি আকৌ কোঠাটোত সোমাম। আমি যদি প্ৰত্যেক ৰাতিয়েই এই কোঠাটোৰ সম্মুখত পহৰা দিওঁ তেন্তে এদিন নহয় এদিন আমি জোক কোঠাটোৰ বাহিৰলৈ অহা নিশ্চয় দেখিম। আৰু তেতিয়া হলে সি উভতি অহাৰ আগতেই কোঠাটোত সোমাই বাকচ্‌টো ডাঙি অনানো আৰু কিমান ডাঙৰ কথা!"

"বাৰু তেন্তে সেয়ে হব। মই গোটেই ৰাতি পহৰা দি থাকিম। মই সদায় ৰাতি পহৰা দিবলৈ মান্তি আছোঁ; অৱশ্যে যদি তই বাকী সকলো খিনি কৰিম বুলি কৱ।"

"বাৰু হব। মই বাকী সকলোখিনি কৰিম বাৰু। তই মাথোন পহৰা দিবি আৰু প্ৰয়োজন হলেই মোৰ খিৰিকিৰ কাষলৈ গৈ মেকুৰীৰ মাত মাতি মোক জগাবি।...বাৰু, মই তেন্তে এতিয়া ঘৰলৈকে যাওঁ; তই ৰাতিটোৰ এই বাকীখিনি সময় পহৰা দে।"

"সদায় পহৰা দিম বুলি মইতো কৈছোৱেই টম।"

"বাৰু। তই কিন্তু প্ৰয়োজন হলেই মোক খবৰ দিবি।"

## ( ২৩ )

টমৰ লগত স্কুলত একে শ্ৰেণীত পঢ়া বে'কী থেছাৰ্ নামৰ ছোৱালী এজনীয়ে এদিন তাইৰ লগৰ সকলো লৰা-ছোৱালীকে এটা বনভোজলৈ নিমন্ত্ৰণ জনালে। বে'কী ডাঙৰ মানুহৰ ছোৱালী—দেউতাক জজ। বে'কীৰ মাকে বনভোজ এখন পাতি তাইৰ লগৰ সকলো লৰা ছোৱালীকে নিমন্ত্ৰণ কৰিবলৈ দিব বুলি বহুদিনৰে পৰা কৈ আছিল। বনভোজৰ আগদিনা গধূলিয়ে সকলোৱে নিমন্ত্ৰণ পালে।

পাছদিনা, শনিবাৰে, পুৱাতে বনভোজলৈ ওলোৱা লৰা-ছোৱালী এজাক বে'কীহতৰ ঘৰত গোট খালেগৈ। বে'কীহতৰ ঘৰৰ কোনো ডাঙৰ মানুহ বনভোজলৈ নাযায়। স্কুলৰে ওপৰৰ ক্লাছৰ লৰা-ছোৱালী কেইগৰাকী মান অভিভাবক স্বৰূপে দলটোৰ লগত যাব। ঘৰ এৰাৰ আগতে বেকীৰ মাকে তাইক কলে যে বনভোজ খাই ঘূৰি আহোঁতে সিহঁতৰ ৰাতি হবগৈ পাৰে। গতিকে সেই ৰাতিখন ঘৰলৈ নাহি তাই জাহাজঘাটৰ ওচৰতে কোনোবা ছোৱালীৰ ঘৰত ৰাতিটো থকা ভাল হব। তেতিয়া বে'কীয়ে মাকক কলে যে তাই তেনেহলে ৰাতিটো ছুছি হাৰ্পাৰ হঁতৰ ঘৰতে থাকিব। মাকে ইয়াত সন্মতি দিলে। অলপ পিচত লৰা ছোৱালীজাক খোৱাবস্তু আদি লগত লৈ বনভোজৰ বাবে বিশেষকৈ ভাড়া কৰা সৰু জাহাজ এখনিত উঠিলগৈ।

গাঁৱৰ পৰা প্ৰায় তিনি মাইলমান ভটিয়াই আহি জাহাজখন এখন হাবিৰ ওচৰত পাৰত লাগিলগৈ। লগে লগে বনভোজ খোৱা দলটো পাৰলৈ নামি আহিল আৰু অলপ পিছতে লৰা-ছোৱালীজাকৰ চিঞৰ-বাখৰ আৰু হাঁহি ধেমালিয়ে গোটেই হাবিখন মুখৰিত কৰি তুলিলে। বহুপৰ হাবিয়ে বননিয়ে ঘূৰি ফুৰি সকলোৱে বন্ধা-বঢ়া কৰা ঠাইলৈ ফিৰি আহিল আৰু আহাৰ খালে। খাই উঠাৰ পিচত সকলোৱে অলপ জিৰনি লবলৈ গছৰ তলত বহিল। এনেতে কোনোবাই চিঞৰি কৈ উঠিল—

"কোনে কোনে বাৰু গুহা চাবলৈ যাব?"

সকলো যাবলৈ ওলাল। গুহা চাবলৈ বুলি আগতেই লগত অনা মমবোৰ এতিয়া উলিওৱা হ'ল আৰু অলপ পিচতে সিহঁতে পাহাৰ বগাবলৈ আৰম্ভ কৰিলে। গুহাটোৰ মুখখন আছিল পাহাৰ এখনৰ ওপৰত। গুহাটোৰ ভিতৰখন একেবাৰে ঘিটঘিটিয়া এন্ধাৰ। লৰা ছোৱালীবোৰে মম জ্বলাই লৈ লাহে লাহে গুহাটোৰ ভিতৰলৈ আগবাঢ়িল। গুহাৰ প্ৰবেশ পথটোৰ পৰা অসংখ্য সৰু সৰু বাট আঁকাই পকাই কলৈ গৈছে কোনেও কব নোৱাৰে। মেকডুগলৰ গুহা নামৰ এই প্ৰকাণ্ড গুহাটোৰ সম্পূৰ্ণ আঁতিগুৰি কোনেও নাজানে। কোৱা শুনা যায়

যে কোনোবাই বাট ভুল কৰিলে দিন ৰাতি ঘূৰি মৰিলেও হেনো গুহাৰ বাহিৰলৈ ওলাই আহিব নোৱাৰিবও পাৰে, কাৰণ গুহাটোৰ ভিতৰত আছিল সৰু সৰু গলিৰ দৰে অসংখ্য অঁকোৱা পকোৱা বাট; আৰু সেই বাটবোৰৰ কোনটো ঠিক আৰু কোনটো ভুল বিচাৰি উলিওৱা প্ৰায় অসম্ভব। বনভোজৰ দলটোৰ লগত অহা ওপৰৰ ক্লাছৰ লৰা কেইজন-মানে গুহাটোৰ বিষয়ে অলপ দূৰ ভিতৰলৈকেহে জানিছিল। কোনোবাই গুহাটোৰ নজনা ঠাইলৈ যোৱাটো আচলতে নিয়ম-বিৰুদ্ধ কথা আছিল। টম ছয়াৰেও গুহাটোৰ বিষয়ে খুব অলপহে জানিছিল।

মমবোৰ হাতত লৈ লৰা ছোৱালীবোৰে বহুপৰ গুহাটোৰ ভিতৰত ইফালে সিফালে চিঞৰ বাখৰ কৰি ঘূৰি ফুৰিলে। এইদৰে সময়বোৰ পাৰ হৈ গৈ যে গধূলি হলেই সেইটো কোনেও মনকে নকৰিলে। অৱশেষত গুহাৰ ভিতৰৰ বোকা আৰু এলান্ধুৰে লুতুৰি পুতুৰি হৈ এজন দুজনকৈ সকলোৱে আহি গুহাৰ মুখ পালেহি। অলপ পিছতেই বনভোজৰ দলটোক লৈ জাহাজখন গাঁও অভিমুখে যাত্ৰা কৰিলে।

জাহাজখন আহি পাৰঘাটৰ ওচৰ পোৱাৰ আগতেই হাক্লবেৰী ফিনে তাৰ পহৰা দিয়া কাম আৰম্ভ কৰি দিছে। সেইদিনা ৰাতিটো আছিল বৰ এন্ধাৰ আৰু ডাৱৰীয়া। ক্ৰমে ৰাতি ছয় বাজিল—বাটত মানুহ কমি আহিল। এঘাৰ বাজিল—হোটেলখনৰ সকলো মানুহ শুই পৰিল। চাৰিও ফালে এন্ধাৰ—অইন একো নাই। হাক্ ইয়াৰ পিচতো আৰু বহু সময় ৰৈ থাকিল, কিন্তু একো নঘটিল। বিৰক্ত হৈ সি পহৰা দিয়া এৰি শুই থাকিবগৈ নেকি তাকেই ভাবিবলৈ ধৰিলে।

হঠাতে সি এটা শব্দ শুনিবলৈ পালে। অলপ পিছতে দুজন মানুহ পাছফালৰ দুৱাৰখনেদি হোটেলৰ দুই নম্বৰ কোঠাটোৰ পৰা ওলাই আহি হাকৰ কাষেদি পাৰ হৈ গল। এজনে কাষলতিৰ তলত কিবা এটা কঢ়িয়াই নিয়া হাকে লক্ষ্য কৰিলে। সি ভাবিলে যে সেইটো নিশ্চয় সেই সোণৰ মোহৰবোৰেৰে ভৰা বাকচটোৱেই হব; সিহঁতে নিশ্চয় বাকচটো অইন কৰবালৈ নি লুকুৱাই থব খুজিছে। টমৰ

মাতিবলৈ গৈ মানুহজনক হেকতত্ৰাতকৈ সি অকলেই সিহঁতক অনুসৰণ কৰিলে।

অঁকাই পকাই বহুতো ঘূৰি ফুৰি মানুহ দুজনে অবশেষত পাহাৰলৈ যোৱা বাটটোৰে আগুৱাবলৈ ধৰিলে। পাহাৰখনৰ ওচৰ পাই সিহঁতে পাহাৰ বগাবলৈ আৰম্ভ কৰিলে। পাহাৰৰ বহু ওখলৈকে উঠাৰ পিচত হঠাতে মানুহ দুজন নেদেখা হল। সিহঁত যোৱা বাটে খুব বেগাই অলপ দূৰ গৈ হাক্ এঠাইত মনে মনে বৈ থাকিল। সি এতিয়া কোন ঠাইত আছে সেইটো হাকে সহজে বুজিব পাৰিলে। মানুহ দুজনক অনুসৰণ কৰি আহি সি মিছেছ্ ডগ্লাছ নামৰ বিধবা এজনীৰ ঘৰৰ ওচৰ পাইছেহি।

হঠাতে হাকে তাৰ নিচেই ওচৰতে মানুহৰ মাত শুনিবলৈ পালে। হাকে ততালিকে বুজিলে যে সি অনুসৰন কৰি অহা মানুহ দুজনেই কথা পাতিছে। প্ৰথমে কথা কোৱাজন আছিল ৰেঁড্ ইণ্ডিয়ান জো। জোৰ কথাৰ উত্তৰত অইন এজনে কিবা এটা কলে। এই দ্বিতীয়জন আছিল হাক্ আৰু টমে ভূতে ধৰা ঘৰটোত দেখা ৰেঁড্ ইণ্ডিয়ান জোৰ লগৰীয়া জন। সিহঁতৰ কথা কথা বতৰাৰ পৰা ওচৰতে বৈ থকা হাকে বুজিব পাৰিলে যে মিছেছ্ ডগ্লাছ নামৰ বিধবাজনীৰ কিবা ভীষণ অনিষ্ট কৰিবলৈ জো আৰু তাৰ লগৰীয়াজন সেই ঠাইলৈ আহিছে। হাক তাৰ পৰা লৰ মাৰি পলাবলৈ ওলাল। কিন্তু তেনেতে তাৰ মনত পৰিল যে মিছেছ্ ডগ্লাছে তাক কেইবাদিনো মৰম কৰি খাবলৈ দিছে। তাৰ ভয় হল কিজানি জো আৰু লগৰীয়াজনে মানুহজনীক হত্যা কৰিবলৈকে ওলাইছে।

ৰেঁড্ ইণ্ডিয়ান জোই লগৰজনক কোৱা হাকে শুনিবলৈ পালে—

"মই তোক আগতেই কৈছোঁ আৰু এতিয়াও কওঁ, বিধবাজনীয়ে নিজে মোৰ একো অপকাৰ কৰা নাই। কিন্তু তাইৰ গিৰিয়েকে মোক যথেষ্ট ভোগাইছে। তাইৰ গিৰিয়েক আছিল জজ্ আৰু তেওঁ মোক বদ্মাইছ বুলি কেইবাবাৰো জেললৈ পঠিয়াইছে। অকল সেয়ে নহয়—গোটেই গাৱঁৰ মানুহৰ আগত নিগ্ৰোবোৰৰ দৰে তেওঁ মোৰ গাত চাবক মৰাইছে।

মই এইবোৰৰ প্ৰতিশোধ লোৱাৰ আগতে তেওঁ মৰি থাকিলে। কিন্তু তথাপি মই ইয়াৰ হোৰ নোতোলাকৈ নেৰো। এতিয়া তেওঁৰ এই বৈৰীজনীৰ ওপৰতে প্ৰতিশোধ লম।"

কথাবোৰ শুনি হাকৰ বুজিবৰ বাকী নাথাকিল। এতিয়া হাতত সাৰে ভৰিত সাৰে এখোজ দোখোজকৈ পাছুৱাই অলপ দূৰ আহি পায়েই সি পাহাৰৰ নামনিৰ পিনে লৰিবলৈ আৰম্ভ কৰিলে। পাহাৰখনৰ অলপ নামনিতেই সৰু ঘৰ এটিত মিষ্টাৰ জোনছ্ নামৰ বুঢ়া এজনে তেওঁৰ দুজন পুতেকক লৈ বাস কৰিছিল। হাক্ লৰি আহি বুঢ়াৰ ঘৰৰ দুৱাৰত টকিয়াই বুঢ়া আৰু তেওঁৰ পুতেকহঁতক জগাই তুলি মিছেছ্ ডগলাছৰ বিপদৰ বিষয়ে ক'লে। লগতে সি বুঢ়াক দঢ়াই দঢ়াই ক'লে যেন তেওঁ এইবোৰ কথা সি কৈ দিয়া বুলি কাকো নজনায়।

অলপ পিছতে বুঢ়া আৰু পুতেকহঁতে লগত বন্দুক আদি লৈ পাহাৰৰ ওপৰলৈ উঠি গ'ল। হাক্ অলপ দূৰ তেওঁলোকৰ লগে লগে গৈ এঠাইত ৰৈ থাকিল। এটা ডাঙৰ শিলৰ আঁৰত লুকাই বহি থাকি হাকে কানপাতি শুনিবলৈ চেষ্টা কৰিলে। অলপ পিছতে হঠাতে বন্দুকৰ গুলীৰ শব্দ আৰু কাৰোবাৰ চিঞৰ সি শুনিবলৈ পালে। হাক্ তাত আৰু অলপ সময়ো নৰ'ল। জাপ মাৰি ঠিয় দি উঠি সি পাহাৰৰ ওপৰৰ পৰা যিমান বেগাই পাৰে তললৈ নামিবলৈ আৰম্ভ কৰিলে।

## ( ২৪ )

ৰাতিপুৱা দোকমোকালিতে হাকে আহি বুঢ়াজনৰ ঘৰৰ দুৱাৰত টুকুৰিয়ালে। বুঢ়া আৰু পুতেকহঁত শুই আছিল। হাকে বাহিৰৰ পৰা তাৰ নাম কোৱা মাত্ৰেই বুঢ়াই দুৱাৰ খুলি দি তাক ভিতৰলৈ মাতি নিলে। তেওঁ হাকক আগৰাতিৰ ঘটনাৰ বিষয়ে কবলৈ ধৰিলে—

"মই পিস্তলটো হাতত লৈ আগবাঢ়ি গলোঁ, লৰা দুজন মোৰ পাছে পাছে আহি আছিল। আমি ঠিক ঠাইতে ওলালোঁগৈ। হঠাতে মানুহ

দুজনে আমি অহাৰ গম পাই লৰ মাৰিলে। মই চিঞৰি উঠিলো—"গুলী চলা"! আমি তিনিওঁজনে মানুহ দুজন লৰি যোৱা পিনে লক্ষ্য কৰি গুলী চলালোঁ। কিন্তু মুহূর্ত্তৰ ভিতৰতে সেই বদ্‌মাইছ দুজন আঁতৰি পলাল—গুলী সিহঁতৰ গাত নালাগিলেই বোধ হয়। আমি অলপদূৰ সিহঁতৰ পাছে পাছে খেদি গলোঁ, কিন্তু অলপ পিছত সিহঁতৰ পলোৱাৰ শব্দ আৰু শুনিবলৈ নোপোৱা বাবে আমি খেদিবলৈ এৰি দি পুলিচ থানালৈ গৈ খবৰ দিলোগৈ। পুলিচে সিহঁতক বিচাৰিবলৈ আৰম্ভ কৰিছেই।"

হাকে কিন্তু বুঢ়াজনক সেই মানুহ দুজনৰ এজন যে ৰে'ড্ ইণ্ডিয়ান জো সেই কথা আগতে কোৱা নাছিল। ইকথা সিকথা কৈ থাকোঁতে হাকে বুঢ়াৰ প্ৰশ্নৰ জাউৰিত কৰলৈ বাধ্য হল যে মানুহ দুজনৰ এজন আছিল গাঁৱত মাজে সময়ে দেখিবলৈ পোৱা বোবা—কলা মানুহ এজনৰ ভেশচনত স্বয়ং ৰে'ড ইণ্ডিয়ান জো।

হাকে বুঢ়াৰ ঘৰতে ৰাতিপুৱাৰ জলপান খালে। জলপান খাই উঠাৰ পিছতেই কোনোবাই দুৱাৰত টুকুৰিয়াৰ শব্দ শুনা গল। হাকে তত্‌তালিকে চকীৰ পৰা জাপ মাৰি উঠি এঠাইত লুকাই থাকিল। যোৱা ৰাতিৰ ঘটনাৰ লগত সি নিজকে কোনোমতেই জড়িত কৰিব নোখোজে। কেইবা গৰাকীও মুনিহ তিৰুতা ঘৰৰ ভিতৰলৈ সোমাই আহিল; তেওঁবিলাকৰ ভিতৰত বধবা মিছেছ্ ডগলাছো আছে।

বুঢ়াই সকলোকে ৰাতিৰ ঘটনাটোৰ বিষয়ে কবলগীয়া হ'ল। কথাবোৰ শুনি বুঢ়া আৰু তেওঁৰ পুতেকহঁতে এইদৰে বিপদৰ পৰা ৰক্ষা কৰাৰ বাবে মিছেছ্ ডগ্‌লাছে তেওঁলোকক অশেষ ধন্যবাদ জনালে। কিন্তু বুঢ়াই তত্‌তালিকে কলে যে মিছেছ্ ডগ্‌লাছক বচোৱাৰ বাবে তেওঁ বা তেওঁৰ পুতেকহঁতভকৈ অইন এজনহে বেছি শলাগৰ পাত্ৰ।

এই কথা শুনাৰ লগে লগে সকলোৱে সেইজননো কোন জানিব খুজি তেওঁৰ নাম কবলৈ বুঢ়াক টানি অনুৰোধ কৰিবলৈ ধৰিলে। কিন্তু হাকে আগতে বুঢ়াক অনুৰোধ কৰি থৈছিল যাতে এই ঘটনাৰ সৈতে সি

কোনো প্ৰকাৰে জড়িত আছে বুলি তেওঁ কাকো নকয়। গতিকে বুঢ়াই সকলোৰে অনুৰোধ উপেক্ষা কৰি কাকো হাকব নামটো নক'লে।

সেইদিনাখন আছিল দেওবাৰ। মানুহবোৰ সেইদিনা ৰাতিপুৱা সোনকালেই গীৰ্জ্জালৈ আহি ৰাতিৰ ঘটনাটোৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। শুনা গল যে মানুহ দুজনক তেতিয়াও পুলিচে বিচাৰি উলিয়াব পৰা নাই।

গীৰ্জ্জাৰ প্ৰাৰ্থনা শেষ হোৱাত বে'কী থেছাৰৰ মাকে ছুছী হাৰ্পাৰৰ মাকৰ ওচৰলৈ গৈ সুধিলে—

"আমাৰ বেকী এতিয়াও শুই আছে নেকি ?"

"তোমালোকৰ বেকী ?" ছুছীৰ মাকে অবাক ক'লে।

"ওঁ কিয়, বে'কী জানো বনভোজৰ পৰা আহি যোৱাৰাতি তোমালোকৰ ঘৰত থকা নাই ?"

"নাই, আমাৰ ঘৰলৈতো তাই অহা নাই।"

বে'কীৰ মাক ভয়ত শেতা পৰি চকী এখনত বহি পৰিল। ওচৰতে অইন কাৰোবাৰ লগত কথা পাতি থকা টমৰ মাহীয়েকে এনেতে বে'কীৰ মাকক ক'লে—

"আমাৰ টম্ ক'লৈ গ'ল কবই পৰা নাই। কালি বনভোজলৈ গৈ আৰু ঘৰলৈ উভতি অহা নাই। মোৰ বোধেৰে সি তোমালোক দুজনৰ কোনোবা এজনৰ ঘৰতে ৰাতিটো থাকিল, নহয় জানো ? সি ভয়তে আজি সেইবাবে গীৰ্জ্জালৈকো নাহিল। বাৰু তাক মজা দিম নহয়।"

কিন্তু বে'কী আৰু ছুছীৰ মাকে ক'লে যে টম্ তেওঁলোকৰ ঘৰত ৰাতি থকা নাই। কথাটো শুনি টমৰ মাহীয়েকৰ ভয়ত জীৱ উৰি গ'ল। তেওঁলোকে এতিয়া লৰা ছোৱালীবোৰক টম আৰু বেকীৰ কথা সুধিবলৈ আৰম্ভ কৰিলে। সিহঁত সকলোৱে ক'লে যে উভটিবৰ পৰত টম্ আৰু বে'কী জাহাজত আছিল নে সেইটো কোনেও লক্ষ্য কৰা নাই। অৱশেষত কোনোবা এজনে কৈ উঠিল যে টম আৰু বে'কীয়ে হয়তো বাট

হেকৰাই গুহাৰ ভিতৰতে ঘূৰি ফুৰিছে। কথাষাৰ শুনি বে'কীৰ মাক মূৰ্চ্ছা গ'ল ; টমৰ মাহীয়েকে কান্দিবলৈ আৰম্ভ কৰিলে।

কথাটো তেতিয়াই চাৰিওফালে জনাজাত হৈ পৰিল। লগে লগেই নাও ঠিক কৰা হল ; জাহাজ ভাড়া কৰা হ'ল আৰু আধাঘণ্টা মানৰ ভিতৰতে প্ৰায় দুশ মানুহ টম্ আৰু বেকীক বিচাৰি গুহালৈ যাবলৈ সাজুহৈ ওলাল।

গোটেই আবেলিটো গাওঁখনত ক'তো কাৰো হাই-উৰুমি শুনা নগ'ল। বহুতে টম্‌ৰ মাহীয়েক আৰু বেকীৰ মাকৰ ওচৰলৈ গৈ তেওঁলোকক সান্তনা দিবলৈ চেষ্টা কৰিলে।

গোটেই ৰাতিটো গাঁৱৰ মানুহে টম্ আৰু বে'কীৰ খবৰৰ বাবে আকুল আগ্ৰহেৰে বাট চাই থাকিল—কিন্তু কোনো খবৰ নাই।

পাছদিনা দুপৰীয়া টমহঁতক বিচাৰি যোৱা মানুহবোৰৰ কেইজন মান গাৱঁলৈ উভটি আহিল।

বাকীবোৰে কিন্তু তেতিয়াও টমহতঁক গুহাটোত বিচাৰি থাকিল। উলটি অহা মানুহবোৰে মাথোন ইয়াকে ক'লে যে গুহাটোৰ একেবাৰে ভিতৰুৱা অঞ্চলত এতিয়া টম্ আৰু বে'কীক বিচাৰিবলৈ আৰম্ভ কৰা হৈছে। তেওঁলোকে আৰু কলে যে গুহাৰ ভিতৰত এঠাইত, য'ত সাধাৰণতে মানুহে সোমাবলৈ সাহ নকৰে, "টম" আৰু 'বে'কী' এই নাম দুটা মমৰ ধোঁৱাৰে গুহাৰ বেৰত লিখা আছে। অইন এঠাইত বে'কীৰ মূৰত মৰা ফিতা এডালো হেনো পোৱা গৈছে।

এই দৰে তিনিদিন তিনি ৰাতি পাৰহৈ গ'ল। গাঁৱৰ মানুহবোৰে ক্ৰমে টম্ আৰু বে'কীৰ আশা ত্যাগ কৰিলে। গাওঁখন একেবাৰে আনন্দহীন হৈ পৰিল।

## ( ২৫ )

এতিয়া টম আৰু বেকীৰ কথালৈ অহা যাওক। গুহাত সোমাই প্ৰথমতে সিহঁত দুয়ো অইন লৰা ছোৱালীবোৰৰ লগতেই ইফালে সিফালে

ঘূৰি ফুৰিছিল। কিন্তু ক্ৰমে দুয়ো গুহাৰ ভিতৰৰ এটা একা বেকা বাটেৰে, হাতত মম লৈ, গুহাটোৰ বেৰত লিখি থোৱা মানুহৰ নামবোৰ পঢ়ি পঢ়ি আগুৱাই গৈ থাকোঁতে অইনবোৰৰ পৰা আতৰি বহুদূৰ পালেগৈ। কথা বতৰা পাতি গৈ থাকি দুয়ো গমকেই নাপালে যে সিহঁতে লগৰীয়াবোৰৰ পৰা বহুদূৰ গুছি আহিছে। মমৰ ধোৱাৰে সিহঁতৰ মূৰৰ ওপৰৰ শিলৰ বেৰত নিজৰ নিজৰ নাম লিখি সিহঁত আকৌ অঁকাই-পকাই আগুৱাই গৈ থাকিল। গুহাৰ ভিতৰতে এঠাইত টম্ আৰু বেকীয়ে এটি ধুনীয়া নিজৰা দেখিবলৈ পালে। অইন এঠাইত সিহঁতে দেখিলে যে গুহাৰ বেৰত অসংখ্য বাদুলি ওলমি আছে। বাদুলিবোৰে পোহৰ দেখি ভয় খাই চাৰিওফালে উৰি ফুৰিবলৈ ধৰিলে। টমে ততালিকে বেকীৰ হাতত ধৰি গুহাটোৰ অইন এটা সৰু বাটেদি লৰ মাৰিলে। কিন্তু সিহঁতে পলোৱাৰ আগতেই বাদুলি এটাৰ পাখি এখন লাগি বেকীৰ হাতৰ মমডাল নুমাই গল। বাদুলিবোৰে কিছু দূৰলৈকে লৰা-ছোৱালী হালৰ পাছে পাছে খেদিছিল, কিন্তু টম্ আৰু বেকীয়ে গুহাৰ ভিতৰত থকা অসংখ্য বাটবোৰৰ ইটো বাটে এবাৰ সিটো বাটে এবাৰ লৰি বাদুলিবোৰৰ পৰা ৰক্ষা পৰিল। ইয়াৰ পিছত দুয়ো অলপ জিৰাবলৈ বুলি এঠাইত বহিল। এনেতে বেকীয়ে হঠাতে কলে—"ইছ, মই মন কৰাই নাছিলোঁ। আমি ছাগৈ অইনবোৰৰ পৰা বহুদূৰ আতৰি আহিলোঁ। বহুপৰ কাৰো মাত বোল শুনাই নাই।"

"ওঁ বেকী আমি এতিয়া চিন্তা কৰিবলগীয়া হ'ল। লগৰবোৰক এৰি আমি উত্তৰে আহিলোঁ নে দক্ষিণে আহিলোঁ, আৰু কিমান দূৰ আহিলোঁ একো ক'ব নোৱাৰা হৈছোঁ।"

বেকীৰ ভয় লাগিল।

"বলা টম্, আমি এতিয়া উভটি যাওগৈ।"

"ও বলা, আমি এতিয়া উভটি যোৱাই ভাল হব।"

"তুমি বাট চিনি উলিয়াব পাৰিবাতো? মোৰ হলে একো মনত নাই।"

"বোধহয় পাৰিম। বলাচোন বাৰু।"

দুয়ো গুহাৰ ভিতৰৰ এটা বাটেদি আগবাঢ়িল। বহুদূৰ গৈ থাকিও সিহঁতে অহা বাটটো উলিয়াব নোৱাৰিলে। কিন্তু টমে বে'কীক উৎসাহ দিবলৈ বুলি বাৰে বাৰে কলে—"অ' এইটো বাট নহয় দেখিছোঁ। বাৰু, ভয় নাই। এতিয়াই আমি আগতে অহা বাটটোতে ওলামগৈ নহয়!" তেনেকৈ কৈ থাকিলেও বাৰে বাৰে অকৃতকাৰ্য্য হোৱাৰ ফলত সি নিজেই আশাহীন হৈ পৰিবলৈ ধৰিলে। গুহাৰ ভিতৰত এইদৰে বহুপৰ বাট বিচাৰি ঘূৰি ফুৰাৰ পাছত হঠাতে বেকীয়ে কৈ উঠিল—

"টম্, আমি নিশ্চয় বাট হেৰুৱাইছোঁ। আমি গুহাত হেৰাই গৈছোঁ। উঃ, আমি আৰু কেতিয়াও এই ভয়ঙ্কৰ গুহাটোৰ পৰা ওলাই যাব নোৱাৰিম। উঃ, আমি কিয় অইনবোৰৰ পৰা এইদৰে আতৰি আহিছিলো।"

বেকীয়ে একেবাৰে নিৰুৎসাহ হৈ মাটিত বহি পৰি কান্দিবলৈ ধৰিলে। বেকীৰ কান্দোন দেখি টমৰ ভয় লাগিল। সি ভাবিলে যে হয় বে'কী এতিয়া ভয়তে মৰি যাব, নহলে হয়তো তাই ভয়তে বলিয়া হৈ যাব। টমে তাইৰ কাষতে বহি সান্ত্বনা দিবৰ চেষ্টা কৰিলে। ছোৱালীজনীক এইদৰে বিপদত পেলোৱা বাবে সি নিজকে দোষাৰোপ কৰিবলৈ ধৰিলে। কিন্তু বেকীয়ে তেতিয়া কান্দোন সামৰি কলে যে ইয়াৰ বাবে টমে নিজক দোষ দিয়াতো উচিত নহব। এইবাবে টম যিমান দায়ী তাই হেনো নিজে সিমানেই দায়ী।

অলপ সময়ৰ পিচত দুয়ো আকৌ ঠিক বাটটো বিচাৰি ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। এইদৰে ঘূৰি ফুৰোঁতে টমে এবাৰ বেকীৰ হাতৰ মমডাল লৈ নুমুৱাই পেলালে। এই মিতব্যয়ীতাৰ যথেষ্ট প্ৰয়োজন আছিল। বে'কীয়ে বুজিলে যে গুহাৰ পৰা সহজে বাহিৰলৈ ওলোৱাৰ আশা ত্যাগ কৰি টমে ভবিষ্যতৰ বাবে এতিয়াৰে পৰা সাৱধানে মম ব্যৱহাৰ কৰিবলৈ ওলাইছে। সকলো বুজি আকৌ তাইৰ আশা নাইকিয়া হৈ পৰিল। বে'কীয়ে এইটোও জানিছিল টমৰ জেপত আৰু তিনি

চাবিডালমান মম আছে—তথাপি এতিয়াৰে পৰা বৰ সাবধানতাৰে মম খৰচ কৰাটো ভাল হব বুলি তায়ো ভাবিলে।

ক্রমে দুয়োবো ভাগৰ লাগি আহিল, কিন্তু সিহঁতে তালৈ কান নিদিলে। লৰা-ছোৱালী হালৰ বাবে সময় বৰ মূল্যবান হৈ পৰিছিল, গতিকে ভাগৰ লগা স্বত্তেও কৰবাত বহি থাকি সময় নষ্ট কৰাৰ কথা সিহঁতে ভাবিবই নোৱাৰিলে। যি পিনেই নহওক বাট বিচাৰি ঘুৰি ফুৰিলে কেতিয়াবা হয়তো সিহঁতে ঠিক বাটটো পাই যাবও পাৰে, কিন্তু হতাশ হৈ কৰবাত বহি পৰাৰ মানেই হল সাক্ষাৎ মৃত্যুক ওচৰ চপাই লোৱা।

কিন্তু অৱশেষত বে'কী একেবাৰে ভাগৰি পৰিল; গুহাৰ বাহিৰলৈ ওলোৱাৰ বাট বিচাৰি ঘূৰি ফুৰাৰ শক্তি তাইৰ আৰু নোহোৱা হল। তাই বহি পৰিল। টমো বেকীৰ কাষতে বহিল। দুয়ো কথা পাতিবলৈ ধৰিলে—ঘৰৰ কথা, বন্ধু বান্ধৱৰ কথা আৰু আটাইতকৈ বেছিকৈ ঘৰত থকা লেমবোৰৰ পোহৰৰ কথা। বে'কীৰ ইমান ভাগৰ লাগিছিল যে তাইৰ অলপ পিচতে টোপনি আহিল। টমে এতিয়াহে অলপ শান্তি পালে। কিন্তু অলপ পিছতে বে'কী সাৰ পাই উঠি বহিল।

সকলো আশা হেৰুৱাৰ পাছতো দুয়ো আকৌ বহাৰ পৰা উঠি গুহাৰ বাহিৰলৈ ওলোৱা বাট বিচাৰি ঘূৰি ফুৰিবলৈ ধৰিলে। সিহঁতৰ ধাৰণা হ'ল যেন দুয়ো কেইবাদিনো আনকি হয়তো কেইবা সপ্তাহো জুৰি এইদৰে গুহাৰ ভিতৰত বন্দী হৈ আছে। কিন্তু আচলতে সেইটো নহয়; সিহঁতৰ মমকেইডাল পুৰি শেষ হোৱাগৈয়ে নাছিল।

এইদৰে ঘূৰি ফুৰোঁতে লৰা ছোৱালীহালে গুহাৰ ভিতৰতে আৰু এটি নিজৰা পালে। সিহঁতৰ অসম্ভৱ ভাগৰ লাগিছিল; গতিকে দুয়ো নিজৰাটোৰ পাৰত বহি পৰিল। দুয়োৰে মনলৈ বহুতো দুঃচিন্তা আহিবলৈ ধৰিলে। টমে বে'কীক লাহেকৈ ক'লে—

"বেকী, আমি ইয়াতে, এই নিজৰাটোৰ পাৰতে, থাকিব লাগিব। অইন একো নহলেও ইয়াত অন্ততঃ পানী এটোপা খাবলৈ পোৱা যাব। তাৰোপৰি এই মমডালেই আমাৰ শেষ মম।"

বে'কী কান্দোনত ভাঙি পৰিল। টমে সান্তনা দিবলৈ ধৰিলে, কিন্তু বে'কীৰ কান্দোন বন্ধ নহ'ল।

ক্ৰমে মমডাল জ্বলি জ্বলি শেষ হৈ আহিবলৈ ধৰিলে। লৰা-ছোৱালী হালে একে থৰে মমডাল লাহে লাহে কিন্তু অতি নিষ্ঠুৰ ভাবে গলি গলি নোহোৱা হৈ অহাৰ পিনে চাই বহি থাকিল। মমডাল টিমিক ঢামাককৈ জ্বলিবলৈ আৰম্ভ কৰিলে। হঠাতে এবাৰ শেষবাৰৰ বাবে মমডাল জ্বলি উঠি নুমাই গ'ল—তাৰ পিচতে চাৰিওফালে ভয়াবহ অন্ধকাৰ বিৰাজ কৰিবলৈ ধৰিলে।

বহুপৰৰ পিচত লৰা ছোৱালীহাল চিলমিল টোপনিৰ পৰা সাৰ পাই উঠিল আৰু সিহঁতৰ যন্ত্ৰনা পুনৰ আৰম্ভ হ'ল। টমে বে'কীক কথা পতাবলৈ চেষ্টা কৰিলে, কিন্তু বে'কীয়ে মাতকে নিদিলে—তাই সকলো আশা এৰি দিছে। হঠাতে টমে ক'লে—

"সেইয়া, সেইয়া কিহৰ শব্দ? তুমি শুনিছিলানে?"

দুয়ো উশাহ বন্ধ কৰি শুনিবলৈ চেষ্টা কৰিলে। বহু দূৰত কোনোবাই চিঞৰা অস্পষ্টভাবে শুনা গ'ল। ততালিকে টমে চিঞৰি উত্তৰ দিলে আৰু বে'কীৰ হাতত ধৰি ইখন হাতেৰে এন্ধাৰত খেপিয়াই খেপিয়াই মাতটো অহা ফাললৈ আগুৱাই যাবলৈ ধৰিলে। অলপ আগুৱাই গৈ টমে আকৌ কাণ পাতি চিঞৰটো শুনিবলৈ চেষ্টা কৰিলে। মাতটো পুনৰ শুনা গ'ল আৰু এইবাৰ অলপ ওচৰতে যেন লাগিল।

"তেওঁলোকে আমাক বিচাৰি আহিছে। ব'লা বে'কী। আমি ৰক্ষা পৰিছোঁ।"

গুহাৰ ভিতৰত বন্দী হৈ থকা লৰা ছোৱালী দুটিৰ আনন্দৰ সীমা নোহোৱা হ'ল সিহঁত কিন্তু বৰ ধীৰে ধীৰেহে এন্ধাৰৰ মাজেৰে আগুৱাব পাৰিছিল, কাৰণ গুহাটোত বহুতো ডাঙৰ দ খাল আছিল। অলপ পিচতেই সিহঁত তেনেকুৱা এটা খালৰ ওচৰ আহি পালেহি আৰু তাতেই ৰ'বলগীয়া হ'ল। খালটো কিমান ডাঙৰ এন্ধাৰত সিহঁতে বুজিব নোৱাৰিলে—হয়তো মাত্ৰ তিনি ফুট দ, আকৌ ই হয়তো এশ ফুট দঁও

হব পাৰে। টমে মাটিত পেট পেলাই খালটোৰ পাৰত দীঘল দি পৰি খালটোৰ ভিতৰত হাতেৰে খেপিয়াই চালে কিন্তু খালটোৰ তলখন ঢুকি পোৱা ন'গল। বাধ্য হৈ লৰা ছোৱালী হালে সিহঁতক বিচাৰি অহা মানুহ বোৰলৈ বাট চাই তাতেই বৈ থাকিল। সিহঁতে কাণ পাতি শুনিবলৈ চেষ্টা কৰিলে—লাহে লাহে দূৰৈৰ মানুহবোৰৰ চিঞৰবোৰ আৰু দূৰলৈ আঁতৰি যাবলৈ ধৰিলে। অলপ পিচত আৰু কাৰো মাত শুনা নগ'ল। চিঞৰি চিঞৰি টমৰ মাত ভাঙি গ'ল, কিন্তু একো ফল নধৰিলে।

টম আৰু বে'কীয়ে আকৌ এন্ধাৰত খেপিয়াই নিজৰাটোৰ পাৰলৈ উলটি আহিল। সময়বোৰ পাৰহৈ যাবলৈ ধৰিলে। এবাৰ টোপনি গৈ দুয়ো আকৌ সাৰ পালে।

হঠাতে টমৰ মনলৈ এটা বুধি আহিল। সিহঁত বহি থকা ঠাইৰ ওচৰতে কেইবাটাও সৰু সৰু বাট আছিল। এনেয়ে বহি থকাতকৈ এই বাটবোৰ এবাৰ পৰীক্ষা কৰি চোৱাই ভাল হব বুলি সি ভাবিলে। জেপৰ পৰা চিলা উৰুৱা এডাল দীঘল সূতা উলিয়াই তাৰে এটা মূৰ সি গুহাৰ বেৰৰ পৰা ওলাই থকা এটা শিলৰ সৈতে বান্ধিলে। সূতাডালৰ পাক এৰুৱাই এৰুৱাই এতিয়া টম্ আৰু বে'কী এটা বাটেৰে আগুৱাই যাবলৈ ধৰিলে—টম আগত, বে'কী তাৰ পাছে পাছে। কেইখোজমান গৈ সিহঁত আকৌ এটা খালৰ পাৰ পালেহি। টমে আঠুকাঢ়ি বহি খালটোৰ চাৰিওফালে খেপিয়াবলৈ ধৰিলে। হঠাতে সি দেখিলে অলপ আঁতৰতে থকা এটা ডাঙৰ শিলৰ আঁৰৰ পৰা এডাল জ্বলি থকা মম লৈ এখন মানুহৰ হাত আগুৱাই আহিছে। মানুহ দেখি টমে আনন্দত চিঞৰি উঠিল। লগে লগেই সাউৎ কৰে হাতখন আঁতৰি গ'ল আৰু টমে দেখিলে যে হাতখনৰ গৰাকী অইন কোনো নহয়—ৰে'ড্ ইণ্ডিয়ান জোহে। টম্ হতভম্ব হৈ গ'ল ; তাৰ লৰচৰ কৰিবৰ শক্তি নোহোৱা হৈ পৰিল। কিন্তু পিচ মুহূৰ্ত্ততে সি দেখিলে যে ৰে'ড্ ইণ্ডিয়ান জোই উধাতু খাই পলাবলৈ আৰম্ভ কৰিছে। আদালতত তাৰ বিৰুদ্ধে সাক্ষী দিয়াৰ বাবে জোই এতিয়া খেদি আহি তাক মাৰি নেপেলোৱা দেখি টম্ আচৰিত হ'ল। সি ভাবিলে যে হয়তো

গুহাটোত চিঞৰ মাৰিলে প্ৰতিধ্বনি উঠি মাতটো বিকৃত হৈ যোৱাৰ বাবেই জোই তাৰ মাতটো বুজিব নোৱাৰিলে। টমে কিন্তু এইবোৰ দেখাৰ কথা বে'কীক একোকে নকলে। সি বে'কীক মাথোন ইয়াকে ক'লে যে মনটো ভাল লগাবলৈ সি এনেয়ে তেনেকৈ চিঞৰি উঠিছিল।

নিজবাৰ পাৰলৈ উভতি গৈ দুয়ো আকৌ বহি থাকিলগৈ। সিহঁতৰ অতিপাত ভোক লাগিবলৈ ধৰিলে। টমে ভাবিলে যে হয়তো সিহঁতক বিচাৰি নাপাই গাঁৱৰ মানুহবোৰে সিহঁতৰ উদ্ধাৰৰ আশা ত্যাগ কৰি বিচাৰিবলৈ এৰি দিছে। সি এতিয়া ওচৰতে থকা অইন এটা বাট এবাৰ পৰীক্ষা কৰি চাবলৈ মন কৰিলে। কিন্তু বে'কী বৰ দুৰ্ব্বল হৈ পৰিছে। তাই ক'লে যে তাই তাতেই বৈ থাকিব। বেকীয়ে লগতে ইয়াকো ক'লে যে টমে ইচ্ছা কৰিলে চিলা উৰুৱা সূতাডাল লৈ অইন কোনোবা বাট পৰীক্ষা কৰি চাব পাৰে। গতিকে টমে হাতত সূতাডাল লৈ ওচৰৰে এটা সৰু বাটেদি এন্ধাৰত খেপিয়াই আগবাঢ়িল। ভোকত সি কষ্ট পাইছিল আৰু আগবাঢ়ি আহিবলৈ ধৰা মৃত্যুৰ চিন্তাত তাৰ মনটো গধুৰ হৈ পৰিছিল।

---

(২৬)

•ক্ৰমে মঙ্গলবাৰৰ আবেলি আহি পৰিল আৰু আবেলিও পাৰ হৈ গধূলি হ'লহি।

চেণ্ট্ পিটাছ্‌বাৰ্গ নামৰ টমহঁতৰ গাওঁখন শোকত মুহ্যমান। হেৰোৱা লৰাছোৱালী হালক তেতিয়ালৈকে বিচাৰি পোৱা নাই। সিহঁতক বিচাৰি গুহালৈ যোৱা দলটোৰ বেছি ভাগেই বিচাৰিবলৈ এৰি দি গাঁৱলৈ উভতি আহিছে। তেওঁলোকে ক'লে এইটো দেখাদেখি কথা যে লৰাছোৱালী দুটিক কেতিয়াও বিচাৰি পোৱা নাযাব। বে'কীৰ মাকে শোকত শয্যা ললে; টমৰ মাহীয়েকে সদায় আমন জিমনকৈ বহি থাকি কিবাবোৰ ভাবি থাকিবলৈ ধৰিলে।

হঠাতে সেইদিনাখনেই মাজৰাতি গাঁৱৰ গীৰ্জাৰ ঘণ্টাবোৰ কিহবাৰ সুসংবাদ লৈ একেলগে বাজি উঠিল। মানুহবোৰে কোৱা শুনা গ'ল— "সিহঁতক পোৱা গৈছে! পোৱা গৈছে!" গাঁৱৰ সকলোবোৰ মানুহ তেতিয়াই ঘৰৰ পৰা ওলাই আহি নৈখনৰ পিনে খোজ ললে। অলপ দূৰ গৈয়ে মানুহবোৰে লৰা-ছোৱালীহালক দেখিবলৈ পালে—ঘোড়া-গাড়ী এখনত তুলি এদল মানুহে দুয়োকে আগবঢ়াই আনিছে।

গোটেই গাওঁখন চাকি বন্তিৰে উজলি উঠিল। কোনেও আৰু সেই ৰাতি শুবলৈ ন'গল।

টমৰ মাহীয়েক আৰু বে'কীৰ মাকৰ আনন্দৰ সীমা নোহোৱা হ'ল। বে'কীৰ মাকে লগে লগেই লৰা-ছোৱালী হাল গাঁৱলৈ ঘূৰি অহাৰ খবৰ দি এজন মানুহক গুহাত বে'কীহতঁক বিচাৰি থকা তেওঁৰ স্বামীৰ ওচৰলৈ পঠিয়াই দিলে। বে'কীৰ দেউতাক আৰু গাঁৱৰে অইন কেইজনমানে তেতিয়াও টম্ আৰু বে'কীক গুহাৰ ভিতৰত বিচাৰি আছিল।...

টমে এখন আৰাম চকীত বহি এদল শ্ৰোতাৰ আগত তাৰ গুহাৰ ভিতৰৰ "এড্ভেঞ্চাৰৰ" কাহিনী কৈ আছিল। কথাবোৰ কওঁতে অৱশ্যে সি তাত বহুতো ৰহন সানিহে কৈছিল। টমে শ্ৰোতাসকলক ক'লে সি আৰু বে'কীয়ে কিদৰে চিলা উৰুৱা সূতাডাল ধৰি ধৰি নিজৰাটোৰ ওচৰতে থকা দুটা বাট পৰীক্ষা কৰি চাই গুহাৰ বাহিবলৈ ওলোৱা বাটৰ কোনো সন্ধান নাপালে। ইয়াৰ পিছত সি অকলে অইন এটা বাটেৰে আগুৱাই গলগৈ। সূতা ডালৰ দীঘৰ শেষ সীমালৈকে গৈও বাহিৰলৈ ওলোৱা বাটৰ কোনো সন্ধান নাপাই সি উভতিবলৈ ওলাওঁতেই দূৰৈত অস্পষ্ট এটি পোহৰৰ ৰেখা দেখিবলৈ পালে। সেই পোহৰৰ ৰেখাটি টমৰ মনত দিনৰ পোহৰ যেন লাগিল। সূতাডাল তাতে পেলাই থৈ সি পোহৰৰ ফালে লাহে লাহে আগুৱাই গল। ওচৰলৈ গৈ টমে দেখিলে যে গুহাৰ বেৰত থকা সৰু ফাট এটাৰ মাজেদি বাহিৰৰ দিনৰ পোহৰ সৰকি আহিছে। সেই ফাটটোৰ মাজেৰে কোনোমতে গাটো সৰকাই গুহাৰ বাহিৰ ওলায়েই সি মিচিচিপি নৈখন একেবাৰে ওচৰেদি বৈ যোৱা

দেখিবলৈ পালে। তেতিয়াই নিজৰাটোৰ পাৰলৈ উভটি গৈ টমে সকলো কথা বে'কীক জনালে। বে'কীয়ে কিন্তু টমৰ কথাত বিশ্বাস নকৰিলে আৰু এইদৰে ধেমালি কৰি ৰং চাবলৈ তাক হাক দিলে। বহুতো পৰ বুজোৱাৰ পিচতহে বে'কীৰ বিশ্বাস হল। দুয়ো তেতিয়া এন্ধাৰত খেপিয়াই ফাটটোৰ পিনে আগবাঢ়িল। দূৰৈৰ পৰা পোহৰৰ ৰেখাটি দেখি বেকীৰ আনন্দৰ সীমা নোহোৱা হল। ফাটটোৰে প্ৰথমে টম বাহিৰলৈ ওলাই বে'কীকো উলিয়াই আনিলে। গুহাৰ বাহিৰ ওলায়ে দুয়ো মাটিত বহি পৰি আনন্দতে কান্দিবলৈ ধৰিলে। গুহাৰ বাহিৰত মিচিচিপি নৈৰ পাৰত সেইদৰে অলপ সময় বহি থকাৰ পিচত সিহতে অলপ দূৰেৰে নাও এখন যোৱা দেখিবলৈ পালে। টমে নাওখনৰ মানুহবোৰক চিঞৰি চিঞৰি আৰু হাত বাও দি মাতিবলৈ ধৰিলে। নাওখন পাৰলৈ অহাত টমে সকলো কথা বিবৰি কলে প্ৰথমতে নাৱৰীয়া কেইজনে টমৰ কথা বিশ্বাস কৰিবলৈ টান পালে। তেওঁলোকে কলে যে টমহঁত গুহাটোৰ প্ৰবেশ পথৰ পৰা প্ৰায় পাঁচ মাইল দূৰৈত আহি ওলাইছেহি। যিয়েই নহওক, নাৱৰীয়া কেইজনে টম্ আৰু বে'কীক নাৱত তুলি তেওঁলোকৰ ঘৰলৈ লৈ গল। তাত খোৱাবোৱা আৰু অলপ বিশ্ৰাম কৰাৰ পাছত নাৱৰীয়া কেইজনে সিহতক একেবাৰে গাঁৱৰ পাৰঘাটত আহি থৈ গলহি।

গুহাৰ ভিতৰৰ তিনিদিন তিনিৰাতিৰ কষ্টই টম্ আৰু বে'কীৰ ওপৰত প্ৰভাব নকৰাকৈ নাথাকিল। গোটেই বুধবাৰ আৰু বৃহস্পতিবাৰ দুয়ো বিচনাত পৰি থাকিল। শনিবাৰৰ দিনা টমে সম্পূৰ্ণ সুস্থ বোধ কৰিলে। কিন্তু বে'কীয়ে হলে দেওবাৰৰ দিনাহে কোঠাৰ বাহিৰলৈ ওলাব পাৰিলে।

গুহাৰ পৰা উদ্ধাৰ পোৱাৰ কেইবাদিনো পিচত টমে হাকৰ লগত দেখা কৰিবলৈ গল। বাটতে বে'কীহতৰ ঘৰটো থকা বাবে সি বেকীক দেখা কৰিবলৈ সিহতৰ ঘৰত সোমাল। বে'কীৰ দেউতাকে কেইজনমান বন্ধুৰ লগত কথা পাতি আছিল। তেওঁলোক সকলোৱে টমক গুহাৰ ভিতৰৰ কথা কবলৈ কলে। কথা বতৰাৰ পাছত বেকীৰ দেউতাকে কলে—

"টম্, তোমালোকৰ দৰে অইন কোনোবা আকৌ কেতিয়াবা গুহাৰ ভিতৰত হেৰাই যাব পাৰে। সেই বাবেই আমি এতিয়া এই বিষয়ে ব্যবস্থা কৰিছো। আৰু কোনোদিনেই কোনেও গুহাৰ ভিতৰত হেৰাই যাবলগীয়া নহব।"

"কিয়" ?—টমে সুধিলে।

আমি গুহাৰ মুখৰ বিৰাট দুৱাৰখন লোহাৰ পাত মাৰি বন্ধ কৰি তাত কেইবাটাও তলা লগাই থৈছো ; আৰু তলাবোৰৰ ছাবি মোৰ হাততহে আছে।"

টমৰ মূৰ্চ্ছা যাবৰ উপক্ৰম হ'ল। কোনোমতেহে সি কলে—

"কিন্তু জজ চাহেব, সেই গুহাটোৰ ভিতৰতে যে আছিল ৰে'ড্ ইণ্ডিয়ান জো।"

---

## [ ২৭ ]

অলপ সময়ৰ ভিতৰতে কথাটো গোটেই গাৱঁত ৰাষ্ট্ৰ হৈ পৰিল। কেইবাখনো নাৱত উঠি মানুহবোৰে মেক্ ডুগলৰ গুহালৈ যাত্ৰা কৰিলে। নাওবোৰৰ পাছে পাছে জাহাজ এখনো গল। টম্ ছয়াৰ গ'ল বেকীৰ দেউতাক যোৱা নাওখনতে। গুহাৰ দুৱাৰখন মেলি দেখা গল এটি দুখলগা দৃশ্য—ৰে'ড্ ইণ্ডিয়ান জো মৰি মাটিত পৰি আছে। দুৱাৰত থকা ফাঁট এটাত সি তাৰ মুখখন এনে ভাবে লগাই থৈছিল যেন সি শেষ মূহুৰ্ত্তলৈকে দুচকুৰে বাহিৰৰ আনন্দময় পোহৰোজ্জল পৃথিৱীখনৰ ফালেহে চাই আছিল। টমৰ খুব বেজাৰ লাগিল, কাৰণ তাৰ নিজৰ অভিজ্ঞতাৰ পৰাই সি বুজিব পাৰিছিল ৰে'ড্ ইণ্ডিয়ান জোই কি যাতনা ভুগি মৰিছে। কিন্তু তাৰ বেয়া লাগিল যদিও সি সকাহো পালে। এতিয়াহে তাৰ নিজকে বিপদমুক্ত যেন লাগিল। ৰে'ড ইণ্ডিয়ান জোৰ বিৰুদ্ধে আদালতত সাক্ষী দিবৰ দিন ধৰি সি মনত শান্তি পোৱা নাছিল।

গুহাৰ মুখৰ ওচৰতে ৰে'ড্ ইণ্ডিয়ান জোক কবৰ দিয়া হল।

জোক কবৰ দিয়াৰ পিচদিনা টমে কিবা এটা গুপুত কথা কবলৈ হাক্‌ক্‌ নিৰ্জ্জন ঠাই এডোখৰলৈ লৈ গল। ইকথা সিকথাৰ পিচত টমে ক'লে—

"জান হাক্‌, ধমসম্পত্তিবোৰ গুহাৰ ভিতৰতে আছে।"

হাক্‌ৰ চকুজোৰ উজ্জ্বল হৈ উঠিল।

"আকৌ এবাৰ কচোন, টম্‌।"

"ধন-সম্পত্তিখিনি গুহাৰ ভিতৰতে আছে অ'।"

"টম্‌, তই ভাই ধেমালি কৰা নাইতো ?"

"নাই, ধেমালি কৰা নাই। শপত খাই কৈছোঁ। তই বাৰু মোৰ লগত গুহালৈ গৈ ধন-সম্পত্তিখিনি উলিওৱাত সহায় কৰিবিনে ?"

"নিশ্চয় কৰিম। কিন্তু টম, তোৰ দৰে গুহাৰ ভিতৰত হেৰাই যোৱাৰ ভয় নাইতো ?"

"অকণো নাই।"

"ঠিক আছে তেন্তে। কিন্তু ভাই, তই ধন-সম্পত্তিবোৰ গুহাটোৰ ভিতৰত আছে বুলি……"

"হাক্‌, তই এই বিষয়ে চিন্তা নকৰিবি। আমি যদি টকাখিনি বিচাৰি নাপাওঁ, তেনেহলে মই তোক মোৰ ঢোলটো আৰু অইন অইন যি সম্পত্তি আছে সকলোবোৰ দি দিম। হ'লতো এতিয়া ?"

"বাৰু, তেনেহলে কেতিয়ালৈ যাবি ?"

"তই কৱ যদি এতিয়াই যাওঁ।"

"গুহাৰ ভিতৰত কিমান দূৰৈত বাৰু সেইবোৰ আছে ?"

"অইন কোনোবা গলে পাঁচ মাইলমান দূৰ হব। কিন্তু মই অইন এটা বাটৰ কথা জানো। মোৰ বাহিৰে অইন কোনেও সেই বাটটোৰ কথা নাজানে। হাক্‌, তোক মই নাৱেৰে সেইবোৰ থকা ঠাইডোখৰৰ একেবাৰে ওচৰলৈ লৈ যাম নহয়। ময়ে নাও বাই তোক তালৈ লৈ যাম আৰু উভতি আহোঁতেও ময়ে বঠা মাৰিম বাৰু। তই একো কৰিব নালাগে।"

"ব'ল তেন্তে এতিয়াই যাও।"

"বাৰু।"

প্ৰয়োজনীয় বস্তুবোৰ গোটাই লৈ অলপ পিচতে লৰা দুজনে সৰু নাও এখন লৈ যাত্ৰা আৰম্ভ কৰিলে। বহুদূৰ যোৱাৰ পিচত সিহঁতে নাওঁ পাৰত লগালে। টমে কলে—

"হাক্, তই ঠিয় দি থকা ঠাইডোখৰৰ একেবাৰে ওচৰতে মই গুহাৰ পৰা বাহিৰলৈ ওলাই অহা ফাটটো আছে। তই বাৰু বিচাৰি উলিয়াব পাৰিবি নে?"

হাকে চাৰিও ফালে চালে কিন্তু ফাটটো উলিয়াব নোৱাৰিলে। টমে তেতিয়া গৰ্ব্বেৰে ওচৰতে থকা জোপোহা কিছুমানৰ মাজলৈ গৈ ফাটটো হাকক দেখুৱাই দি কলে—

"এইয়া চা হাক্, এইটো। কোনেও এই ফাটটোৰ কথা নাজানে, তয়ো কাকো নকবি। মইতো ইমান দিনে ডকাইত হোৱাৰ কথা ভাবি আছিলোঁ, নহয় জানো? কিন্তু ঠিক এনেকুৱা এটা কোনেও নজনা গুপুত পথৰ মোৰ প্ৰয়োজন আছিল; যাতে বিপদত পৰিলে ইয়াত আশ্ৰয় লব পাৰোঁ। এতিয়াতো পালোঁ। আমি কিন্তু ইয়াৰ বিষয়ে কাকো একো নকওঁ দেই—অবশ্যে বেন ৰজাৰ আৰু জো হাৰ্পাৰৰ বাহিৰে। কাৰণ ডকাইত হবলৈ হলে আমাৰ এটা দলৰ প্ৰয়োজন হব নহয়। টম্ ছয়াৰৰ ডকাইত দল—কেনেকুৱা শুনি বাৰু? শুনিবলৈ বঢ়িয়া, নহয়নে বাৰু হাক্?"

"কব লাগিছেনে আৰু।"

প্ৰয়োজনীয় সকলোবোৰ ঠিক ঠাক কৰি লৈ লৰা দুজনে ফাটটোৰে গুহাৰ ভিতৰত প্ৰবেশ কৰিলে। গুহাত সোমাই কেইখোজমান যোৱাৰ পিচতে সিহঁত আহি সেই নিজৰাটোৰ পাৰত উপস্থিত হল। নিজৰাটোৰ পাৰলৈ আহি সকলোবোৰ কথা মনত পৰি টমৰ গাটো জিকাৰ খাই উঠিল। নিজৰাটোৰ পাৰৰে এডোখৰ ঠাইত সিহঁতৰ শেষ মমডাল গলি গলি নাইকিয়া হৈ গৈছিল। সেই ঠাইডোখৰ সি হাকক দেখুৱালে।

তাৰ পৰা আৰু অলপ দূৰ গৈ টমে ৰেড্ ইণ্ডিয়ান জোক যিটো খালৰ পাৰৰ পৰা দেখিছিল তাৰ ওচৰ আহি পালেহি। টমে কলে—

"হাক্, মই তোক এতিয়া কিবা এটা দেখুৱাম ৰ।"

এই বুলি কৈ টমে তাৰ হাতৰ মমদাল আৰু ওখকৈ ধৰি কলে—

"সেই দূৰৰ চুকটোলৈ চাচোন। কিবা দেখিছনে? সেই তাত, ডাঙৰ শিল টুকুৰাৰ ওপৰত মমৰ ধোঁৱাৰে কিবা অঁকা নাই জানো?"

"টম, সেইডাল ক্রুচচিন দেখোন।"

"বাৰু এতিয়া মনত পেলাচোন ৰে'ড্ ইণ্ডিয়ান জোই কি কৈছিল— দুই নম্বৰ ক্রুচৰ তলত নহয় জানো? সেই ক্রুচ চিনডাল যত দেখিছ তাতেই মই ৰেড্ ইণ্ডিয়ান জোক দেখিছিলো।"

হাকে অলপ পৰ সেই ৰহস্যময় ক্রুশডালৰ প্রতি একে থৰে চাই থাকি ভয়ে ভয়ে কলে—

"টম্ বল আমি ইয়াৰ পৰা ওলাই যাওঁ।"

"কি? ওলাই যাম? ধন সম্পত্তি ইয়াতে এৰি? ধ্যেৎ।"

"ওঁ, ধন সম্পত্তি আৰু নেলাগে ব'ল। ৰেড্ ইণ্ডিয়ান জোৰ প্রেতাত্মা নিশ্চয় ইয়াৰ ওচৰে পাজৰে ঘুৰি ফুৰিছে।"

"নহয় হাক্, নহয়। প্রেতাত্মাই সি যত মৰি পৰি আছিল তাতহে ঘূৰি ফুৰিব—সেই গুহাৰ মুখতহে। সেই ঠাই ডোখৰতো ইয়াৰ পৰা অন্ততঃ পাঁচ মাইল আঁতৰত।"

"ওঁহো টম, নহয়। প্রেতাত্মাই এই ধন সম্পত্তি বোৰৰ ওচৰতহে ঘূৰি ফুৰিব। মই ভূত প্রেতৰ বিষয়ে সকলো জানো আৰু তয়োতো নজনা নহয়।"

টমৰো হাক্‌ৰ কথাই সঁচা বুলি ভাব হল। তাৰো অলপ ভয় লাগিল। হঠাতে তাৰ মনলৈ এটা বুধি আহিল, সি হাকক্ ক'লে—

"চা হাক্, আমি ইমান পৰে মিছাই ভাবি মৰিছো, ক্রুশ চিন যি ঠাইত আছে, সেই ঠাইলৈ বাৰু জোৰ প্রেতাত্মা কেনেকে আহে?"

কথাটো হাকৰ বিশ্বাস হল।

"ওঁ তই ঠিক কৈছ টম্। মই কথাটো ভবাই নাছিলো। আমাৰ ভাগ্য ভাল যে ইয়াত ক্রুচ চিনটো আছে। ব'ল এতিয়া গুপ্তধন থকা বাকচটো বিচৰাত লাগি যাওঁ।"

হাকে কথাখিনি কোৱাৰ পিচতে দুয়ো বাকচটো অনুসন্ধান কৰাত লাগি গল, কিন্তু বহুত পৰ বিচাৰিও সিহঁতে বাকচটোৰ কোনো সন্ধান নাপালে। আকৌ এবাৰ সিহঁতে চাৰিওফালে বিচাৰি চাই হতাশ হৈ বহি পৰিল। হঠাতে টমে কলে—

"চা হাক্, সৌ শিলটোৰ মাত্র এফালৰ মাটিত মানুহৰ খোজ কেই-টামান আৰু মমবাতিৰ পৰা বাগৰা মমৰ টোপাল কিছুমান দেখা গৈছে, কিন্তু আনটো ফালে কোনো চিন-চাব নাই। ইয়াৰ কাৰণ কি বাৰু? মই বাজী মাৰি কব পাৰোঁ যে টকা পইচাবোৰ এই শিলটোৰ তলতে পুতি থৈছে। মই এতিয়াই খান্দি চাম।"

এইবুলি কৈয়ে টমে শিলটোৰ একাষৰ মাটিখিনি খন্দাত লাগি গল। মাত্র কেই ইঞ্চিমান খন্দাৰ পাছতে চুৰীখন কাঠত লগাৰ শব্দ এটা হল।

"হাক্, শুনিলিনে?"—টমে সুধিলে।

হাকেও এতিয়া মনৰ উলাহেৰে মাটি খন্দাত লাগি গল। অলপ পৰ খান্দি সিহঁতে কেইছটা কাঠৰ তক্তা দেখিবলৈ পালে। তক্তাবোৰ আঁতৰাই পেলাই সিহঁতে দেখিলে, মাটিৰ তললৈ নামি যাব পৰা এখন সৰু খট্‌খটী। টমে তেতিয়াই খট্‌খটী খনেৰে তললৈ নামি গ'ল, পাছে পাছে হাকো যাবলৈ ধৰিলে। কেই খোজমান গৈয়ে টমে চিঞৰি উঠিল—

"ইছ্, চা হাক্, সৌৱা চা।"

অলপ আঁতৰতে ফাট এটাৰ ভিতৰত থোৱা আছিল ধন-সম্পত্তিৰ বাকচটো, লগতে চামৰাৰ খাপত ভৰোৱা দুটা বন্দুক, দুজোৰমান পুৰণি জোতা, চামৰাৰ ফিটা এডাল আৰু অইন সৰু সুৰা বস্তু দুটামান।

তৎতালিকে বাকচটো খুলি সোণৰ মোহৰ কিছুমান হাতত লৈ হাকে ক'লে—

"পালোঁ যাহক !...আমি এতিয়া ভীষণ ধনী হৈ গলো, নহয় জানো টম্ ?"

"হাক্, মোৰ সদায় বিশ্বাস আছিল যে আমি এদিন নহয় এদিন ধনখিনি পামেই। অৱশ্যে ইমানখিনি ধন পোৱাৰ কথা বিশ্বাস কৰিবলৈ টানেই। বাৰু, এতিয়া আমি ইয়াত এইদৰে সময় নষ্ট নকৰি ইয়াৰ পৰা এইবোৰ লৈ ওলাই যাওঁ বল। চাওঁ বাৰু, মই অকলে বাকচটো ডাঙিব পাৰোঁ নে নোৱাৰোঁ।"

বাকচটোৰ ওজন প্ৰায় আধা মোণ ; টমে কোনোমতেহে ডাঙিলে। সি কলে—

"মই আগতেই জানিছিলো যে বাকচটো খুব গধুৰ হব, গতিকে লগত সৰু সৰু মোণা দুটা আনি ভালেই কৰিলোঁ।"

মোহৰবোৰ বাকচটোৰ পৰা মোণা দুটাত ভৰোৱা হল আৰু দুয়ো সেইবোৰ খট্‌খটীৰে ওপৰলৈ কঢ়িয়াই নি শিলটোৰ ওচৰত থলেগৈ।

"এতিয়া ব'ল আমি বন্দুক দুটা আৰু বাকী বস্তুখিনি লৈ আনো গৈ," হাকে ক'লে।

"নালাগে হাক্ ; সেইবোৰ তাতে থাকিব দে। আমি ডকাইতৰ দল গঠন কৰিলে সেইবোৰ বৰ কামত আহিব।"

"বাৰু থাক তেন্তে,"—হাকে ক'লে।

"ব'ল, আমি এতিয়া ইয়াৰ পৰা ওলাই যাওঁ। মোৰ বৰ ভোক লাগিছে। নাৱলৈ গৈ আমি কিবা অলপ খাব পাৰিম, ব'ল।"

নাৱলৈ গৈ লগত লৈ অনা বস্তুবোৰ দুয়ো ভগাই খালে। বেলি মাৰ যোৱাৰ লগে লগে সিহঁতে নাও এৰি দিলে। এন্ধাৰ হোৱাৰ অলপ পিচতে নাও আহি গাওঁ পালেহি। টমে ক'লে—

"হাক্, আমি এই টকা পইচাবোৰ আজি মিছেছ ডগ্‌লাছ নামৰ বিধবা গৰাকীৰ খৰি থোৱা ঘৰটোত লুকাই থওঁগৈ ব'ল। কাইলৈ পুৱা দুয়ো আহি এইবোৰ লেখি চাই সমানে ভগাই লম। তাৰ পিচত আমি এইবোৰ আকৌ হাবিৰ মাজৰ এটুকুৰা নিৰাপদ ঠাইত লুকুৱাই থম। বাৰু, তই

অলপ সময় নাৱতে বৈ থাক। মই লৰি গৈ বেʼন টেইলৰৰ ঠেলা গাড়ী-খন লৈ আহোঁ।”

অলপ পিচতে টমে ঠেলা গাড়ীখন লৈ নাও খনৰ ওচৰত উপস্থিত হল। টকাৰ মোনা দুটা গাড়ীখনৰ ওপৰত তুলি দি ফটা ছিটা কাপোৰ ফিছুমানেৰে মোণা দুটা ঢাকি দিয়া হʼল। গাড়ীখন ঠেলি ঠেলি দুয়ো আগবাঢ়িল। মিছেছ ডগ্লাছৰ বিপদৰ কথা জানিব পাৰি হাকে যিজন বুঢ়াৰ ঘৰলৈ গৈ তেওঁক আৰু তেওঁৰ পুতেকহঁতক খবৰ দিছিলগৈ গাড়ী-খন ঠেলি ঠেলি দুয়ো এতিয়া সেই ঘৰটোৰ ওচৰ পালেহি। তাতে সিহঁতে অলপ জিৰণি লবলৈ ৰʼল। জিৰাই উঠি যাবলৈ ওলাওঁতেই বুঢ়াজন ঘৰৰ পৰা ওলাই আহি মাত দিলে—

“কোন সেয়া ?”

“হাক্ আৰু টম্ ছয়াৰ।”

“অʼ হয় নেকি ? তোমালোক মোৰ লগত বʼলা। অইন সকলোৱে তোমালোকৰ বাবে অপেক্ষা কৰি আছে। বʼলা, বʼলা, বেগাই খোজ দিয়া। চাওঁ গাড়ীখন মোক দিয়া।” এইবুলি কৈ বুঢ়াই নিজে গাড়ীখন ঠেলি নিবলৈ আৰম্ভ কৰিলে। বুঢ়াই গাড়ী-খন অলপ দূৰ ঠেলি নিয়েই সুধিলে—

“বৰ গধুৰ দেখোন। কি আছে ইয়াত—ইটা নে পুৰণি লোহা লক্কৰ ?”

“পুৰণি লোহা—লক্কৰ।”—টমে উত্তৰ দিলে।

“ওঁ, ঠিকেই ধৰিছোঁ তেন্তে। বাৰু বʼলা বেগাই খোজ দিয়া এতিয়া।” ইমান লৰালৰি কৰাৰ কাৰণ নো কি লৰা দুজনে জানিব খোজাত বুঢ়াই কʼলে—

“এতিয়া জানিব নেলাগে বাৰু। আমি মিচেছ ডগ্লাছৰ ঘৰ গৈ পালেই জানিব পাৰিবা।”

এইদৰে কথা বতৰা পাতি গৈ থাকোঁতেই সিহঁতে মিছেছ ডগ্লাছৰ ঘৰ পালেগৈ। বুঢ়াই দুয়োকো ঠেলি হেচি ঘৰটোৰ ভিতৰলৈ

পঠিয়াই দিলে। মোহৰবোৰে সৈতে ঠেলা-গাড়ীখন বাহিৰতে পৰি থাকিল।

মিছেছ ডগ্‌লাছৰ ঘৰত গাঁৱৰ প্ৰায় সকলো গণ্যমান্য মানুহেই উপস্থিত আছিল। বিধবা গৰাকীয়ে লৰা দুজন সোমোৱা মাত্ৰই বৰ আদৰ কৰি মাতি নিলে। সিহঁত দুয়োৰো কাপোৰ-কাণিত বোকা আৰু গুহাৰ এলান্ধুবোৰ লাগি আছিল। টমৰ মাহীয়েকো তাত উপস্থিত আছিল। তেওঁ টমক তেনে অৱস্থাত দেখি লাজতে ৰঙা পৰি উঠিল।

মিছেছ ডগলাছে দুয়োকো এটা কোঠালৈ নি ক'লে—

"এতিয়া তোমালোক দুয়ো মুখ হাত ধুই ইয়াত থকা কাপোৰ দুজোৰ পিন্ধা। এই কাপোৰ দুজোৰ তোমাৰ হাক্‌—তোমাৰ বাবেই কিনি আনিছো। বাৰু, তোমালাকে কাপোৰ পিন্ধি খাবলৈ আহিবা।"

---

( ২৮ )

হাকে ক'লে—

"টম্ আমি ইয়াৰ পৰা পলাওঁ ব'ল।"

"ধেৎ, পলাবলৈ আকৌ যাম কিয় ?

"মোৰ ভাই এইদৰে ইমান ভদ্ৰ মানুহৰ লগত বহি নিমন্ত্ৰণ খোৱাৰ অভ্যাস নাই নহয়। মোৰ বৰ ভয় লাগিছে।"

"মই আছোঁ নহয়, তই কিয় ভয় কৰিছ ? মই তোৰ লগে লগে থাকিম নহয়।"

দুয়ো কাপোৰ পিন্ধি যেতিয়া খোৱা কোঠাত সোমালগৈ তেতিয়া সকলোৱে খাবলৈ বহিছে। খাই উঠাৰ পিচত বুঢ়াই সকলোকে সম্বোধন কৰি ক'লে যে মিছেছ ডগ্‌লাছক ৰে'ড ইণ্ডিয়ান জোৰ হাতৰ পৰা ৰক্ষা কৰাত তেওঁ আৰু তেওঁৰ পুতেকহঁতে সহায় কৰিছে যদিও, আচলতে ধন্যবাদৰ পাত্ৰ অইন এজনহে। এই বুলি কৈ তেওঁ হাক্‌ৰ বিষয়ে সকলো কথা বিবৰি কলে। বুঢ়াৰ কথা শুনি হাক্‌ৰ প্ৰতি মিছেছ ডগ্‌লাছৰ

কৃতজ্ঞতাৰ সীমা নোহোৱা হ'ল। কোঠাত থকা অইন মানুহবোৰেও হাক্‌ৰ প্ৰতি প্ৰশংসাৰ দৃষ্টিৰে চাই থাকিল।

অলপ পিচতে মিছেছ ডগ্‌লাছে ক'লে যে হাক্‌ৰ কোনো ঘৰবাৰী নথকাৰ বাবে তেওঁৱেই তাক নিজৰ ঘৰত ৰাখি স্কুলত পঢ়ুৱাব আৰু হাক্ অলপ ডাঙৰ হলেই তেওঁ তাক অলপ টকা দি সৰু সুৰা ব্যবসায় এটাত লগাই দিব। এতিয়াহে টম্‌ৰ সুযোগ আহিল। সি ততালিকে কৈ উঠিল।—

"হাকক টকা নালাগে; তাৰ নিজৰে বহুত টকা আছে।"

সকলোৰে এই কথাত হাঁহি উঠিছিল যদিও তেওঁলোকে কোনোমতে হাঁহি দমাই ৰাখিলে। কিন্তু কোনেও একো নামাতিলে। টমে তেতিয়া আকৌ ক'লে—

"হাকৰ বহুত টকা আছে। বোধহয় আপোনালোকে এই কথা বিশ্বাস কৰিব পৰা নাই। বাৰু, আপোনালোকে এক মিনিট অপেক্ষা কৰক; মই এতিয়াই আহিছোঁ।"

এই বুলি টমে বাহিৰলৈ লৰ মাৰিলে। অলপ সময়ৰ পিচত সি কোনোমতে মোণা দুটা ডাঙি আনি কোঠাৰ ভিতৰ সোমাল। হালধীয়া ৰঙৰ মোহৰবোৰ মেজৰ ওপৰতে ঢালি দি সি ক'লে—

"চাওক, মই আপোনালোকক কৈছিলো নহয়। ইয়াৰে আধা মোৰ আৰু আধা হাকৰ।"

দৃশ্যটো দেখি সকলোৱে মুখৰ মাত হেৰাল। সকলোৱে মাথোন একেথৰে মোহৰবোৰৰ ফালে চাই থাকিল। অলপ পিচতে মিছেছ ডগ্‌লাছৰ ঘৰত উপস্থিত থকা সকলো মানুহেই মোহৰবোৰ পোৱাৰ বিষয়ে সকলো কথা কবলৈ টানি অনুৰোধ কৰাত টমে আটাইবোৰ কথা বিবৰি কলে।

মোহৰবোৰ লেখি চাই হেজাৰতকৈ কিছু বেচি পোৱা গল। কোঠাটোত থকা মানুহবোৰৰ কোনেও একে লগে ইমান মোহৰ কেতিয়াও দেখা নাছিল।

( ২৯ )

টম্ আৰু হাকে এইদৰে গুপ্তধন পোৱাৰ কথা চাৰিওফালে জনাজাত হৈ পৰিল। টম্ আৰু হাক্ যলৈকে যায় তাতেই মানুহে সিহঁতক আদৰ-সাদৰ আৰু সম্মান কৰিবলৈ ধৰিলে। সিহঁতৰ গাঁৱৰ পৰা ওলোৱা বাতৰি কাকতখনতো দুয়োৰে জীৱনী ওলাল।

হাক্ ফিন্ এতিয়া মিছেছ ডগ্‌লাছৰ ঘৰত থাকে। কিন্তু সি তাত খুব সুখত থাকিলেও শান্তিত নাছিল। সি তাত সদায় পৰিষ্কাৰ পৰিচ্ছন্ন হৈ থাকিব লাগিছিল, চুলি আচুৰিব লাগিছিল, তুলাৰ দৰে কোমল বিচনাত শুব লাগিছিল, তাৰোপৰি সি খাবৰ সময়ত ছুৰী কাঁটা ব্যৱহাৰ কৰিব লাগিছিল। কিতাপ পঢ়িব লাগিছিল, গীৰ্জ্জালৈ যাব লাগিছিল—আৰু কত কি। সকলো ফালেই তাক সভ্যতাৰ বান্ধোনেৰে কটকটিয়াকৈ বান্ধি ৰখা হৈছিল।

বৰ ধৈৰ্য্যৰে হাকে তিনি সপ্তাহ ধৰি এই "কষ্টবোৰ" সহ্য কৰিলে আৰু তাৰ পিচত এদিন মিছেছ ডগ্‌লাছৰ ঘৰৰ পৰা নোহোৱা হল। সকলোৱে বিচাৰ খোচাৰ লগালে। আনকি কিছুমানে হাক নৈত ডুবি মৰা বুলি পানীত জাল মাৰিও চালে। তৃতীয় দিনা ৰাতিপুৱা টম্ ছয়াৰে খালি গাহৰি গঁড়াল কিছুমানত হাকক বিচাৰি ফুৰিবলৈ ধৰিলে। অল্পপ পিচতেই সি গঁড়াল এটাৰ ভিতৰত পলৰীয়াজনক বিচাৰি পালে। হাকে এই কেইদিন ৰাতি সেই গাহৰি গঁড়ালটোৰ ভিতৰতে শুইছিল। সি তাৰ সকলো পৰিষ্কাৰ পৰিচ্ছন্ন কাপোৰ এৰি আগৰ ফটা-ছিটা কাপোৰকে পিন্ধি পাইপ টানি টানি গঁড়ালটোৰ ওচৰতে বহি আছিল। টমে তাক বহুতো বুজাই বঢ়াই আকৌ মিছেছ ডগ্‌লাছৰ ঘৰলৈ উভটি যাবলৈ ক'লে। টমৰ কথা শুনি হাকৰ আনন্দিত মুখখন আকৌ ক'লা পৰি গল। সি ক'লে—

"নাই ভাই টম্, এই বিষয়ে আৰু নকাব। মই বহুত চেষ্টা কাৰ চাইছিলোঁ। কিন্তু লাভ নাই। বিধবা গৰাকীয়ে মোক খুব মৰম কৰে

সঁচা, কিন্তু ভাই, মোৰ দ্বাৰা তাত থকা নহব। তাত সদায় ৰাতিপুৱা মই বন্ধা ধৰা-সময়ৰ ভিতৰত শুই উঠিব লাগে, পৰিষ্কাৰ কাপোৰ পিন্ধিব লাগে। সেই কাপোৰবোৰ পিন্ধিলে মোৰ ভাই উশাহ-নিশাহ বন্ধ হয়। গীৰ্জ্জালৈ যাব লাগে—উস, গীৰ্জ্জাৰ সেই ধৰ্ম্মকথাবোৰ যে মোৰ ইমান যেয়া লাগে। তাত মই ঘড়ীৰ কাঁটা ধৰি খাব লাগে, শুব লাগে, শুই উঠিব লাগে। নাই টম্ মোৰ আৰু তাত থকা নহব।"

"কিয় ? এইবোৰতো সকলোৱে কৰে হাক্।"

"নাই ভাই, সকলোৱে কৰিলেও মোৰ দ্বাৰা কৰা নহব। মাছ মাৰিবলৈ যাব খুজিলেও মিছেছ ডগ্‌লাছক সুধি যাব লাগে, সাঁতুৰিব গলেও অনুমতি লব লাগে। তাৰোপৰি তেওঁ মোক পাইপ খাবলৈকো নিদিয়ে। এতিয়া এই ফটা-ছিটা কাপোৰবোৰ পিন্ধিছো—বেছ আৰামতে আছো। এতিয়াহে বুজিছোঁ টম্, ধনী হৈ একো লাভ নাই; ধনী হোৱাতকৈ মৰি যোৱাই ভাল। টম্, তই ভাই বিধবা গৰাকীৰ ওচৰলৈ গৈ মোৰ হৈ সকলো কথা বুজাই কবি।"

"নাই ভাই সেইটো মই কৰিব নোৱাৰিম। তই আকৌ চেষ্টা কৰি চা, দেখিবি আৰু অলপ দিন তাত থাকিলেই তোৰ ভাল লাগি যাব।"

"ভাল লাগিব ? ওঁ যদি কোনোবা দিনা জ্বলা জুইৰ ওপৰত বহি ভাল লাগে, তেনেহলেহে মোৰ তাত থাকি ভাল লাগিব পাৰে। নাই টম্, সেই ধুনীয়া ঘৰবোৰত থাকি মোৰ কোনো দিনেই ভাল নালাগে, মই জানো। মই ভালপাওঁ হাবি, নদী, আৰু এই গাহৰি গঁড়ালবোৰ আৰু মই এইবোৰৰ মাজতেই থাকিম। আৰু চাচোন আমাৰ দুৰ্ভাগ্য! আমি যেতিয়া বন্দুক পালোঁ, বঢ়িয়া গুপুত গুহা এটা বিচাৰি পালোঁ আৰু ডকাইত হবলৈ সকলো ঠিক-ঠাক কৰিলোঁ, তেতিয়াইনো বাৰু এই দৰে বান্ধোনত পৰি যাব লাগেনে ?"

টমে এতিয়াহে সুযোগ পালে। সি কলে—

"চা হাক্, মই গুপ্তধন পাই ধনী হৈ গলোঁ বুলিয়েই ডকাইত হোৱাৰ চিন্তা এৰি পেলোৱা নাই।"

"এৰি পেলোৱা নাই ? তই সচাঁকৈয়ে কৈছনে বাক, টম্ ?"

"সচাঁকৈয়ে কৈছোঁ। কিন্তু হাক্, তইতো নিজেই জান যে তই অলপ ভদ্ৰ নহলে তোক আমি আমাৰ দলত লব নোৱাৰো।"

হাক্‌ৰ মনটো সেমেকিল।

"মোক লব নোৱাৰিবি, টম্ ? কিয়, মোক দেখোন জলদস্যু হবলৈ নিব পাৰিছিলি ?"

"নিছিলোঁ৷ অৱশ্যে; কিন্তু সেইটো বেলেগ কথা। জলদস্যু হোৱাতকৈ ডকাইত হোৱাতো বেছি সম্মানজনক।"

"টম্, তইতো মোৰ কিমান দিনৰ বন্ধু। তই জানো মোক দলত নোলোৱাকৈ থাকিব পাৰিবি ?"

"হাক্ মোৰতো তোক লোৱাত কোনো আপত্তি নাই। কিন্তু মানুহে কি কব ? মানুহে কব—"ধুৎ, টম্ ছয়াৰৰ দল; সংসাৰৰ বেয়া লৰাবোৰেৰে ভৰা"। সিহঁতে তোক উদ্দেশ্য কৰিয়েই তেনেকৈ কব, হাক্। আৰু তেনেকৈ কলে তয়ো ভাল নেপাবি আৰু ময়ো ভাল নাপাম।"

হাক্ অলপ সময় নিমাত হৈ থাকিল। অৱশেষত সি কলে—

"বাৰু, তেন্তে মই মিছেছ ডগ্‌লাছৰ ঘৰলৈকে উভতি যাম। তই যদি মোক ভদ্ৰ হলেহে দলত লওঁ বুলিছ, তেন্তে মই এবাৰ চেষ্টা কৰিয়ে চাওঁ বাৰু।"

"ব'ল তেন্তে হাক্, মোৰ লগতে ব'ল। মই বাৰু নিয়ম-কানুনবোৰ তোৰ ক্ষেত্ৰত অলপ ঢিলাই দিবলৈ মিছেছ ডগ্‌লাছক বুজাই কম।"

"ওঁ, তই কবি দেই ভাই।...তই বাৰু কেতিয়াকে ডকাইতৰ দল আৰম্ভ কৰিব খুজিছ ?"

"আজিয়েই কৰিম। আজি ৰাতি কেইজনমান ল'ৰা গোটাই লৈ আমি দীক্ষা গ্ৰহণ কৰিম।

"সেইটোনো আকৌ কি ?"

"ইয়াৰ মানে হল, আমি শপত খাব লাগিব যে বিপদত ইজনে

সিজনক প্ৰাণ দিও সহায় কৰিব, কোনোবাই কাটি দুটুকুৰা কৰিলেও দলৰ গুপুত কথাবোৰ কৈ নিদিব আৰু দলৰ কাৰোবাক কোনোবাই অত্যাচাৰ কৰিলে, সেইজন আৰু তাৰ গোটেই পৰিয়ালকে হত্যা কৰিব।"

"উস, বঢ়িয়া কথা। বৰ বঢ়িয়া হব, টম্।"

"তাৰোপৰি এই শপত গ্ৰহণ কৰিব লাগিব মাজৰাতি—একেবাৰে নিৰ্জ্জন, নিস্তব্ধ ঠাইতহে। অকল সেয়ে নহয়; আমি মৰা মানুহ থোৱা কফিন এটাৰ ওপৰত হাত থৈ আৰু তাত তেজেৰে চহী কৰিহে শপত খাব লাগিব।"

"হয় নেকি? ইচ্ জলদস্যুতকৈ দেখিছোঁ। ডকাইত হোৱাহে বেছি ভাল। মই তোক কথা দিলো টম্, ডকাইত হবলৈ যদি মই মিছেছ ডগ্-লাছৰ ঘৰত থাকিবই লাগে, তেন্তে মই মৰি পচি যোৱালৈকে তাত থাকিবলৈ মান্তি আছোঁ। আমি ডকাইত হলে মানুহে যেতিয়া আমাৰ কথা কব, তেতিয়া মিছেছ ডগ্লাছেও মোক লৈ গৌৰৱ কৰিব পাৰিব।"